# অসম বিধান সভা অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ২২/০২/২০১৮ বৃহস্পতিবাৰ

---

**আজি ইংৰাজী ২২-০২-২০১৮ তাৰিখে ৰাতিপুৱা ৯ঃ৩০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী দেৱৰ অধ্যক্ষতাত নিৰ্দ্ধাৰিত সময় সূচী মতে সদনৰ কাম-কাজ আৰম্ভ হয়।**

**শ্ৰী আব্দুল খালেক, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ফালৰ পৰা আপোনাক আজি এটা ৰুল ৫৬ অধীনত এটা সভাস্থগিত প্ৰস্তাৱৰ জাননী দিছিলো পাইছেনে?

**মাননীয় অধ্যক্ষ ঃ-** পাইছো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ-** নিয়মবোৰ মানি চলিব লাগিব।

(ইয়াৰ পিছতে কংগ্ৰেছ দলৰ সদনত উপস্থিত থকা সদস্য,সদস্যা সকলে সভাস্থগিত প্ৰস্তাৱটোৰ ওপৰত প্ৰথমতে আলোচনা কৰাৰ বাবে আহ্বান জনোৱাত সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

মাননীয় অধ্যক্ষ ঃ-সভা স্থগিত প্ৰস্তাৱ আনিছে, মইতো নাইপোৱা বুলি কোৱা নাই। পালো বুলি কৈছো ।সভা স্থগিত প্ৰস্তাৱ আহিব Question Hours আৰু List of second business টো অহাৰ আগতে। Question Hours আৰু Zero Hours ৰ পিছত সভাস্থগিত প্ৰস্তাৱৰ সময়। আপুনি ভালকৈ ৰুল **৫৬** চালে গম পাব। সেই সময়ত আপোনালোকে কৰিব। মই ভাৱো যে আমাক সকলোকে ৰাইজে চাই আছে। আমি ৰুল মেকাৰ বিলাকে যদি ৰুল বিলাক ভালকৈ নাচাওঁ কি হব। এতিয়া প্ৰশ্ন নং ১৮১ শ্ৰী সঞ্জয় কিষান। Minister please.

**শ্ৰী ৰিহণ দৈমাৰী, মন্ত্ৰী ঃ-**মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত ৰখা আছে।

**শ্ৰী সঞ্জয় কিষান,সদস্যঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰটো পাইছো। কিন্তু অধ্যক্ষ ডাঙৰীয়া মই এটা কথা কব পাৰো, আজিৰ তাৰিখটো মই যেতিয়া গুণোৎসৱত বহুস্কুলত গৈছিলো, তেতিয়া আমি গম পাইছিলো যে প্ৰায় বিলাক স্কুলতে আৰ. এচ. যুক্ত পানী, আজি তাৰিখতো ছাত্ৰ-ছাত্ৰী সকলে সেৱন কৰিব লগীয়া হৈছে। অধ্যক্ষ মহোদয় আৰু আমি সুধিছিলো যে এইবিলাকত কেতিয়াবা পানী পৰীক্ষা কৰা হৈছে নেকি? কিন্তু কোনো এখন স্কুলতে আচলতে, বিভাগ আছে, মানুহ আছে, পানী পৰীক্ষা কৰা হোৱা নাই আৰু সেই কাৰণে বহু সময়ত বহু বেমাৰত আমাৰ ছাত্ৰ-ছাত্ৰী সকল ভুগিবলগীয়া হৈছে। আৰু আটাইতকৈ ডাঙৰ কথা, আমাৰ তিনিচুকীয়াত কণ্টেক বেচিছত মানুহ আছে। কিন্তু আমি জনামতে অধ্যক্ষ ডাঙৰীয়া তাত আৰ্চেনিক বা তেনেকুৱা ধৰণৰ যি বেক্টেৰীয়া আছে, সেই বেক্টেৰীয়া বিলাক আচলতে পৰীক্ষা কৰিব পৰাকৈ তাত তেনেকুৱা ধৰণৰ মেটেৰিয়েল নাই। হয়, মোৰ ফালৰ পৰা মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো, যাতে পানীৰ কাৰণে বহু টকা-পইচা খৰচ কৰিছো, আৰ. এচ. টো তেওঁলোকে কৰিব পাৰে, মাত্ৰ কেইটামান তেওঁলোকে কৰিব পাৰে, আমি জনাত। তেওঁলোকে সেই বিলাক যিবিলাক বিশেষ বেক্টেৰীয়া আছে, সেই বিলাক তেওঁলোকে কৰিব নোৱাৰে।

মোৰ ফালৰ পৰা মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো, যাতে বিশেষ পানীৰ কাৰণে বহু টকা-পইচা খৰচ কৰিছো, কিন্তু এই চৰকাৰৰ দিনত যাতে স্কুলত সেই কণ কণ ল'ৰা ছোৱালীক অন্ততঃ বিশুদ্ধ

পানী আমি দিব পাৰো, তাৰ কাৰণে প্ৰত্যেক স্কুলত যাতে এটা ব্যৱস্থা হয়, যাতে আমি কোনো কাৰণত পানী খাই বেমাৰত ভুগিবলগীয়া নহয়। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে অনুৰোধ জনালো।

**শ্ৰী ৰিহণ দৈমাৰী, মন্ত্ৰীঃ**- অধ্যক্ষ ডাঙৰীয়া, স্কুলসমূহত খোৱাপানীৰ ব্যৱস্থাটো আচলতে আজিৰ তাৰিখত জনস্বাস্থ্য কাৰিকৰী বিভাগে নকৰে। সৰ্বশিক্ষা বিভাগৰ যোগেদি সেইটো ব্যৱস্থা কৰা হয়। কিন্তু আমাৰ ৰাজ্যখনত যিবিলাক পানীৰ চ'ৰ্চ আছে কুঁৱাই হওঁক, দমকলেই হওঁক বা অন্যান্য চ'ৰ্চেই হওঁক, তাত পৰীক্ষা আমাৰ বিভাগৰ দ্বাৰা কৰা হয়। ইতিমধ্যে আমাৰ প্ৰতিখন জিলাত পানী পৰীক্ষা কৰা ব্যৱস্থা আছে। জিলা পৰ্য্যায়ত, মহকুমা পয্যায়ত পানী পৰীক্ষা কৰাৰ ব্যৱস্থা বিলাক আছে আৰু ইয়াৰ উপৰিও Water Treatment Plan আছে আৰু তিনিচুকীয়া জিলাতো সেইটো কৰা হৈছে। তিনিচুকীয়া জিলাতো যিমানবিলাক চ'ৰ্চ আছে, প্ৰায় বিলাক চ'ৰ্চৰ পৰা আমি Water sample collect কৰি সেই বিলাক পৰীক্ষা কৰা হৈছে। আৰু কিছু কিছু অঞ্চলত আইৰণ আছে। তাত আৰ্চেনিক বা ফ্লৰাইড জাতীয় তেনেধৰণৰ বিষাক্ত পদাৰ্থ তিনিচুকীয়া জিলাত নাই। গতিকে যিবিলাক অঞ্চলত আমি এতিয়ালৈকে পৰীক্ষা কৰিব পৰা নাই, আমাৰ পৰীক্ষা কৰাৰ ব্যৱস্থা আছে আৰু আমাৰ কৰ্মীসকল যায়, Water sample collection কৰে আৰু পৰীক্ষা কৰাৰ ব্যৱস্থাটো আছে। গতিকে চ'ৰ্চত কৰা নাই, সেই টো যদি আমাৰ বিধায়কে লিখি দিয়ে, আমি সেই চ'ৰ্চ বিলাক sample collection কৰি পৰীক্ষা কৰাৰ ব্যৱস্থা কৰিম।

**শ্ৰী সঞ্জয় কিষাণ, সদস্য ঃ**- ধন্যবাদ জনাইছো মন্ত্ৰী ডাঙৰীয়াক, খালী মেন পাৱাৰ অকনমান কম আছিল বুলি তেখেতসকলে জানিব দিছে আৰু আছে যদিও তেওঁলোকৰ পৰা যি ধৰণে আমি আশা কৰিব লাগে সেইধৰণে তেওঁলোক আচলতে নাযায় আৰু এটা কথা অধ্যক্ষ ডাঙৰীয়া, মই কব বিচাৰিছো, মোৰ এটা পঞ্চায়ত আছে লক্ষীপথাৰ। চাৰিও ফালে জংঘল, তাৰ পৰা মানুহে পানী সংগ্ৰহ কৰি আহি পৰীক্ষা কৰাটো দুখীয়া মানুহখিনিৰ কাৰণে সম্ভৱেই নহয়। তেওঁলোকে টাউনখনকে বহুত দিনৰ মুৰত এদিন দেখে, অধ্যক্ষ ডাঙৰীয়া, চাৰিওফালে হাবি জংঘলেৰে ভৰা। আমাৰ যদি তেনেকুৱা ব্যৱস্থা এটা হয়, যে তালৈ গৈ যদি পানীটো পৰীক্ষা কৰাৰ ব্যৱস্থা কৰা হয়, পানীটো তাৰ পৰা সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰা হয় তেতিয়া হলে উপকৃত হম আমি আচলতে এই আঁচনিটোৰ পৰা।

শ্ৰীৰিহণ দৈমাৰী, মন্ত্ৰীঃ- আমাৰ বিধায়ক ডাঙৰীয়াই যিটো অঞ্চলৰ কথা কৈছে, যদি তেখেতে specific যদি লিখি দিয়ে মই আমাৰ বিষয়া বা কৰ্মী সকলক পঠাই দিম Water sample collection কৰিবৰ কাৰণে, আৰু সেইটো পৰীক্ষা কৰাৰ ব্যৱস্থা মই কৰিম। মেন পাৱাৰৰ কথাটো অধ্যক্ষ ডাঙৰীয়া, সেইটো সচাঁ কথা। আজিৰ তাৰিখত আমাৰ বিভাগত 4th grade, খালাচী প্ৰায় দুই হাজাৰতকৈ বেছি short আছে। সমস্যাটো হৈছে এনে ধৰণৰ ছাৰ, মোৰ বিভাগত যিমান বিলাক 4th grade, 3rd grade আছিল প্ৰায় বিলাক পদয়েই আছিল personel post গতিকে personel post হোৱা হেতুকে, যেতিয়া তেওঁলোকে retirement ত যাই, লগে লগে post টো abolise হৈ যায়। আমি বিত্ত বিভাগৰ লগত আলোচনা কৰিছো, মাননীয় মুখ্যমন্ত্ৰীৰ লগতো মই আলোচনা কৰিছো, সেই shortage যিখিনি আমাৰ man power আছে, সেইটো কেনেকুৱা ধৰণে পূৰাব পৰা যায়, তাৰ কাৰণে আমি আলোচনা কৰিছো। যদি post sanction পাওঁ তেতিয়া হলে আমি কৰিম।

**মাননীয় অধ্যক্ষ ঃ**- শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

( সভাপতিৰ সন্মানীয় আসনত মাননীয় অধ্যক্ষ মহোদয় উপবিষ্ট)

. . . . . . . . . . . . . প্ৰশ্নোত্তৰ কাল ক্ৰমশঃ . . . . . . . . . . . . .

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ,সদস্য (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ তিনিচুকীয়া জিলাৰ যিকেইটা পানী যোগান আঁচনি আছে, তাৰ মাজৰ বেছিভাগ পানী যোগান আঁচনিতে ৩-৪ বছৰ আগতেই কিছু সংখ্যক লৰাক Volunter হিচাপে engage কৰা হৈছিল আৰু প্ৰত্যেককে ৫-৬ মাহ মান Rs.5000/- টকাকৈ দৰমহাও দিয়া হৈছিল, তাৰ পিচত আৰু তেওঁলোকে পইছা পোৰা নাই। প্ৰায় ৩২-৩৫ মাহ মান পইছা পোৰা নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে আমাৰ Post ৰ অভাৱ আছে। অধ্যক্ষ ডাঙৰীয়া মই যদিও তিনিচুকীয়া জিলাৰ কথা কৈছো, আচলতে এই সমস্যাটো গোটেই অসমতে আছে, আপোনাৰ সমষ্টিটো আছে, মোৰ সমষ্টিটো আছে। গতিকে এই ধৰণে যিবিলাক লৰা engage হৈ আছে তেওঁলোকক regularise কৰি আমি যদি নিযুক্তিৰ ব্যৱস্থা কৰিব পাৰো তেতিয়া বৰ্তমান যি সমস্যা হৈ আছে সেই সমস্যা সমাধান হ'ব পাৰে ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰিহণ দৈমাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই সমস্যাটো কেৱল তিনিচুকীয়া জিলাতে নহয়, সমগ্ৰ ৰাজ্য খনতে আছে। যিসকল User Committee ৰ কৰ্মী, তেওঁলোকে এটা Association বনাই even ধৰ্ণা আদি দি আন্দোলনো কৰিছে। তেওঁলোক আমাৰ বিভাগৰ কৰ্মী নহয়। আমাৰ জন-স্বাস্থ্য আৰু কাৰিকৰি বিভাগৰ যিবিলাক আঁচনি আমি নিৰ্মাণ কৰি দিওঁ সেই আঁচনি মৰ্মে আমি User Committee গঠন কৰি দিওঁ আৰু সেই User Committee সমূহে তেওঁলোকক নিয়োগ কৰে। চৰকাৰে তেওঁলোকক নিয়োগ কৰা নাই। আমাৰ বিভাগৰ কোনোবা Engineer ৰে যদি ব্যক্তিগত ভাৱে দৰমহা আদি দিছে সেইটো বেলেগ কথা, কিন্তু আমাৰ বিভাগ বা চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ দৰমহা দিয়া হোৱা নাই। আমি অৱশ্যে চেষ্টা কৰি আছো। যিহেতু Post নাই, Personal ভাৱে engage হৈছে। আমাৰ কৰ্মীৰ প্ৰয়োজন আছে। সেই কাৰণে যেতিয়া আমি Senction Post পাম, তেতিয়াহে আমি তেওঁলোকক মকৰল কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী দূৰ্গা ভূমিজ ।

**শ্ৰী দূৰ্গা ভূমিজ, সদস্য, ডুমডুমা ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ডুমডুমাত এটা বহুজাতিক কোম্পানী 'হিন্দুস্থান লিভাৰ লিমিটেডে' দৈনিক ১০-১২লাখ লিটাৰ পানী ব্যৱহাৰ কৰে, যাৰ কাৰণে পানীৰ যিটো স্তৰ সেইটো তললৈ গৈ আছে। গতিকে ডুমডুমাৰ এই বৃহৎ অঞ্চলটোৰ বাবে এটা পৰীক্ষাগাৰৰ ব্যৱস্থা কৰিলে ভাল হয়। এইকাৰণে কৰিব লাগিব যে ইয়াত পানীৰ অভাৱ বহুত বেছিকৈ হৈছে।

অধ্যক্ষ মহোদয়, দ্বিতীয়টো হৈছে, "অনাময় আঁচনি"। অনাময় আঁচনিৰ জৰিয়তে যিবোৰ আত্মসহায়ক গোটে শৌচাগাৰ নিৰ্মান কৰিছে তেওঁলোকে ধন পোৰা নাই। যাৰ কাৰণে তিনিচুকীয়া জিলাত "অনাময় আঁচনি" ৰ কাম সমূহ আধৰুৱা হৈ আছে, তেওঁলোকে সম্পূৰ্ণ কৈ বনাব পৰা নাই। সেয়েহে মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো যাতে "অনাময় আঁচনি" ৰ জৰিয়তে যিবিলাক কাম হৈ আছে তেওঁলোকক টকা -পইছা মোকলাই দি কাম খিনি সোনকালে কৰাৰ ব্যৱস্থা কৰিব লাগে ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ।

**শ্ৰী ৰিহণ দৈমাৰী,মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, তিনিচুকীয়া জিলাত, জিলা পৰ্য্যায়ত আৰু মহকুমা পৰ্য্যায়ত পানী পৰীক্ষা কৰা পৰীক্ষাগাৰ আছেই। ইয়াৰ উপৰি Mobile Treatment Plant আছেই। সন্মানীয় সদস্য গৰাকীয়ে যি ডুমডুমা আঞ্চলৰ কথা কৈছে, তাৰ পানীখিনি পৰীক্ষা কৰাৰ কাৰণে আমাৰ বিষয়া সকলক তালৈ পঠিয়াই দিম। অধ্যক্ষ ডাঙৰীয়া, সমগ্ৰ ৰাজ্যতে আমাৰ যিটো Ground water level, সেইটো প্ৰতি বছৰে তললৈ নামি গৈ আছে। পাহাৰীয়া অঞ্চল বিশেষকৈ BTC ৰ উত্তৰ ফালে পানীৰ যিটো level, প্ৰতি বছৰে সেইটো তললৈ নামি গৈ আছে। সেইটো কি কাৰণে হৈ আছে মই নাজানো। এইটো বৈজ্ঞানিক সকলেহে কব পাৰিব। স্বচছ ভাৰত মিছনৰ জৰিয়তে আমি যিবোৰ টয়লেট বনাই আছো, হয়, মই স্বীকাৰ কৰিছো তিনিচুকীয়া জিলাত মোকো লগ ধৰি বহুতে এই অভিযোগ দিছে যে বহুত NGO, Self-help Group বিলাকে Payment পোৱা নাই। Payment নোপোৱাৰ কাৰণ হ'ল, আমাৰ বিভাগৰ এটা নিয়ম আছে যে Payment পাবলৈ হলে যিখিনি টয়লেট নিৰ্মাণ কৰা হয়, তাৰ ফটো বিভাগীয় ভাবে Computer ত Up-load কৰিব লাগে। এইটো ফটো Up-load নকৰাৰ কাৰণে আমি Payment দিব পৰা নাই। ইতিমধ্যে মই যোৱা সপ্তাহত তিনিচুকীয়া জিলাত ৭ কোটি টকা Payment দিবৰ কাৰণে NGO বিলাকক মোকলাই দিছো আৰু তেওঁলোকক এটা clear instruction দিয়া হৈছে যে - যিবিলাক Self-help Group ক Payment কৰা হোৱা নাই, তেওঁলোকক first priority দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Last Supplementary Shri Binod Hazarika.

**শ্ৰীবিনোদ হাজৰিকা, চাবুৱা ঃ** মাননীয় অধ্যক্ষ মহোদযৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে চাবুৱা বিধান সভা সমষ্টি তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ অন্তৰ্গত। চাবুৱা বিধান সভা সমষ্টিৰ এটা উন্নয়ন খণ্ড তিনিচুকীয়া জিলাত আছে যত আমাৰ তেনে ধৰণৰ বহুতো Defunct Scheme আছে যিবিলাক এতিয়াওঁ বিকল হৈ আছে। ২৫,০০০-৩০,০০০ হাজাৰ টকা খৰচ কৰি আমি সেইবোৰ কাৰ্য্যক্ষম কৰি তুলিব পাৰো, গতিকে মন্ত্ৰী মহোদয়ক মই এইক্ষেত্ৰত গুৰুত্ব দিয়াৰ বাবে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মন্ত্ৰীয়ে গুৰুত্ব দিব।

**শ্ৰী ৰিহণ দৈমাৰী,মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে মই যোৱা সপ্তাহতো দিছো আৰু তাৰ আগৰ সপ্তাহতো উত্তৰ দিছো যে ৰাজ্যখনত আমাৰ খোৱা পানী যোগান আঁচনি বহুতো বিকল হৈ আছে আৰু সেই বিকল হৈ থকা আঁচনি সমুহৰ কথাটো মই গুৰুত্ব সহকাৰে লৈছো আৰু ইতিমধ্যে মেৰামতি কৰাৰ কাম আমি হাতত লৈছো। এই বিত্তীয় বৰ্ষত প্ৰতিটো বিধান সভা সমষ্টিত আমি ৬টা কৈ Scheme দিছো। কিছুমান সমষ্টিত বেছিকৈ দিয়া হৈছে যত water supply Scheme বেছিকৈ আছে। আমাৰ সন্মানীয় বিধায়ক জনে যিটো কথা কৈছে তেওঁৰ তাত যদি আছে তাতো আমি কৰাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১৮২, শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী। মন্ত্ৰী -

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী, সদস্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ললিতি মথাউৰিটো আপোনাৰ সমষ্টিৰ কাষতে। যোৱা বাৰ বানপানীত এই মথাউৰিটোৱে এটা সাংঘাটিক ভয়ংকৰ অৱস্থাৰ সৃষ্টি

কৰিছিল যাৰ ফলত আমি জল সম্পদ বিভাগৰ লগতে সামৰিক বাহিনীকো কামত লগাবলগীয়া হৈছিল। কিন্তু তাৰ পিচৰ পৰ্য্যয়ত এই মথাউৰিটো পুনৰ নিৰ্মাণৰ কাৰণে এটা DPR প্ৰস্তুত কৰি কেন্দ্ৰীয় চৰকাৰলৈ পঠিওৱা হল আৰু কেন্দ্ৰীয় চৰকাৰে এই সম্পৰ্কত আমাক ৮০ঃ২০ Ratio ত State Share ৰ 20% দিবৰ বাবে জল সম্পদ বিভাগৰ ১৩২ নং যিখন কেন্দ্ৰীয় চৰকাৰৰ সভা আছিল, সেই সভাত এই মথাউৰিটো পুনৰ নিৰ্মাণৰ বাবে গ্ৰহণ কৰিছিল। এই সম্পৰ্কত ৰাজ্য চৰকাৰলৈ এখন চিঠি প্ৰেৰণ কৰিছিলো। কিন্তু কি কাৰণত নাজানো, বিভাগৰ হেমাহিৰ কাৰণে নে কি নাজানো আমাৰ ৰাজ্য চৰকাৰৰ পৰা কেন্দ্ৰীয় চৰকাৰলৈ সেই 20% State Share টো দিয়াৰ বাবে কোনো চিঠি নগল। দ্বিতীয়তে, অধ্যক্ষ মহোদয়, ইয়াত উত্তৰত দিছে যে বৰ্তমান ললিতি মথাউৰিটোৰ সম্পৰ্কত ভয় কৰিবলগীয়া নাই। কিন্তু অধ্যক্ষ মহোদয়, এই অধিবেশনলৈ অহাৰ আগত মই উক্ত অঞ্চললৈ গৈছিলো, তাৰ কাষতে যি খন গাওঁ আছে সেই গাওঁখনত খহনীয়া হৈয়ে আছে আৰু ৰাইজে যদি সংঘবদ্ধ হৈ ইয়াৰ প্ৰতিৰোধ নকৰে অহাবাৰলৈ দেৰগাওঁ সমষ্টি, পশ্চিম যোৰহাট গোটেই অঞ্চলটো পানীত ডুব যাব। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা এটা আশ্বাস বিচাৰিছো এই বছৰতে মথাউৰেটো নিৰ্মাণৰ ব্যৱস্থা লবনে ?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মন্ত্ৰী।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনি খন CWC (Central Water Commission) ত আছে আৰু তাত যিখন চিঠিৰ কথা কৈছে আমাৰ 20% নিদিয়াৰ কথা, (তাৰ লগত মই অতিৰিক্ত খিনি যোগ দিম বাৰু) আমাৰ ইয়াৰ পৰা চিঠি প্ৰেৰণ কৰা হৈছে 25th October, 2016 ত। চিঠিখনত উল্লেখ ক ৰা হৈছিল যে এইটো Scheme ৰ আমাৰ যিটো 20% State Share ৰাখিছো, সেই State Share তটো আমি Budget ত accommodate কৰিম। কিন্তু কথাটো হৈছে কি particularly সেইটো Scheme ত 20% আমি দিম বুলি এটা সুকীয়া চৰ্ত তেওঁলোকে বিচাৰিছে। মই এই বিষয়টো মাননীয় বিত্ত মন্ত্ৰীৰ লগত আলোচনা কৰিলো, বিত্ত বিভাগে সুকীয়াকৈ এই Scheme ৰ against ত আমাৰ যিটো common State Share তাৰ উপৰিও সুকীয়াকৈ 20% আমি বহন কৰিম বুলি অতি সোনকালে কেন্দ্ৰীয় চৰকাৰক জনোৱা হব। এই ক্ষেত্ৰত অসুবিধা নাই। এই ললিতিৰ ক্ষেত্ৰত মই গৈছো, আমাৰ মাননীয় বিধায়কো গৈছিল, সকলো দিশ আমি খোজ কাঢ়ি চাইছো। তাত ইতিমধ্যে প্ৰায় ৫ খন আঁচনি ৰূপায়ণ কৰা হৈছে, আৰু ৫ খন আঁচনি ৰূপায়ণ কৰাৰ কাৰণে আজিৰ অৱস্থাটোত আছে, নহলে যোৱা বছৰ বা তাৰ আগৰ বছৰত যিটো ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হৈছিল সেই পৰিস্থিতি পুনৰ সংঘটিত হলহেতেন। এইখন আঁচনিত Rs.50,86,67,000 কোটি টকা লাগিব। গতিকে আমাৰ চৰকাৰে ইমান ব্যয় বহন কৰাটো সম্ভৱ নহয় সেইবাবে কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰ অপেক্ষাত আছো।

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী, সদস্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো কাৰণ গোটেই যোৰহাট খন কিন্তু পানীৰ তলত যাব, যদিহে এই ললিতি আৰু নিমাতি মথাউৰি দুটা ভাঙে আৰু ২০১৬-১৭ চনত যি চাৰিটা আঁচনি কৰিলে, এই কেইটা আঁচনি বাঁহৰ Porcupine দি বানপানীৰ সময়ত কৰিলে। সেইকেইটা পানী থকাৰ সময়ত ঠিকে থাকে কিন্তু পানী শুকাই গলে সেইবোৰ হেন্দোলি থাকে। তলে তলে গৈ পানীয়ে মথাউৰিটো খান্দি দিয়ে আনকি মোৰ সন্মুখতে বহু ডাঙৰ ডাঙৰ গছ উভালি পৰিছে। মন্ত্ৰী মহোদয়ে নিজে চাই আহিছে। আশা কৰিছো এইবছৰতে এই খৰালীৰ দিনতে এই কামটো কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম প্ৰশ্নটো আছিল যে এই আঁচনিখনৰ কাৰণে ২০ শতাংশ Assurance দিয়া হৈছে নে নাই আৰু সেইটো দিয়া হ'ল। ২০ শতাংশ Assurance দিয়াৰ পিছত Central Government তে investment clearance কৰিব। বহু পৰীক্ষা-নিৰীক্ষা কৰাৰ পাছত Investment Clearance কৰাৰ পিছত investment ক'ৰ পৰা হ'ব। S.N.P. য়ে কৰিব নে DONER এ কৰিব নে, State Government তে কৰিব। সেই পৰ্য্যায়টো অহাৰ পাছত এই আচনিখন ৰূপায়ণ কৰাটো এইটো বৰ্ষত আমি মঞ্জুৰী পালেও সম্ভাৱনা নাই। কিন্তু অতিৰিক্ত ভাৱে মই চাব পাৰো যে ,যোৰা টাপলি মাৰি ৰক্ষা কৰিবলৈ চেষ্টা কৰিম অধ্যক্ষ মহোদয়। আৰু নিমাতিৰ বিষয়টো কৈছে । নিমাতিৰ বিষয়টো এনেকুৱা, এইটো মাননীয় অধ্যক্ষ মহোদযৰ, সমষ্টিৰ তেখেতেওঁ বিশেষ ধৰণে আমাৰ বিভাগক বা মুখ্য মন্ত্ৰীক গুৰুত্বসহকাৰে জনাইছে আৰু আমিও গুৰুত্বসহকাৰে লৈছো। তাত ২৯ কোটি টকাৰ এটা এষ্টিমেট আহিছিল ২৯ কোটি টকাটো আমি দুভাগত ভাগ কৰিলো। বাৰ কোটি টকা আমি এচ ডি আৰ এফ ত দিছোঁ আৰু সোতৰ কোটি টকা আমি এচ অ' ডি পি ত দিছো আৰু বাৰ কোটি ইতিমধ্যে sanctioned হৈছে কাম কৰিবলৈ আৰু সোতৰ কোটি টকাটো আমাৰ বিত্তবিভাগৰ লগত আছে, অতি সোনকালে তেওঁলোকে দিম বুলি কৈছে। তেতিয়া আমি কাম কৰিব পাৰিম।গতিকে নিমাতিৰ পৰিস্থিতি আৰু ললিতিৰ পৰিস্থিতি এই দুয়োটাই ভয়াৱহ আৰু এই দুয়োটা আমি যিকোনো প্ৰকাৰে ৰক্ষা কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং ১৮৩ মাননীয় দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয় আমাৰ ভূমি সংৰক্ষণ বিভাগৰ, বৰাক আৰু ব্ৰহ্মপুত্ৰই প্ৰতি বছৰে আমাৰ ভূমি হ্ৰাস কৰি আহিছে। গতিকে ৩৭২ খন আঁচনিৰ ভিতৰত বৰ্তমানলৈ কিন্তু কেৱল ৫৭ খন আঁচনিৰ আমি পুঁজিৰ বাবে ৰূপায়ণ কৰিবলৈ সক্ষম হৈছো। ৩১৫ খন আঁচনি এতিয়াও ৰূপায়ণ কৰিবলৈ বাকী আছে বিভিন্ন পৰ্য্যায়ত। ২০১০-১১ বৰ্ষৰ আঁচনি সমূহ এতিয়া এনেকুৱা অৱস্থাত আছে যে যদি কেন্দ্ৰই ধন দিয়ে তেতিয়াহ'লে সম্পূৰ্ণ কৰা হ'ব আৰু সেই ক্ষেত্ৰত পৰৱৰ্তী পৰ্য্যায়তো যিখিনি লোৱা হৈছে। সেইখিনিও অনিশ্চয়তা হৈছে। সেইক্ষেত্ৰত যিখিনি Action Plan থকা স্বত্তেও ৰূপায়ণ কৰিব পৰা হোৱা নাই। সেই ক্ষেত্ৰত অসম চৰকাৰে আৰু অধিক কি ব্যৱস্থা ল'ব পাৰে তাৰ বাবে অসম চৰকাৰে কেনেধৰণৰ ব্যৱস্থা ল'ব জানিব পাৰিম নেকি? মোৰ দ্বিতীয় প্ৰশ্ন 'খ' ৰ উত্তৰত লিখা আছে সময়ে সময়ে আঁচনি সমূহ উচ্চ পৰ্য্যায়ৰ বিষয়াৰ দ্বাৰা পৰিদৰ্শন আৰু মূল্যায়ণ কৰি থকা হৈছে আৰু Annual Action Plan মতে সম্পূৰ্ণ কৰিবলৈ নিৰ্দ্দেশ দিয়া হ'য়। কিন্তু Action Plan সমূহ পুঁজিৰ অভাৱত সম্পূৰ্ণ কৰিব পৰা নাই। এই ক্ষেত্ৰত কি ব্যৱস্থা ল'বলৈ বিচাৰিছে জানিব বিচাৰিছো।

**শ্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম (পৰিৱেশ আৰু বন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰজেক্টটো দিয়া হৈছিল বহু বছৰ আগৰ পৰা। ২০০৯-১০ চনত তেনেকৈ দিয়া হৈছে। Phase -I phase-II তএনেকৈ দিয়া হৈছে। phase-4 লৈকে ২০১৪-১৫ৰ ভিতৰত প্ৰজেক্টবিলাক পঠিয়াই দিয়া হৈছিল। কিন্তু যিখিনি পইচা phase -I phase-II ইয়াৰ কাৰণে আমাৰ তাত আহিছে। সেইখিনি পইচাৰে আগৰ চৰকাৰৰ দিনত Scheme বোৰত একেবাৰে কাম কৰিব পৰা নাছিল। আমাৰ চৰকাৰ অহাৰ পিছত অলপ বেছি কৰিবৰ কাৰণে আমি চেষ্টা কৰি আছো। এতিয়া প্ৰায় ৮০ শতাংশ কাম আমি সম্পূৰ্ণ কৰিব পাৰিছো আৰু কামৰ Standard যাতে ভাল হয়, সেইকাৰণে আমাৰ Additional Chief Secretary ঁ

ডাঙৰীয়া আৰু Secretary তেখেত সকলে প্ৰতিটো স্কীমৰ পৰ্য্যবেক্ষণ কৰিছে পৰিদৰ্শন কৰি মোক জনাইছে, মই নিজে সকলোতে যাব পৰা নাই। কিন্তু আমাৰ বিষয়া সকলে তাত মাজে মাজে গৈ পৰিদৰ্শন কৰিছে আৰু তেওঁলোকে কামবোৰ সন্তোষজনক হোৱা বুলি জনাইছে। মই নিজেও সকলো স্কীমৰ review কৰিছিলো যোৱা মাহৰ আগৰ মাহত। review কৰোতে সকলো জিলাৰ বিষয়া সকলে কামবোৰৰ যিখিনি Programme তাৰ details মোক জানিবলৈ দিছে আৰু কিছু কামহে বাকী থকা বুলি মই জানিব পাৰিছো। আগৰ চৰকাৰৰ দিনত অলপো কাম নকৰিলে, এতিয়া দায়িত্বখিনি আমি লোৱাৰ পিছত অলপ বেছি তীব্ৰ গতিত যাতে আমি কাম কৰিব পাৰো আৰু সকলো জিলাতে ভালকৈ প্ৰজেক্ট আনি যাতে কাম কৰিব পাৰো তাৰে চেষ্টা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়া ।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়া (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰত মন্ত্ৰী মহোদয়াই কৈছে একেবাৰে শেষত কেন্দ্ৰীয় চৰকাৰে দ্বিতীয় কিস্তিৰ ধন আদায় দিলে ২০১০-১১ বৰ্ষত অনুমোদন কৰা বিত্তীয় পৰ্য্যায়ৰ আঁচনি সমূহ ইন্টিগ্ৰেটেড ওৱাটাৰচেড মেনেজমেণ্ট প্ৰ'গ্ৰেম বোৰ কাৰ্য্যকৰী কৰিব। একেধৰণৰ মই প্ৰশ্ন এটা আনিছিলো Unstared Question 442. কিন্তু Unstared Question ত উত্তৰ দিছে ২০১৭-১৮ বিত্তীয় বৰ্ষৰ কামবোৰ কৰা হৈছে। ইয়াত ৰিপ্লাই দিয়া হৈছে যে কেন্দ্ৰীয় চৰকাৰে পইচা দিলে ২০১০-১১ চনত কামবোৰ আৰম্ভ কৰিবহে। তাকো কেন্দ্ৰীয় চৰকাৰৰ পৰা পইচা পোৱাৰ পিছত। আৰু মোক মন্ত্ৰী মহোদয়াই ইয়াত ক'লে ২০১৭-১৮ ইতিমধ্যে কাম চলি আছে। এইটোৰ ওপৰত মোক clearification লাগে।

**শ্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম (পৰিৱেশ আৰু বন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনালোকক জনাইছো যে যিখিনি PHASE -I phase-II ই সেইখিনিৰ কাম আমাৰ চলি আছে আৰু সম্পূৰ্ণ হ'বৰ কাৰণে বেছি নাই আৰু যিখিনি কাম আগতে প্ৰজেক্ট জমা দিয়াৰ, সেই প্ৰজেক্ট টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা আহিব লাগিব। সেইপইচাখিনি আহিলে আমি phase-III,phase-IV এই কামখিনি কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ (মৰাণ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভূমি সংৰক্ষণ বিভাগক মোৰ মৰাণ সমষ্টিৰ মৰাণত এটা আঁচনি দিছিলো যোৱা ২০১৬ চনৰ শেষৰ ফালে । বিভাগক মোৰ সমষ্টি লৰুৱা নামৰ এখন পথাৰ আছে আৰু সেই পথাৰ খনৰ মাজেদি এখন জান গৈছে। জানটোক লৰুৱা জান বুলি কোৱা হয়। সেই লৰুৱা জানটো সম্পূৰ্ণভাৱে পোত যোৱাত এতিয়া খেতি পথাৰত কৃষক সকলৰ অৱস্থা নোহোৱা হৈছে আৰু তেওঁলোকে খেতি কৰিব নোৱাৰা হৈছে। সেইকাৰণে জানটো খন্দাৰ কাৰণে আমি এটা প্ৰপ'জেল দিছিলো ২০১৬ চনৰ শেষৰ ফালে। মই সুধিব বিচাৰিছো মাননীয় অধ্যক্ষ মহোদয়, লৰুৱা জানটো খন্দাৰ ক্ষেত্ৰত কিবা সঠিক পদক্ষেপ ল'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰীৰ হাতত তথ্য থাকিলে দিব পাৰিব নহ'লে পিছত দিলেও হ'ব।

**শ্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম (পৰিৱেশ আৰু বন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নতুন চৰকাৰ অহাৰ পিছত যিখিনি নতুন Scheme ৰ আমাৰ মাননীয় বিধায়ক, বিধায়িকা সকলে prposal submit কৰিছিল, সেইবোৰৰ কামবোৰ এতিয়া হোৱা নাই। কাৰণ প্ৰজেক্ট ৰেডি হ'লেহে আমি চৰকাৰলৈ পঠিয়াব পাৰিম। তাৰ পিছত কাম আৰম্ভ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি মন্ত্ৰীৰ লগত যোগাযোগ ৰাখিব। ইয়াৰ পিছত প্ৰশ্ন নং ১৮৪ আব্দুল

খালেক ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত (জলসম্পদ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আব্দুল খালেক (জনীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে সদনত জনাইছে ৰাজ্যৰ তিনি কোটি কৈ অধিক মানুহৰ বাবে বছৰত কেৱল মাত্ৰ ৬,৫৯,৩৮ কুইণ্টল আটাহে ৰাজ্য চৰকাৰে প্ৰদান কৰে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন ং- ১৮৪..... আব্দুল খালেক ডাঙৰীয়া।

**শ্ৰীৰিহণ দৈমাৰী, মাননীয় মন্ত্ৰী, খাদ্য আৰু অসামৰিক যোগান ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীআব্দুল খালেকঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে সদনত জনাইছে ৰাজ্যত ৩ কোটিতকৈও অধিক মানুহৰ বাবে বছৰত মাত্ৰ ৬, ৫৯, ০ ৩৮ কুইন্টলহে আটা ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ যোগেদি যোগান ধৰা হয় । মই ভাৱো অধ্যক্ষ মহোদয়, এই পৰিমাণটো কম গতিকে মন্ত্ৰী মহোদয়ে যোগাযোগ কৰি এই পৰিমাণটো বৃদ্ধি কৰিব নেকি ? দ্বিতীয় কথাটো হৈছে যিখিনি আটা দিয়া হয়, সেই খিনি সঠিকভাৱ বিতৰণ ব্যৱস্থাৰ যোগেদি বিতৰণ কৰা হয় নে নহয় ? সেই কথাটো নিশ্চিত কৰিব লাগে। তদুপৰি অধ্যক্ষ মহোদয় , দেখা গৈছে যে, চলিত বিত্তীয়বৰ্ষত ৩৮,৭৪১ কুইন্টল নিমখ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে যোগান ধৰা হৈছে কিন্তু বৰপেটা মহকুমাৰ ক্ষেত্ৰত এই নিমখহৈছে১৬৩৮ কুইন্টল কিন্তু মন্ত্ৰী মহোদয়ে সদনত জনাইছে যে, পৰিবহণ ব্যয় অধিক হোৱা কাৰণে বৰপেটা মহকুমাৰ সমবায় সমিতিসমূহে এই নিমখ উত্তলন কৰিব নোৱাৰে। এতিয়া অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই আবন্টিত নিমক কলৈ গ'ল আৰু গুৱাহাটীৰ ফাৰ্মক কিয় দিয়া হ'ল ? যিহেতু বৰপেটা ৰোড এখন ডাঙৰ বানিজ্যিক এলেকা। গতিকে তাৰে ফাৰ্মক আৱন্টণ দিব পাৰিলেহেঁতেন ? বৰপেটা মহকুমাৰ নিমখখিনি ক'লৈ গ'ল আৰু বৰপেটা জিলা বা বৰপেটা ৰোডৰ ফাৰ্মক কিয় দিয়া নহ'ল ? এই কথাটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ প্লিজ......।

**শ্ৰীৰিহণ দৈমাৰী, মাননীয় মন্ত্ৰী, খাদ্য আৰু অসামৰিক যোগান ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা সপ্তাহত মই বিধানসভাৰ মজিয়াত কৈছিলো যে, আমাৰ ৰাজ্যখনত ২০১৫ চনৰ পৰা খাদ্য সুৰক্ষা আইন ইয়াত ৰূপায়ণ কৰা হৈছিল। সেই সময়ত সেই খাদ্য সুৰক্ষা আইনৰ অন্তৰ্গত চৰকাৰে যিখিনি খাদ্য দিব সেইটো চাউল আৰু আটা হয়। আমাৰ ৰাজ্য চৰকাৰে আমাৰ আটা খোৱা মানুহ ইয়াত নাই আৰু সেই কাৰণে আমাৰ ৰাজ্যখনত গোটেইখিনি চাউল দিব লাগে বুলি কেন্দ্ৰীয় চৰকাৰক জনাইছিলে। সেই কাৰনে খাদ্য সুৰক্ষা আইনৰ অৰ্ন্তগত আমি যিমানখিনি পাওঁ সকলোখিনি চাউল আমাৰ ৰাজ্যখনত আহে। এতিয়া যিখিনি ইয়াত আটা আহে সেইখিনি টাইড অভাৰ মাত্ৰ আমাক দিয়ে। জাষ্ট এটা লাম -চাম আমাক দিয়ে। এইটো ক্ষেত্ৰত এই টাইড অভাৰটো বঢ়াবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত বিভাগীয় ভাৱে আমি যোগাযোগ কৰিছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বঢ়োৱাৰ বাবে চেষ্টা কৰিছে তৎসত্বেও কেন্দ্ৰীয় চৰকাৰে দিয়া নাই যিহেতু খাদ্য সুৰক্ষা আইন আহি গ'ল আৰু পৰ্য্যপ্ত পৰিমাণে ইয়াত চাউল দিয়া হৈছে সেই কাৰণে আটাটো বঢ়াই দিয়া নহ'ব বুলি আমাক জনাইছে। গতিকে আটাৰ পৰিমাণটো এতিয়া আনি বঢ়াব নোৱাৰো। সেই কাৰণে আমাৰ এটা ডাঙৰ সমস্যা হৈছে, যিহেতু আটাৰ পৰিমানটো

বহুত কম এটা কার্ডত মাত্র আমি ১ কিলো ৩০০ গ্ৰাম দিব পাৰো। সেই কাৰণে এতিয়া বহু জিলাই সেই আটাটো লিফটিং নকৰে। বহতো ফ্ল’ৰ মিলে আজিকালি আটাটো ল’বলৈ ইচ্ছা প্ৰকাশ নকৰে। সেই কাৰণে আমি দিব পৰা নাই, বঢ়াব পৰা নাই আৰু ডিষ্ট্ৰিবিউচনৰ ক্ষেত্ৰত আমাৰ ষ্ট্ৰিকলী মনিটৰ কৰিবৰ কাৰণে উপায়ুক্তসকলক ইতিমধ্যে নিৰ্দ্দেশ দিয়া হৈছে আৰু বিতৰণৰ ক্ষেত্ৰত যদি কিবা খেলি মেলি হয়, বেমেজালি হয় ইতিমধ্যে আমি জিলা পৰ্য্যায়ত,সমষ্টি পৰ্য্যায়ত চাব ডিভিজন লেভেলত, গাওঁ পঞ্চায়ত লেভেলতো আমি ভিজিলেন্স আৰু মনিটৰিং কমিটি গঠন কৰি দিয়া হৈছে । সমষ্টিৱাইজ ভিজিলেন্স আৰু মনিটৰিং কমিটিৰ আমাৰ মাননীয় বিধায়কসকল সভাপতি গতিকে ভিজিলেন্স এণ্ড মনিটৰিং কমিটিত আপোনালোকে সভাখন পাতি তাত আলোচনা কৰি ক’ত খেলি মেলি হৈছে সেইটো আপোনালোকে ঠিক কৰি ল’ব পাৰে। নিমখৰ ক্ষেত্ৰত, গোটেই নিমখটো আনিবৰ কাৰণে আমাৰ টেণ্ডাৰ কৰা হয় যিসকল ফাৰ্মে টেণ্ডাৰ দিয়ে তেওলোকক আমি দিও । নিমখৰ ক্ষেত্ৰত এটা ডাঙৰ সমস্যা হৈছে যিহেতু নিমখৰ মূল্যটো আমাৰ যিটো চাবচিডাইচ যিটো চল্ট আছে সেইটো একচুৰেলী বজাৰ মূল্যতকৈ অলপ বেছি হয়। গাঁৱৰ মানুহবিলাকে সেইটো লিফটিং নকৰে। যদি জিলাবিলাকত ৰাইজে বিচাৰে, জিলাৰ উপায়ুক্তসকলে আমাক ৰিকোৱাৰমেন্টটো দিয়ে সেইমতে আমি জিলাবিলাকত অবন্টণ দিওঁ। তেনেধৰণে তেওঁলোকে বিতৰণ কৰে। গতিকে সম্পূৰ্ন কৰ্তৃত্ব আমি জিলাবিলাকক দিছো।

**শ্ৰীআব্দুল খালেক, জনীয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে মোক এই কথা নজনালে যে, বৰপেটা মহকুমাৰ নিমখখিনি ক’লৈ গ’ল যদি উত্তলন কৰা নাই, দ্বিতীয় কথাটো হৈছে অধ্যক্ষ মহোদয় অকল বৰপেটা মহকুমাতে যে এইটো হৈছে এনেকুৱা নহয়, নিশ্চয় এই ধৰণৰ কাণ্ড অন্য মহকুমাতো হ’ব পাৰে। তৃতীয় কথাটো হৈছে অধ্যক্ষ মহোদয়, এই যে ভিজিলেন্স কমিটিৰ কথাটো কৈছে মন্ত্ৰী মহোদয়ে , ভিজিলেন্স কমিটি কৰিছে এইটো ভাল কথা , কিন্তু ভিজিলেন্স কমিটিও অকনমান মোডিফিকেচন কৰিব লাগে কাৰণ সমষ্টি পৰ্য্যায় এটা আছে আৰু ব্লক পৰ্য্যায় এটা আছে। মই ভাৱো অধ্যক্ষ মহোদয় সমষ্টি আৰু ব্ল’ক দুয়োটা মিলাই এটা কৰিলে ভাল। কিন্তু সমষ্টি পৰ্য্যায়ৰ সভাসমূহত জিলা প্ৰশাসনৰ প্ৰতিনিধি বহু সময়ত উপস্থিত নাথাকে। তাত চক্ৰ বিষয়া, বি ডি ও আৰু জিলা প্ৰশাসনৰ বিষয়া যাতে উপস্থিত থাকে সেইটো বাধ্যতামূলক কৰিব লাগে। আৰু নিমখৰ বিষয়টোৰ ক্ষেত্ৰত স্পেচিফিক উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মিনিষ্টাক প্লিজ....

**শ্ৰীৰিহণ দৈমাৰী, মাননীয় মন্ত্ৰী, খাদ্য আৰু অসামৰিক যোগান ইত্যাদিঃ** অধ্যক্ষ মহোদয়, বৰপেটা জিলাত যোৱা নভেম্বৰ মাহত ২০০৪.৯৬ কুইন্টল নিমখ আৱন্টন দিয়া হৈছিল আৰু এই নিমখকিনি সমবায়ৰ যোগেদি বিতৰণ কৰা হৈছিল। এটা স্পেচিফিক সময় থাকে আৰু সেইটো সময়ৰ ভিতৰত লিফিটিং নকৰিলে সমবায়সমূহে অপেন মাৰ্কেটত বিক্ৰি কৰাৰ ব্যৱস্থা আছে।

**শ্ৰীআব্দুল খালেকঃ** অধ্যক্ষ মহোদয়, ইয়াত এখন কাগজ দিছে অধ্যক্ষ মহোদয়, তাত কৈছে যে, উত্তলন কৰিব পাৰে। আকৌ মন্ত্ৰী মহাদয়ে কৈছে যে সমবায় সমিতিক দিয়া হৈছে , কোনটো সছা ?

**মাননীয় অধ্যক্ষঃ** যদি সমবায় সমিতিয়ে লৈ নাযায় তেতিয়া বাহিৰলৈ যায় বুলি কৈছে।

**শ্ৰীঅব্দুল খালেকঃ** অধ্যক্ষ মহোদয়, ইয়াত স্পেচিফিক কৈছে উত্তলন কৰিব পৰা নাই। লিফটিং কৰিব পৰা নাই। ইয়াত একেক্সাৰ এটা দিছে অধ্যক্ষ মহোদয় আৰু এটা কথা বৰপেটা জিলাত দুটা মহকুমা আছে। বজালী মহকুমাৰ নিমখৰ তালিকাখন দিয়া হোৱা নাই। এইখিনি নিমখ কলৈ গ’ল

**মাননীয় অধ্যক্ষ ঃ** নিমখখিনি আপুনি কৈছে যে, যদি নিনিয়ে তেন্তে, অপেন মাৰ্কেটত গুছি যায়। গতিকে তেখেতে যিটো কথা সুধিছে....।

**শ্ৰীৰিহণ দৈমাৰী, মাননীয় মন্ত্ৰী, খাদ্য আৰু অসামৰিক যোগান ইত্যাদিঃ** অধ্যক্ষ মহোদয়, আমি এলটমেন্টটো দি দিও। যিসকলে বিক্ৰি কৰে তেওলেকে লিফটিং নকৰে। সেইটো আমাৰ ডাঙৰ সমস্যা যিহেতু মাৰ্কেটত নিমখৰ দামটো কম। চৰকাৰৰ পৰা বিতৰণ কৰা যিটো নিমখ বজাৰতকৈ দাম অলপ বেছি হয় সেই কাৰণে মানুহে ক্ৰয় নকৰে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, যদি আৰু কিবা কথা থাকে খালেক ডাঙৰীয়াই মিনিষ্টাৰ ডাঙৰীয়াৰ লগত কথা পাতি ঠিক কৰি ল'ব। এইটো সকলোৰে কাৰণে ইমৰ্পটেন্ট কথা। নেক্সট চাপ্লিমেন্টৰী.....গুনীন দাস ডাঙৰীয়া।

**শ্ৰীগুনীন্দ্ৰ নাথ দাস ঃ** মাননীয় অথ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ২০১৬ চনৰ খাদ্য সুৰক্ষা আইনমতে আমাৰ সুলভ মূল্যৰ কাৰ্ড যেতিয়া দিয়া হ'ল তেতিয়া বৰপেটা সমষ্টিৰ বৰপেটা চহৰ আৰু হাউলী চহৰত বহুতো হিতাধিকাৰী বাদ পৰি গ'ল। এই সকলক অৰ্ন্তভূক্ত কৰাৰ কাৰণে কিবা ব্যৱস্থা ল'ব নেকি? মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** বৰপেটাৰ লগতে গোটেই অসমৰ কথা সাঙুৰি ক'ব যাতে চাপ্লিমেন্টৰি শেষ হয়।

**শ্ৰীৰিহণ দৈমাৰী, মাননীয় মন্ত্ৰী, খাদ্য আৰু অসামৰিক যোগান ইত্যাদিঃ** হয়, অধ্যক্ষ মহোদয়, এই সমস্যাটো অকল বৰপেটা জিলাত নহয় গোটেই ৰাজ্যখনৰে সমস্যা। ২০১৬ চনত যেতিয়া আইনখন ইয়াত ৰূপায়ন কৰা হয় তেতিয়া যিটো ক্ৰাইটেৰিয়াত কাৰ্ডটো দিব লাগিছিল আছলতে সেইটো দিয়া নহ'ল। বিগত চৰকাৰৰ দিনত সেইটো হৈছিলে। আমাৰ ক্ৰাইটেৰীয়া মতে যিসমূহ পৰিয়ালৰ ১ লাখ টকাৰ তলত ইনকাম হয় সেই পৰিয়ালহে সেই কাৰ্ডটো পাব লাগিছিল। কিন্তু দেখা গ'ল বহু ধনী মানুহৰ হাতত এই কাৰ্ডটো আছে। মই দায়িত্ব লোৱাৰ পিচত বিভিন্ন মাধ্যমেৰে, সংবাদ মাধ্যমৰ যোগেদি মই এপিল কৰিছিলো খাদ্য সুৰক্ষা আইনৰ অন্ন সুৰক্ষাৰ কাৰ্ড যদি তেওলোকে পাইছে যদি আৰু ক্ৰাইটেৰীয়াৰ ভিতৰত নপৰে তেওলোকে কাৰ্ডটো ৰিটাৰ্ন কৰিব লাগে। এই পবিত্ৰ বিধান সভাতো মাননীয় বিধায়কসকলক এপিল কৰিছিলো তেওলোকক সহায় সহযোগ কৰাৰ কাৰণে। এতিয়া বহু কাৰ্ড ধনী মানুহৰ হাতত আছে। তেওলোকৰ পৰা ঘুৰাই অনাৰ বাবে আমি চেষ্টা কৰিছো। আমাৰ এইটো প্ৰচেচ চলি থাকিব। গতিকে পুনৰ মই আজি সদনত মাননীয় বিধায়কসকলক অনুৰোধ জনাম যে তেখেতসকলে নিজৰ সমষ্টিত সভা সমিতিত এই কথাটো ৰাইজক ক'ব। যাতে আমি দুখীয়া মানুহক সেই কাৰ্ডটো দিব পাৰো

**মাননীয় অধ্যক্ষঃ** আবুল কালাম ৰছিদ আলম.....।

**শ্ৰীআবুল কালাম ৰছিদ আলমঃ** অধ্যক্ষ মহোদয়, ইয়াত আটা এলোটমেন্ট দিয়াৰ কথা কোৱা হৈছে কিন্তু আটাতো এলটমেন্ট নিদিয়ে মিলবিলাকত, ঘেহুঁহে দিয়ে। কিন্তু কম পৰিমাণৰ হোৱা কাৰণে মিলবিলাকে ঘেহুটো এলটমেন্ট দিয়াৰ পিচত ধৰক যদি, কোনোবা মিলত ৫০ কুইন্টললৈকে ঘেহুঁ দিছে । সেই ঘেহুখিনি, ১০খন সমবায় সমিতি যদি থাকে, তাৰ অন্তৰ্গত তেন্তে ৫ কুইন্টলকৈ ভাগত পৰে। যাৰ কাৰণে সেই আটাখিনি সেই সমবায় সমিতিয়ে লোৱা নাই। মই জনামতে এক -ডেৰ বছৰৰ পৰা সেই ঘেহুবিলাক মিলতে পচি আছে। আধা পোকে খাই শেষ কৰিছে। সেই ঘেহু খিনিৰ অৱস্থা কি হ'ব। এলটমেন্টৰ যিটো কথা কোৱা হৈছে সেইটো গ্ৰাহকৰ ওচৰলৈ গৈ পোৱা নাই। আৰু এটা প্ৰশ্ন আছে এই বিতৰণ ব্যৱস্থাৰ যিটো কথা কোৱা হৈছে যে আমি কেনেকৈ বস্তুখিনি গাঁৱক দিও। ইয়াতে সমবায় সমিতিয়ৰ জৰিয়তে দিয়া হয়। কিন্তু মোৰ সমষ্টি গোৱালপাৰা জিলাত

সমবায় সমিতিয়ে অলপ corruption বা enquiry কৰা কাৰণে কিছুমানে সেই বিলাকক বন্ধ কৰি tag কৰি দিয়া হৈছে town ৰ wholesale বিলাকৰ লগত। মই মন্ত্ৰী মহোদয় over telephone তো কৈছিলো যে tag কৰক, কিন্তু town ত নিদিব কাৰণ agent তে ৫০ কিলোমিটাৰ, ৩৫ কিলোমিটাৰ দূৰৰ town ৰ wholesale ৰ পৰা মাল উঠাব লগা হয়। ওচৰৰ যিখন সমবায় সমিতি আছে তাতে দিলে সুবিধা হয়। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এইক্ষেত্ৰত কিবা ব্যৱস্থা কৰিব নেকি ?

**মাননীয় অধ্যক্ষঃ** Minister Please.

**শ্ৰী ৰিহণ দৈমাৰী, খাদ্য বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, wheat ৰ কথাটো বাৰে বাৰে কৈছো যে যিহেতুকে quantity বহুত কম। আমাৰ সাধৰণ গ্ৰাহকে এইটো lifting নকৰে। এইটো আমাৰ কাৰণে এটা ডাঙৰ সমস্যা হৈছে। আনকি Flour Mill বিলাকো milling কৰিবৰ কাৰণে ইচ্ছা নকৰে। তথাপি আমি এইটো চেষ্টা কৰিছো আৰু কিছুমান জিলাত যিহেতু lifting নকৰে, তেওঁলোকে আমাৰ লিখিত ভাৱে জনাইছে যে আমাক wheat নালাগে। গতিকে সেইটো cancel কৰি, আটা খোৱা যিটো ফালে বেছি মানুহ আছে, সেই ফালে দিয়াৰ ব্যৱস্থা কৰিছো। এতিয়া বিতৰণ কৰাৰ ক্ষেত্ৰত মই ইতিমধ্যে কৈছো যে তেনেকুৱা কিবা specific case থাকে আপোনালোক Vigilence and Monitoring Committee ত এইটো আলোচনা কৰক আৰু সিদ্ধান্ত লওঁক। কোনোবা যদি সমবায়ৰ agent তে বে -আইনীভাৱে আমাৰ যিটো subsidized চাউল বা নিমখ তেওঁলোকে যদি open market ত বিক্ৰী কৰে, তেনেকুৱাকৈ যদি ধৰা পৰে তাৰ কাৰণে আইনগতভাৱে সেই ব্যৱস্থা লোৱা আছে আৰু সেই সমবায়ৰ agent ক cancel কৰি ওচৰৰ সমবায় agent ক tag কৰি দিয়া হয়। এই ক্ষেত্ৰত আমাৰ উপায়ুক্ত সকলক নিৰ্দেশ দিয়া আছে, যত সুবিধা হয় তেওঁলোকক দিয়াৰ কাৰণে কোৱা হৈছে।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী সঞ্জয় কিষাণ।

**শ্ৰী সঞ্জয় কিষাণ, তিনিচুকীয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চাহ বাগিচাতো ইমান দুখীয়া মানুহ আছে তথাপিও তেওঁলোক ৰেচন পাবলৈ সক্ষম নহয়। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম আপোনাৰ জৰিয়তে, তাত যাতে survey এটা কৰি হ'লেও, যিবিলাক আচলতে ৰেচন পোৱাৰ যোগ্য ব্যক্তি তেখেতসকলক আতি শীঘ্ৰ ৰেচন কাৰ্ডৰ ব্যৱস্থাটো কৰিব নেকি ?

**শ্ৰী ৰিহণ দৈমাৰী, খাদ্য বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, অকল চাহ বাগিচা বুলিয়ে নহয়, সমগ্ৰ ৰাজ্যখনত গাওঁ অঞ্চলৰ বহুত দুখীয়া মানুহ ৰেচন কাৰ্ডৰ পৰা বাদ পৰি গৈছে, দিব পৰা নাই। কিন্তু আমাক কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ প্ৰায় ২ কোটি ৫১ লক্ষ্য মানুহৰ কাৰণে সেই চাউলটো দিয়া হৈছে। গতিকে তাতোকৈ আমি বঢ়াব নোৱাৰো। সেই কাৰণে আমাৰ সন্মানীয় বিধায়কসকলে নিজৰ নিজৰ সমষ্ঠিত বা জিলাত যদি এনেকুৱা ধৰণৰ সমস্যা আছে, মই ইতিমধ্যে কৈছো যে ৰেচন কাৰ্ড বিলাক বহুত ধনী মানুহৰ হাতত আছে। সেই কাৰ্ডটো ঘুৰাই আনি দুখীয়া মানুহক দিয়াৰ ব্যৱস্থাত আমাৰ যিটো অবিৰত প্ৰক্ৰিয়া চলি আছে, সেই প্ৰক্ৰিয়াটোত বিধায়ক সকলক সহায় সহযোগ কৰিবৰ কাৰণে মই আহ্বান জনাইছো।

**মাননীয় অধ্যক্ষঃ** এতিয়া শেষত মাননীয় সদস্য শ্ৰী চাহাবউদ্দিন আহমেদ।

**শ্ৰী চাহাব উদ্দিন আহমেদ, জলেশ্বৰঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো আপোনাৰ জৰিয়তে যে আমাৰ GPS ৰ জৰিয়তে যিখিনি চাউল বা আটা দিয়া হয়, মোৰ সমষ্টি জলেশ্বৰৰ গোৱালপাৰা জিলাত আটা পোৱা নাই। চাউল যিখিনি ইয়াত দিয়া হয় ৩৫

কেজি, তাৰে shortage আৰু transportation cost এই বিলাক দেখুৱা তেওঁলোকে আধা কিলোকৈ চাউল কাটি আছে। উপায়ুক্তক কেইবাৰো complain কৰিছিলো, কিন্তু একো ফল পোৱা নাই। চৰকাৰে গোটেইখিনি transportation cost bear কৰে বুলি কৈ আছে আৰু shortage নিদিও বুলি কৈ আছে। কিন্তু তেওঁলোকে কেনেকৈ shortage বা transportation cost হয় বুলি কয় আৰু যিটো নিমখৰ কথা, এইটো প্ৰত্যেকৰে প্ৰয়োজন। মন্ত্ৰী মহোদয়ে কৈছে যে তেওঁলোকে যিখিনি নিমখ যোগান ধৰে এই বিলাকৰ বজাৰতকৈ মুল্য বেছি। মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ ৰাইজে যদি বজাৰৰ মুল্যত বস্তু কিনি খাব পাৰে, তেতিয়াহলে সমবায় মূল্যত কিয় কিনিব নোৱাৰো।

**শ্ৰী ৰিহণ দৈমাৰী, খাদ্য বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো যে যিহেতু আমাৰ নিমখৰ দাম বজাৰৰ মূল্যতকৈ বেছি, সেইকাৰণে সমবায় agent বিলাকেও আমাৰ firm ৰ পৰা lift নকৰে। সেইটো আমাৰ ডাঙৰ সমস্যা যে বিক্ৰী নহয়। গতিকে বিক্ৰী নহলে কিয় লব।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া এইটোৰ মুল্য কমাব নোৱাৰি নেকি।

**শ্ৰী ৰিহণ দৈমাৰী, খাদ্য বিভাগৰ মন্ত্ৰীঃ** নোৱাৰি।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, এইটো কথা ময়ো অলপ চাম, আজি আৰু নালাগে, ময়ো এই কথাটো মন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিম।

ইয়াৰ পিছৰ প্ৰশ্ন নং **১৮৫**, শ্ৰী ৰূপজ্যোতি কূৰ্মী।

**শ্ৰী ৰিহণ দৈমাৰী, খাদ্য বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়া দিয়া হৈছে।

**শ্ৰী ৰূপজ্যোতি কূৰ্মী, মৰিয়ণিঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীৰ পৰা মোৰ প্ৰশ্নটোৰ উত্তৰ পাইছো। উত্তৰটো পাই আংশিকভাৱে সন্তুষ্ট হৈছে। কিয়নো **২০১৩ -১৪** বৰ্ষৰ বিষয়যুক্ত কমিটি মৰিয়ণি সমষ্টিলৈ গৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অসম নাগালেণ্ডৰ সীমামুৰীয়া মৰিয়ণি সমষ্টিত জনস্বাস্থ্য বিভাগে এটা দুটাকৈ যেতিয়া পানী যোগান আঁচনিৰ তলা মাৰি দিলে, কাৰণটো দৰ্শাইছিল যে arsenic ওলাইছে পানীত। আমি তেতিয়া সেই সময়ৰ মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈ সাক্ষ্যাৎ কৰি বিশেষ এটা কমিটি তালৈ পঠিওৱা হ'ল আৰু এই পানী যোগান আঁচনিটোত প্ৰায় **৪০** কোটি টকাৰ ওচৰা ওচৰি পাইছিলো। **২০১৪** চনত আৰম্ভ হ'ল। **২০১৬** চনত আমাৰ চৰকাৰ থকা লৈকে কাম হ'ল। **২০১৭** চনলৈকে কাম যেতিয়া আগ নবঢ়া হ'ল, তেতিয়া ঠিকাদৰক সোধা হ'ল যে কাম কিয় হোৱা নাই, কলে টকা পোৱা নাই। যেতিয়া জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াক লগ কৰা হ'ল, তেওঁলোকে কলে চৰকাৰৰ টকা নাই। যেতিয়া ৰাজ্য চৰকাৰৰ মুৰব্বীৰ লগত কথা পতা হ'ল কলে যে সেই সময়ত সঁচাকৈ পুঁজিৰ অভাৱ। পিছলৈকে প্ৰায় আমি অনশণ কৰিবলৈকে এটা পৰিৱেশৰ সৃষ্টি হ'ল। মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে সেই অনশনৰ সন্মান জনাই **৩** কোটিৰ অলপ বেছি টকা এৰি দিলে, আমি নাই দিয়া বুলি নকওঁ। গতিকে মোৰ প্ৰশ্নটো হ'ল **২০১৯** চনত হ'ব বুলি এইটো এটা দীঘলীয়া সময় লোৱা লৈছে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অলপ খৰতকীয়াকৈ কৰি সোনকালে সমাপন কৰাৰ ব্যৱস্থা কৰিব নেকি?

**শ্ৰী ৰিহণ দৈমাৰী, খাদ্য বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিৰ সম্পৰ্কে আমাৰ বিধায়ক ডাঙৰীয়াৰ লগত মই আলোচনা কৰিছো আৰু এই আঁচনিটো সম্পূৰ্ণ নোহোৱাৰ কাৰণে অনশণ কৰা হৈছিলে। সেইমতে তেখেতৰ লগত আলোচনা কৰিছো আৰু গোটেইখিনি আমি বিভাগীয়

ভাৱে গুৰুত্বসহকাৰে লৈছো। ইতিমধ্যে এই আঁচনিটো সোনকালে নিৰ্মাণ কৰিবৰ কাৰণে কিছু পুঁজি মুকলি কৰি দিছো আৰু যিজন ঠিকাদাৰে কামটো কৰিছে. তেখেতৰ লগতো আলোচনা কৰিছো আৰু তেখেতক অনুৰোধ কৰিছো যে কামটো সোনকালে কৰিবৰ কাৰণে। গতিকে তেখেতে আমাক কথা দিছে যে অহা মাৰ্চৰ ভিতৰত কামটো কৰিম বুলি কৈছে। আমি চেষ্টা কৰিছো, যিখিনি সময়সীমা ইয়াত লৈছো সেইখিনিৰ ভিতৰত সম্পূৰ্ণ কৰিবৰ কাৰণে ব্যৱস্থা লম।

**শ্ৰী ৰূপজ্যোতি কূৰ্মী, মৰিয়ণিঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যেনেকৈ জানো যে লৰা-ছোৱালী পঢ়ি থাকিলে সেইসময়ত বাপেক-মাকে দেখা দিলে লৰা-ছোৱালীবিলাকে সাৱধনতা অৱলম্বন কৰে। ঠিক সেই দৰে মই মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনাম এবাৰ সেই কামটো চাবলৈ যাব নেকি ?

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, মই এইটো সুধিছো।

**শ্ৰী ৰিহণ দৈমাৰী, খাদ্য বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যাম বুলি ইতিমধ্যে সিদ্ধান্ত লৈছে। বিধান সভা শেষ হোৱাৰ পিছতে যোৱাৰ ব্যৱস্থা কৰিম। এই আঁচনিটো আচলতে আমাৰ পূৰ্বৰ চৰকাৰৰ পৰা আৰম্ভ হৈছিলে। পূৰ্বৰ চৰকাৰে তেওঁক কোনো payment দিব পৰা নাছিলে। এতিয়া মই দায়িত্ব লোৱাৰ পিছত ৩ কোটি টকাতকৈ বেছি টকা মুকলি কৰিবৰ কাৰণে সক্ষম হৈছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, এই question টো specific মৰিয়নী সমষ্টিৰ। মোক দুয়োজনে হাত দাঙিছিলে, শ্ৰী প্ৰশান্ত ফুকন আৰু শ্ৰীমতী ৰ'জলীনা তিৰ্কী। But it should releated to this. মই তথাপি ৰ'জলীনা তিৰ্কী প্ৰথমে allow কৰিছো। কিন্তু সাধাৰণতে এই allow কৰাতো উচিত নহয়।

**কাৰ্য্যসূচী নং - ১ প্ৰশ্নকাল**

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয়া সদস্যা শ্ৰীমতী ৰোজলীনা তিৰ্কী।

**শ্ৰীমতী ৰোজলীনা তিৰ্কী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিধৰণে মৰিয়ণীত গ্ৰেটাৰ চেলেং ৱাটাৰ চাপ্লাই স্কীম আছে। ঠিক তেনেদৰে সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত মৰিয়নী ব্লকত গ্ৰেটাৰ ৰংবং নামেৰে সেই একেই আঁচনি ধৰা হৈছে বৰ্তমান সেই আঁচনিটোৰ কাম চলি আছে বুলি জনাইছে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে সেই আঁচনিটোৰ কাম কেতিয়া সম্পূৰ্ণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। যিহেতু মূল প্ৰশ্নটোৰ লগত বিষয়টো জড়িত নহয়, সেয়ে মন্ত্ৰীয়ে হাতত তথ্য থাকিলেহে উত্তৰ দিব। এতিয়া মাননীয় সদস্য শ্ৰীপ্ৰশান্ত ফুকন।

**শ্ৰীপ্ৰশান্ত ফুকন ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৰহাট জিলাৰ মৰিয়ণী অঞ্চলৰ পানীৰ কি দূৰ্গতি সেইটো আপুনিও ভালদৰে জানে আৰু মইও জানো। এই বিষয়টোৰ লগতে মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে, এইবাৰ বাজেটত সমগ্ৰ অসমত ৱাটাৰ এ.টি.এমৰ ব্যৱস্থা কৰিব নেকি ? ৱাটাৰ এ.টি.এম হ'লে আমি কাৰ্ড চুইপ কৰি পঞ্চাশ পইচা বা কিবা এটা দৰত পানী কিনিব পাৰিম । এইবাৰ বাজেটত সমগ্ৰ অসমৰ বাবে এনেকুৱা এটা প্ৰ'ভিজন কৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীৰিহণ দৈমাৰী (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, সন্মানীয়া সদস্যা শ্ৰীমতীতিৰ্কী ডাঙৰীয়ানীয়ে যিটো আঁচনিৰ কথা কৈছে সেই আঁচনি সম্পৰ্কত বৰ্তমান মোৰ হাতত তথ্যখিনি নাই পৰৱৰ্তী পৰ্য্যায়ত মই তেখেতক কথাখিনি জনাই দিম। দ্বিতীয়তে শ্ৰীপ্ৰশান্ত ফুকন ডাঙৰীয়াই যিটো কথা কৈছে সেইটো সম্পৰ্কত সদনক অৱগত কৰিব বিচাৰিছো যে, এই বছৰ সমগ্ৰ ৰাজ্যখনত ৱাটাৰ এ.টি.এম

দিয়াৰ বাবে পাঁচটা পাইলট প্ৰ'জেক্ট লৈছো। আমাৰ এটা ভয় আছে যে ৰাজ্যখনত ৰাটাৰ এ.টি.এম দিলে ৰাইজে এ.টি.এমৰ জৰিয়তে পানী সংগ্ৰহ কৰিবনে নাই। আমি ৰাইজক অনুৰোধ কৰি আছো যে হাউচ কানেকচন লোৱা বাবে আৰু এই কানেকচন ল'লে আঁচনি চলিবৰ বাবে প্ৰতিমাহে কিছু টকা ৰাইজে দিব লাগে। গতিকে ৰাটাৰ এ.টি.এম দিয়াৰ পিছত ৰাইজে পইচা দি পানীটো খাবনে নাই এই বিলাক প্ৰশ্ন আছে। যি সমূহ ঠাইত পানীৰ সমস্যা আছে তাত আঁচনিটো সফল হ'ব কিন্তু যি ঠাইত পানীৰ সমস্যা নাই সফল হ'বনে নাই এই বিষয় বিলাক চাই আমি পাঁচটা পাইলট প্ৰজেক্ট হিচাপে লৈ চাব বিচাৰিছো। যদি এইটো সফল হয় তেতিয়া হ'লে পৰৱৰ্তী পৰ্য্যায়ত আৰু আঁচনি লোৱাৰ ব্যৱস্থা কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৮৬, শ্ৰীচুম ৰংহাং। মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মেজত দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰীচুম ৰংহাং।

**শ্ৰীচুম ৰংহাং ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো পাইছো। ২০১৬ চনত আমাৰ চৰকাৰৰ প্ৰথম বাজেট ভাষণত এই আঁচনিটোৰ কথা কোৱা হৈছিল "প্লেনটৰিয়াম এট ডিফু"। কিন্তু আজি প্ৰায় ডেৰ বছৰ হৈ যোৱাৰ পিছতো কাম আৰম্ভ হোৱা নাই। উত্তৰত কেৱা হৈছে আঁচনিৰ কাম সম্পূৰ্ণ ডি.পি.আৰ প্ৰস্তুত হোৱাৰ পিছত কাম আৰম্ভ কৰা হ'ব। দেৰ বছৰ ইতিমধ্যে হৈ গ'ল আৰু এতিয়াহে নিবিদাৰ কাম হ'ব বুলি উত্তৰত দিছে। এই কামৰ নিবিদাৰ বাবে পি.ডব্লিউ.ডি বিল্ডীংক দিয়া দিয়া হৈছে। মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এইখিনি কাম কৰিবলৈ যাওঁতে যদি ইমান সময়ৰ প্ৰয়োজন হয়, তেতিয়া হ'লে আঁচনিটো সম্পূৰ্ণ কৰিবলৈ কিমান সময় লাগিব আৰু আঁচনিটোৰ বাবে কিমান ধন ধাৰ্য্য কৰা হৈছে?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মই মাননীয় সদস্যজনক ধন্যবাদ জনাইছো তেখেতে এই প্ৰশ্নটি কৰাৰ বাবে। কাৰণ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ উত্তৰ দিবলৈ নাপাও। মাননীয় সদস্য গৰাকীয়ে ঠিকেই কৈছে যে আমাৰ চৰকাৰখনৰ প্ৰথম বাজেট ভাষণত এই আঁচনিটো অন্তৰ্ভূক্ত আছিল আৰু এই প্লেনটৰিয়ামৰ কাম এতিয়াও আৰম্ভ হোৱা নাই। এতিয়া প্ৰায় দুবছৰ হ'বলৈ হ'ল, বিষয়টো সম্পৰ্কত সদনক অৱগত কৰিব বিচাৰিছো যে, আমি এই আঁচনিৰ বাবে প্ৰথমে উপায়ুক্তসকলৰ পৰা মাটি বিচাৰিছিলো আৰু মাননীয় সদস্যজনক মই ব্যক্তিগত ভাৱে কোৱাৰ পিছত তেখেতে লাগি-ভাগি ব্যৱস্থা গ্ৰহণ কৰিছিল। ডিফুৰ আঁচনিটোৰ বাবে মাটি অন্য ঠাইৰ তুলনাত সোনকালেই আহিছিল। কিন্ত আমি বাট চালো যে ছখন জিলাৰ পৰা মাটি আবন্টন পোৱাৰ পিছত আমি নিবিদা আহ্বান কৰিম। এই ছয়টা আছিল ডিফু, আমিনগাওঁ, বঙাইগাওঁ, শিলচৰ, মাজুলি আৰু কলিয়াব ইয়াৰ উপৰিও আমাৰ তিনিটা প্লেনটৰিয়াম আধৰুৱা অৱস্থাত আছে সেই তিনিটা হ'ল নলবাৰী, লখিমপুৰ আৰু কোকৰাঝাৰ। পূৰ্বৰ দুটা আছে গুৱাহাটী আৰু যোৰহাট। সৰ্বমূঠ এঘাৰটা। শিলচৰত মাটি এতিয়াও চেটেল হোৱা নাই বাবে আমি পাঁচটাৰ বাবে নিবিদা আহ্বান কৰিলো কাৰণ ছটাৰ বাবে ৰখি থাকিলে নিবিদা আহ্বান কৰিব নোৱাৰিলো হেতেন আৰু এই বিত্তীয় বৰ্ষটোও গুচি গ'ল হেতেন। ডিফুৰ আঁচনিটোৰ বাবে যোৱা ১২ তাৰিখে নিবিদা হৈ গৈছে আৰু ২৮ তাৰিখে নিবিদা খুলিব। মাননীয় সদস্য গৰাকীয়ে সুধিছিলে যে আঁচনিটোৰ অৱন্টিত ধনৰ পৰিমাণ কিমান। সেই সম্পৰ্কত মই জনাব বিচাৰিছো যে আঁচনিটোৰ বাবে ধাৰ্য্য কৰা ধনৰ পৰিমান হৈছে ১১ কোটি ৫৭ লাখ ২২ হাজাৰ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰীচুম ৰংহাং।

**শ্ৰীচোম ৰংহাং ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু গড়কাপ্তানী (গৃহ) বিভাগত ডি.পি.আৰ বনাবলৈ যাওতে আৰু এইখিনি কাম প্ৰ'চেছ হ'বলৈ যাওতেই ইমান সময় লাগিল। মই মন্ত্ৰীক আপোনাৰ যোগেদি অনুৰোধ জনাব বিচাৰিছো যে আঁচনিৰ কামটো সোনকালে সম্পূৰ্ণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিটোৰ কামটো সম্পূৰ্ণ কৰিবলৈ ২৪ মাহ সময় ধাৰ্য্য কৰা হৈছে আৰু এই নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত কাম সম্পূৰ্ণ কৰিব লাগিব। বৰ্তমান গড়কাপ্তানী (গৃহ) বিভাগৰ কামৰ বহু বোজা পৰিছে, সেয়ে কাম আদায় কৰোতে সময় লাগে। আমাৰ নিজৰ কাৰিকৰী ব্যৱস্থা নাই সেইবাবে এইখিনি সময় পলম হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰীগুৰুজ্যোতি দাস।

**শ্ৰীগুৰুজ্যোতি দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰীক অনুৰোধ কৰিব বিচাৰিছো যে বৰ্তমানৰ তালিকাত নথাকিলেও পৰৱৰ্তী সময়ত মঙ্গলদৈত এটা তৰাঁঘৰ নিৰ্মাণৰ আঁচনি লয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰীৰিতুপৰ্ণ বৰুৱা ..

**শ্ৰীঋতুপৰ্ণ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰীক ডিব্ৰুগড়ত এটা তৰাঁঘৰ নিৰ্মাণৰ আঁচনি লোৱাৰ বাবে অনুৰোধ কৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰীউৎপল দত্ত।

**শ্ৰীউৎপল দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, লখিমপুৰ তৰাগৃহটো ডেৰবছৰ আগতে সম্পূৰ্ণ হ'ল। প্ৰথম বাজেটত ধৰা হৈছিল। মোৰ প্ৰশ্নটো হ'ল এই তৰাগৃহটি কেতিয়া ৰাইজৰ বাবে মুকলি কৰিব ?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, লখিমপুৰ, কোকৰাঝাৰ আৰু নলবাৰীৰ তৰাঘৰত পূৰ্বতে যি টেকন'লোজিৰ ব্যৱস্থা আছিল সেইটোকৈ অলপ অত্যাধুনিক টেকন'লোজিৰ ব্যৱস্থা কৰিবলৈ চেষ্টা কৰিছো তাৰ বাবে দেৰি হৈছে। এই অত্যাধূনিক কৰাৰ বাবে বাজেটত আৰু অধীক ১.৫ কোটি টকা ধাৰ্য্য কৰিছো। যাতে কামটো ভাল ধৰণে হওক। এইটো অতি সোনকালে হ'ব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়, শিলচৰৰটো সোনকালে আৰম্ভ কৰিব লাগে।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী) ঃ** মাটি সিদ্ধান্ত হোৱা নাই, সিদ্ধান্ত হ'লে নিবিদা আহ্বান কৰিম।

**শ্ৰীহাফিজ বচিৰ আহমেদ ঃ** ছাৰ, ধুবুৰীটো এটা তৰাঘৰ হ'ব লাগে।

**শ্ৰীআব্দুল খালেক ঃ** অধ্যক্ষ মহোদয়, বৰপেটাতো হ'ব লাগে।

(প্ৰশ্নকাল সমাপ্তিৰ সংকেত ধ্বনি বাজে)

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্নকালৰ সময় সমাপ্ত হ'ল। সকলোৰে তৰাঘৰ বিচাৰিছে। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই বহু আগুৱাই গৈছে। গতিকে ভালদৰে আলোচনা হোৱাৰ প্ৰয়োজনা আছে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ওপৰত আপোনালোকে নিয়ম ৩০১ ত জাননী দিব পাৰে, আমি আলোচনা কৰিম। এতিয়া শূণ্যকালিন ঘন্টা।

**শ্ৰী আব্দুল খালেক ( মাননীয় বিধায়ক, জনিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এটা প্ৰস্তাৱ আনিছিলো।

**মাননীয় অধ্যক্ষ ঃ** ৰুল আপোনালোকে ৬২ চাওঁক। If the Speaker if he gives consent Under Rule 56 and holds the matter proposed to be discussed

in order, shall after the question hour and before the list of business is entered upon, called the member concern who shall raise in his place and ask for leave to above the adjourned motion.

**শ্ৰী আব্দুল খালেক ( মাননীয় বিধায়ক, জনিয়া)** ঃ মানীয় অধ্যক্ষ মহোদয়, অৱশ্যে আপুনি consent দিব লাগিব এই কথাটো থিক।

**মাননীয় অধ্যক্ষ** ঃ আপুনি ৰুল পঢ়ি চাওঁক। মই consent দিলেহে উঠাব পাৰিব। adjournment motion মই ও বিৰোধীত থাকোতে উঠাবলৈ যত্ন কৰিছিলো নহয় আমিও। এটা Rule and regulation ৰ মাজত হয় । মই আপোনালোকক consent দিম নে নিদিম মই সেই সময়ত consent দিলে উঠাব। আপোনালোকে যেতিয়াই তেতিয়াই উত্থাপন কৰিব নোৱাৰে নহয়, সেইটো Procedure ।

**শ্ৰী আব্দুল খালেক ( মাননীয় বিধায়ক, জনিয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সেইটো Procedure হয় ছাৰ, আপুনি আমাক কব লাগে দিওঁ বা নিদিও।

**মাননীয় অধ্যক্ষ** ঃ মই কেতিয়া কম মই জানো নহয়, লেখা আছে নহয়।

**শ্ৰী আব্দুল খালেক ( মাননীয় বিধায়ক, জনিয়া )** ঃ মাননীয় অধ্যক্ষ মহোদয়, লেখা আছে, চাৰ, ৰুলখন মতে Ofcourse আপুনি consent দিব লাগিব ছাৰ।

**মাননীয় অধ্যক্ষ** ঃ মই আপোনালোকক বাৰে বাৰে কৈছো, আপোনালোকে Mislead বা worongly interpret কৰিবলৈ চেষ্টা নকৰিব। মই আপোনাক কৈ আছো কথাটো।

**শ্ৰী আব্দুল খালেক ( মাননীয় বিধায়ক, জনিয়া )** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ Permission লাগিব ছাৰ As you are the custodian of the House, সেই কাৰণে আমি ছাৰ বিচাৰিছো, এই matter ৰ টো যিহেতু Urgent এইটোৰ যিহেতু Public importance আছে আৰু এইটো যিহেতু Recent occurance।

**মাননীয় অধ্যক্ষ** ঃ আপোনালোকে কথাটো এনেকুৱাকৈ কৈছে, যে You can not waste your time, I ask Mr. Debabrata Saikia, Leader of the Opposition to say something. This is not the way as you are asking question. যি টাইম আছে সেই টাইমত মই আপোনালোকক কবলৈ দিম। তাৰ বাবে কিয় চিঞৰ বাখৰ কৰিছে। This is the Rule আপুনি আগৰ Proceeding চাব। মই কৈছো যে আপোনালোকক মই যিটো কথা কম question hour ৰ পিছতে কম। You have enough opportunities to say any thing, you whether like my thing or do not like my thing, you will have me independent। কিন্তু আপোনালোকে সেই কথাটো ভুলকৈ Interpret কৰি আছে। মই কৈছো যে আমাৰ Zero Hour টো হৈছে, Question ৰ লগত। সেই কাৰণে আপুনি যিকোনো কাৰ্য্যসূচী চাব কাৰ্য্যসূচী নম্বৰ ২টো হৈছে, আমাৰ 54। (হুলস্থূলীয়া পৰিৱেশ)

**মাননীয় অধ্যক্ষ** ঃ No, Never মই এইটো Allow নকৰো। মই নিয়ম মতে হে Allow কৰিম।

**শ্ৰী আব্দুল খালেক ( মাননীয় বিধায়ক, জনিয়া )** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো সদায় Zero Hour ৰ আগতে উত্থাপিত হৈ যায়। যেতিয়া পাটোৱাৰী ডাঙৰীয়াই বিৰোধী দলত আছিল তেখেতে ও এইটো উত্থাপন কৰিছিল।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ ছাৰ, যদি আমি আইন শৃংখলা পৰিস্থিতিৰ

বিষয়ে আলোচনা নকৰো তেতিয়া হলে ৰাষ্ট্ৰপতি শাষণ হোৱাৰ সম্ভৱনা নথকা নহয়।

**মাননীয় অধ্যক্ষ** ঃ মই আপোনালোকক আৰু এটা কথা কয় থৈ দিওঁ আপোনালোকে অলপমান বহক। Adjournment motion admisibility ৰ ওপৰত কোৱাৰ পিছত আমি Except কৰাৰ পিছত Time fixed কৰা হয়, to discuss, এতিয়া আপোনালোকে বুজি পাইছে নিশ্চয়। আৰু discuss কৰিবৰ দিনা আমি Question Hour suspend কৰিব পাৰো বা Question suspend নকৰাকৈ ও আপোনালোকক দিব পাৰো। এতিয়া কথা হৈছে। admisibility ৰ ওপৰত শুনিব লাগিব মই আপোনালোকক কব দিলেহে admisibility ৰ ওপৰত সুধিব পাৰিব। আৰু মই বাৰে বাৰে কৈছো admisibility পোৱাৰ পিছত আমি যদি দিওঁ আপোনালোকে কি বিচাৰিছে Suspending all the matters, this matter should be raised. আপোনালোকে একে দিনাই পাৰিব নেকি ? মই দিলে কাইলৈ দিব লাগিব বা পৰহিলৈ দিব লাগিব, This is the Rule. আজি আপোনালোকে Raise কৰিব পাৰিব। এইটো হে ৰুল ।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ ছাৰ, এইটো আজি দিয়া খুব জৰুৰী যিহেতু ৰাজধানীতে হৈছে, এই ঘটনাটো।

**মাননীয় অধ্যক্ষ** ঃ You can not hold the Session like this, I can not accept your views. As a Speaker because this is not legal. মই আপোনালোক এইটো এ কলো আপোনালোকে এইটো পিছত কৰিব এতিয়া Zero Hour। এতিয়া মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ।

**শ্ৰী আমিনুল ইছলাম (মাননীয় সদস্য, ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Sir Zero Hour is the next agenda and it should come after Question Hour and starting the next agenda. **মাননীয় অধ্যক্ষ** ঃ আপুনি আগৰ Proceeding চাওঁক, এতিয়া মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ন কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (মাননীয় সদস্য, পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত 'ভয়াৱহ প্ৰদূষণৰ কৱলত গুৱাহাটী মহানগৰ' এই শীৰ্ষক বাতৰিটো মই প্ৰদূষণ বিভাগৰ মাননীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো মাননীয় অধ্যক্ষ মহোদয়, আজি দেখা গৈছে, গুৱাহাটী মহানগৰীৰ লগতে গুৱাহাটী মহানগৰীৰ দাতি কাষৰীয়া অঞ্চলত প্ৰদূষণৰ এক ভয়াবহ প্ৰতিছবি আমি দেখিবলৈ পাইছো আৰু বিশেষভাৱে আজি গুৱাহাটী মহানগৰীৰ আশে পাশে প্ৰায় ১০০০ ত কৈ অধিক আজি উদ্যোগ স্থাপন কৰা হৈছে। এই উদ্যোগ সমূহৰ ভিতৰত প্ৰায় ইতিমধ্যে ২৭০ টা উদ্যোগৰ যি Renewel কৰিব লাগে আমাৰ প্ৰদুষণ বৰ্ডৰ পৰা এতিয়ালৈকে ২৭০টা তেনে উদ্যোগে এতিয়া তেওঁলোকে আমাৰ প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ পৰা এতিয়া লৈকে এই ৰিণুৱেলটো কৰা হোৱা নাই। যাৰ ফলত দেখা গৈছে, যে আজি গুৱাহাটী মহানগৰীৰ দাঁতি কাষৰীয়া অঞ্চলত বিশেষভাৱে মোৰ সমষ্টিত পূৱ বৰগাওঁৰ পৰা পশ্চিম বৰাগাওঁলৈ লৈকে এই বৃহৎ অঞ্চলটোত আজি কেইবাটাও উদ্যোগ স্থাপন কৰা হৈছে। কিন্তু দেখা গৈছে, যে উদ্যোগ সমূহে প্ৰদূষণ নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত যি ব্যৱস্থা গ্ৰহণ কৰিব লাগে বহু কেইটা উদ্যোগে এই যিটো প্ৰদূষণ নিয়ন্ত্ৰণ কৰাৰ যিটো ব্যৱস্থা এই ব্যৱস্থাটো তেওঁলোকে মানি চলা নাই আৰু যাৰ ফলত আজি বৰগাওঁৰ গোটেইপানী আৰু বিশেষকৈ বায়ু প্ৰদূষিত হৈছে। আজি ক'লা ধোঁৱা ওলাই গোটেই অঞ্চলটোত যি বৃক্ষৰ পাত সেই পাত ও আজি সলনি হৈ গৈছে। আৰু তাৰ লগে লগে

আজি আমাৰ সেই অঞ্চলৰ মাটি প্ৰদুষিত হৈছে, আজি তাতে বিশেষকৈ আমাৰ টায়াৰ উদ্যোগ, কোক উদ্যোগ আজি বিভিন্ন উদ্যোগ তাতে স্থাপন কৰাৰ বাবে আজি সেই বৃহৎ অঞ্চলটোত আজি প্ৰদুষণে এটা ভংয়কৰ ৰূপ ধাৰণ কৰিছে। তাৰোপৰি দেখা গৈছে, যে গুৱাহাটী মহানগৰীৰ বিশেষভাৱে আমাৰ যি বিলাক নদ-নদী আছে, বা যি বিলাক জলাশয় আছে, এই নদ-নদী আৰু জলাশয় সমূহো আজি প্ৰদুষিত হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই এটা উদাহৰণ দিব বিচাৰিছো, আমাৰ মালিগাওঁৰ যিটো কামাখ্যা ষ্টেচন আছে, সেই কামাখ্যা ষ্টেচনত আমাৰ ৰেল'ৰ এটা গুদাম আছে, সেই গুদামত বিশেষবাৰে যি বিলাক পুৰা মবিল আজি সেই পোৰা মবিল বিলাক ষ্টক কৰি আজি তাৰে কাষেৰে এটা নলাহে বৈ গৈ আজি দীপৰ বিলত পৰিছে, আৰু আপুনি যদি চাবলৈ যায় ছাৰ, তেতিয়া হলে সেই মবিলে গোটেই নদীখন প্ৰদূষিত কৰিছে, আৰু যিটো কলাপানী হৈ সেই নদীখন বৈ গৈছে। যিটো প্ৰদুষণ আজি এই কলা মবিলৰ ফলত আজি সেই নলাটোত পেলাই দিয়াৰ কাৰণে গোটেই অঞ্চল প্ৰদুষিত হবলৈ ধৰিছে। এতিয়া যদি বিশেষকৈ আমি যদি বাৰিষা চাওঁ বাৰিষাও আমি দেখিবলৈ পাম যে সেই নলাটোদি কলা পানী বৈ গৈ দীপৰ বিলত পৰিছে। ঠিক তেনেকৈ এতিয়া যদি আমি খৰাং বতৰটো চাব যাওঁ, এতিয়া গোটেই নদীখন কলা পানীৰে চামনি ধৰি উঠিছে। আজি এই অৱস্থা হৈছে। গতিকে বিশেষ ভাৱে আজি আমাৰ যি প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ড, এই বোৰ্ড খনে যি ভাৱে এই ক্ষেত্ৰত এটা কঠোৰ ব্যৱস্থা লব লাগিছিল, কিন্তু তেনেধৰণৰ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। আনকি তেওঁলোকে সেই সমূহ অঞ্চল নিৰীক্ষণ কৰাৰ ক্ষেত্ৰতো, আমি দেখিছো যিভাৱে নিৰীক্ষণ কৰিব লাগে তেনেধৰণে নিৰীক্ষণ কৰা নাই। আজি যিবিলাক উদ্দ্যোগ আছে সেই উদ্দ্যোগ সমূহক আজি জাননী জাৰি কৰিয়ে শান্ত আছে। প্ৰকৃতাৰ্থত আমাৰ যি প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ড আছে তেওঁলোকে জাননী দিয়াৰ পিছতো যদি সেইটো সেই উদ্দ্যোগটোৱে অনুসৰণ কৰা নাই, যদি মানি চলা নাই তেনেহলে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যিবিলাক উদ্দ্যোগে এতিয়ালৈকে তেওঁলোকৰ নীতি অমান্য কৰিছে, সেই উদ্দ্যোগ সমূহৰ ক্ষেত্ৰত কিমানটা কেচ ইতিমধ্যে আদালতৰ ওচৰত গোচৰ তৰিছে। এই কথাটো মই বিশেষ ভাৱে জানিব বিচাৰিছো। ঠিক তেনেকৈ আজি ইয়াতে যিটো শব্দ প্ৰদূষণ, শব্দ প্ৰদূষণৰ ক্ষেত্ৰটো আজি গোটেই গুৱাহাটী মহানগৰী খন প্ৰদূষিত হৈছে। কিন্তু আমাৰ যিটো Minimum শব্দ, আজি গুৱাহাটী মহানগৰীত বিভিন্ন যান-বাহনে যিটো শব্দ প্ৰয়োগ কৰিব লাগে, আমি দেখা পাইছো যে সেইটো তেওঁলোকে প্ৰয়োগ কৰা নাই আৰু সেই ক্ষেত্ৰত কোনো ব্যৱস্থাও গ্ৰহণ কৰা নাই। আজি বিশেষ ভাৱে, Minimum এখন গাড়ীয়ে কিভাৱে তেওঁ কিমানখিনি, কিমান Rangeলৈকে আমাৰ ইয়াতে শব্দ প্ৰয়োগ কৰিব পাৰিব, সেই ক্ষেত্ৰত যদি এটা নিৰ্দিষ্ট সীমাৰেখা ধৰি দিয়া নাযায় তেতিয়হলে আমাৰ শব্দ প্ৰদূষণেও গুৱাহাটীত এটা ভয়ংকৰ অৱস্থাৰ সৃষ্টি কৰিব। বেলেগ ৰাজ্যৰ যিবিলাক মহানগৰ আছে, আমি দেখিছো সেই ৰাজ্যসমূহতো আজি বিশেষভাৱে শব্দ প্ৰদূষণৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। আজি আমাৰ গুৱাহাটী মহানগৰীত যিটো Solid Wages ৰ যিখিনি আৱৰ্জনা, সেই আৱৰ্জনা সমূহো গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত মুকলি ভাৱে পেলাই থোৱা হৈছে, যাৰ বাবে মাটি প্ৰদূষিত হৈছে আৰু বায়ুও প্ৰদূষিত হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ, বৰ্তমান ৰাজ্য চৰকাৰৰ চাৰিটা মূল বিষয়বস্তুৰ এটা প্ৰদূষণ মুক্ত অসম। যিহেতু প্ৰদূষণ মুক্ত আমাৰ মূল কাৰ্যসূচী, তেনেহলে প্ৰদূষণ মুক্ত কৰাৰ কাৰণে গুৱাহাটী মহানগৰীত এতিয়ালৈকে কি ব্যৱস্থা গ্ৰহণ কৰিছে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে জানিব বিচাৰিছো। আজি দীপৰ বিল প্ৰদূষিত হৈছে আৰু দীপৰ বিল এই কাৰণেই প্ৰদূষিত হৈছে তাতে জৈৱ বৈচিত্ৰ আমি সংৰক্ষণ কৰিব লাগে

কিন্তু আমি সংৰক্ষণ কৰিব পাৰিছো জানো। আজি আমি দেখা পাইছো যে গুৱাহাটী মহানগৰীৰ যিমান আৱৰ্জনা আছে যিমান লেতেৰা পদাৰ্থ আছে গোটেই দীপৰ বিলত আজি পেলাই দিয়া হৈছে। আমাৰ বিভিন্ন Migratory Bird আজি দীপৰ বিলত বিচৰণ কৰি আছে। গতিকে আজি আমি দেখিছো যে দীপৰ বিল প্ৰদূষণ কৰাৰ ক্ষেত্ৰত যি ধৰণৰ ব্যৱস্থা লব লাগে তেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই আৰু তাৰ লগতে মই ইতিমধ্যে বিগত বিধান সভাৰ সময়টো কৈছো যে আজি যিটো Dumping Ground আছে, যদি Dumping Groundটো আপুনি চাবলৈ যায় মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰীৰ যিমান লেতেৰা আৱৰ্জনা বোৰ আছে আজি তাতে মুকলি ভাৱে পেলাই থোৱা আছে। আজি আনকি মৰা গৰু, মৰা কুকুৰো সেই Dumping Ground ত মুকলি ভাৱে পেলোৱা হৈছে। কিন্তু আজিলৈকে সেই Dumping Ground টো আমাৰ Green Tribunal য়ে সেইটো তাৰ পৰা স্থানান্তৰ কৰাৰ নিৰ্দেশ দিয়াৰ পিছতো আজিলৈকে তেনেধৰণৰ কোনো কাৰ্য্যব্যৱস্থা লোৱা নাই। ঠিক আছে Dumping Ground আছে, কিন্তু Dumping Groundটো Scientific Methodত লবৰ কাৰণে আমাৰ বৰ্তমানৰ চৰকাৰ খনে কিয় ব্যৱস্থা গ্ৰহণ কৰিব পৰা নাই ? আজি আমি দেখিছো বাহিৰৰ ৰাজ্যৰ বহু চহৰত, মহানগৰত তেনেধৰণৰ Dumping Ground যদিও আছে সুন্দৰ ভাৱে Scientific Methodত সেই Dumping Ground বিলাক ৰখা হৈছে। ইতিমধ্যে আমাৰ বন মন্ত্ৰী ডাঙৰীয়ানী প্ৰদূষণ বিভাগৰো মন্ত্ৰী। ইতিমধ্যে এটা বৃহৎ পদক্ষেপ লৈছে বৃক্ষ ৰোপণৰ। বৃক্ষ ৰোপণে আমাৰ প্ৰদূষণটো নিয়ন্ত্ৰণ কৰাত যথেষ্ট সহায়ক হ'ব। কিন্তু কথাটো হৈছে যে বাকী যিখিনি আনুসংগিক আমাৰ সমস্যা আছে, যিখিনিৰ ফলত আজি গোটেই গুৱাহাটী মহানগৰীত প্ৰদূষণে এটা ভয়াবহতা ৰূপ ধাৰণ কৰিছে, সেই সময়ত যদি আমি কেতবোৰ বিশেষ পদক্ষেপ নলওঁ, যদি আমি বিজ্ঞান সন্মত ভাৱে কিছু ব্যৱস্থা গ্ৰহণ নকৰো তেনেহলে এটা সময়ত গুৱাহাটী মহানগৰীত থকাৰ পৰিবেশ যে নাথাকিব এই কথাটো নিশ্চিত। আজি আমি দেখিছো যে আমাৰ যিটো প্ৰদূষণ,এই প্ৰদূষণ Absorb কৰাৰ কাৰণে বহু Cityত তেনেকুৱা ধৰণৰ কিছুমান মেচিন বহোৱা হয়, কিন্তু আমাৰ গুৱাহাটী মহানগৰীত দেখা গৈছে যে এই প্ৰদূষণ Absorb কৰাৰ কাৰণে আজি কোনো ধৰণৰ কাৰ্য্যব্যৱস্থা আমাৰ চৰকাৰ খনে গ্ৰহণ কৰা নাই, বিগত চৰকাৰে এইবিলাক নকৰিলে। কিন্তু মই আশা ৰাখিছো যে যিহেতু প্ৰদূষণ মুক্ত অসম গঢ়াৰ এটা সংকল্প লৈছো সেই বাবে তেনেধৰণৰ বিজ্ঞান সন্মত কিছু ব্যৱস্থা গ্ৰহণ কৰক। তেনেধৰণৰ বিজ্ঞান সন্মত কিছু ব্যৱস্থা গ্ৰহণ কৰি যদি আমি গুৱাহাটী মহানগৰী খনক এই ভয়াবহ প্ৰদূষণৰ পৰা যদি মুক্ত কৰিব নোৱাৰো তেনেহলে কিন্তু এটা সময়ত এই গুৱাহাটী মহানগৰীত এটা ভয়াবহ ৰূপ ধাৰণ কৰিব আৰু যাৰ ফলত ইয়াত মানুহ জীয়াই থকাটো যথেষ্ট কঠিন হব। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই মাননীয় প্ৰদূষণ বিভাগৰ মন্ত্ৰীক অনুৰোধ জনাইছো যে এই সম্পৰ্কত এটা পৰিকল্পনা প্ৰস্তুত কৰক। যি পৰিকল্পনাৰ জৰিয়তে আমি আমাৰ গুৱাহাটী মহানগৰী খনক প্ৰদূষণ মুক্ত কৰি, আমাৰ গুৱাহাটীৰ যিটো পৰিৱেশ সেই পৰিৱেশটো যাতে সুস্থ অৱস্থালৈ আনিব পাৰি তাৰ বাবে মই বিশেষভাৱে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মোৰ কবলগীয়া খিনি ইমানতে সামৰনি মাৰিছো।

**শ্ৰী অতুল বৰা (দিশপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াৰ লগতে কেইটামান কথা কব পাৰো নেকি তেতিয়া মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়াত সুবিধা হব।

**মাননীয় অধ্যক্ষ ঃ** কওঁক কওঁক।

**শ্ৰী অতুল বৰা (দিশপুৰ) ঃ** তেওঁ যিখিনি কথা কৈছে আটাইবোৰ সত্যৰ ওপৰত প্ৰতিষ্ঠিত। মই কথাটো কব খুজিছো, মাজতে বন্য প্ৰাণী থকা আমচং অভয়াৰণ্যৰ উচ্ছেদ হৈছিলে, সাধাৰণ মানুহ বিলাক উচ্ছেদ হ'ল, কিন্তু যিকেইটা প্ৰদূষিত উদ্দ্যোগ সেই কেইটা উচ্ছেদ নকৰিলে। সেই কেইটা উচ্ছেদ কৰিবলৈ পিছলৈ থলে। মহামান্য হাইকোৰ্টৰ নিৰ্দেশ মৰ্মে কৰিছে কামখিনি কিন্তু Administration য়ে যিটো কাম কৰিলে প্ৰদূষিত উদ্দ্যোগ কেইটা এৰি বাকীবিলাক ভাঙি চিঙি গুচি আহিলে। এতিয়া ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই যিখিনি কথা কৈছে মই তাৰ লগতে কেইটামান কথা কবলৈ বিচাৰিছো, কামৰূপ মহানগৰীখন, এই গুৱাহাটী মহানগৰ খন Expand কৰা কথা আছে আৰু যিহেতু স্মাৰ্টচিটিৰ কথাটো বাৰে বাৰে কৈ থকা হৈছে এই স্মাৰ্টচিটি খন কেনেকৈ নিৰ্মাণ হব বা কেনেকৈ প্ৰস্তুত কৰিব যদি এই প্ৰদূষিত উদ্দ্যোগকে ধৰি যি বিলাক আমাৰ Natural প্ৰকৃতিৰ নৈ, জান-জুৰি সেই বিলাক যদি Growth হয়, Even মই যোৱা মঙ্গল বাৰে দেহাল থানত দেহাল পুজা আছিল মই গৈছিলো পাটৰ কুছিলৈ, মেঘালয়ৰ গো-পালক সকলে গোবৰ বোৰ বৰষুণৰ পানীত উটাই দিয়ে বা পানীৰে উটাই দিয়ে যাৰ কাৰণে আমাৰ সেইফালটো যথেষ্টখিনি অসুবিধা হৈছে। সেই কাৰণে মেঘালয়ৰ লগতো আলোচনা কৰিবলগীয়া আছে। গো-পালক সকলে গৰু পোহে আৰু গোৱৰ পানীৰে উটাই দিয়ে, যিহেতু অসমৰ ফালে চাপৰ সেই বাবে এনেইও আহিব, কিন্তু সেই এটা ডাঙৰ সমস্যা যিটোৰ কাৰণে আমাৰ নলা-নৰ্দ্দমা ব্লক হোৱাৰ এটা প্ৰধান কাৰণ বুলি আমি অনুমান কৰিছো। ৰাইজেও মোক সেইদিনাখন কৈছে যে চাওঁক কেনেকৈ গোৱৰ বিলাক আহি Natural এটা নলা কেনেকৈ বন্ধ কৰি ৰাখিছে। মই নিজেও চাই আহিছো। গতিকে গোটেই কথাখিনি কব বিচাৰিছো আপোনাক যে গুৱাহাটীখন যদি Smart City বুলি ভবা হৈছে তেতিয়াহলে এতিয়াৰ পৰাই গুৰুত্ব দিব লাগে আৰু মই ভাৱো সোনাপুৰৰ এলেকালৈকে যদি এইবোৰ কথা ভবা হৈছে বা ডিমৰীয়া, ক্ষেত্ৰীলৈকে ভবা হৈছে, তেনেহলে পবিতৰালৈ যোৱা, চামতাৰ পৰা যোৱা Main ৰাস্তাটোত থকা Star Cement পৰা উদ্যোগ কৰিবলৈ মই উদ্যোগ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো। সেই Star Cement ৰ বিৰুদ্ধে ২৭ টা সংগঠনে আন্দোলন কৰিছিল কংগ্ৰেছৰ দিনত। তাৰ পিছত তেওঁলোকে বাদ দিলে কিন্তু মই বাদ দিয়া নাই। Star Cement তাৰ পৰা উচ্ছেদে হ'ব লাগিব আৰু সেইটো গড়ৰ ৰাস্তা যিটো কাজিৰঙাৰ নহয়, পবিতৰাৰ মূল বাসিন্দা, আমচাং বনাঞ্চলৰ মূল বাসিন্দা হ'ল হাতী। তাত মেথোনো আছে, বাঘো আছে, হৰিণো আছে। মেথোন বুলি কলে সাধাৰণতে অৰুণাচলৰ বুলি ভাবে মানুহে। সেই আমচাং অভয়াৰণ্যত প্ৰদুষিত উদ্যোগ বহিছে। নৰ্থ ইষ্ট কেঞ্চাৰ ইন্সটিটিউতত মই গৈছো এটা ATM মুকলি কৰিবলৈ যাওঁতে। তেওঁলোকেও কৈছিলে মোক এই Poluted উদ্যোগটোৰ কথা। উদ্যোগটো উচ্ছেদ কৰিবলৈ গৈ মাত্ৰ তাৰ বেৰ দুখনমান গুচাই গুচি গ'ল, উচ্ছেদ নকৰিলে। ডিমৰীয়া ছাত্ৰ সংস্থায়ো সিদিনা আন্দোলন কৰিছিল। কবলৈ বহুত আছে। কিন্তু আজি সদ্যহতে এইখিনিকে মন্ত্ৰী গৰাকীয়ে উত্তৰ দিয়া ভাল হয়।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য,পূৰ গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি গুৱাহাটী নগৰখনৰ প্ৰশাসক বিস্তাৰৰ সৈতে আমি দেখিছো যে, এই পৰিবেশ কিন্তু বাৰম্বাৰ নষ্ট কৰা হৈছে। ৬০ দশকত যেতিয়া গুৱাহাটী ৰিফাইনেৰীয়ে তেওঁলোকৰ যিবোৰ প্ৰডাক্টচ্ আছিল সেইবোৰ ভৰলু নৈত এৰি দিছিল ঠিক তেনেকেই এতিয়া গুৱাহাটীৰ সকলো নলা -নৰ্দমাৰে যিবোৰ Untreated Sewage সেই Sewage কিন্তু গুৱাহাটীৰ মাজেৰে বৈ যোৱা ভৰলু নদীয়েই হওঁক বা বাহিনী নদীয়েই

হওঁক, বা অন্যান্য জলাশয়বোৰত সেইবোৰ এৰি দিয়া হয়। ফলত আমাৰ পৰিবেশ যথেষ্ট প্ৰদূষিত হৈছে। পৃথিবীৰ সকলো মহানগৰত আৰু ভাৰতবৰ্ষৰো অন্যান্য অঞ্চলত এটা নিয়ম আছে যে Untreated কোনো Sewage এনেকুৰা ধৰণৰ প্ৰাকৃতিক জলাশয় বা নদ -নদীত এৰি দিব নোৱাৰে। এই ক্ষেত্ৰত আমাৰ গুৱাহাটীখন কিয় ব্যতিক্ৰম হৈছে? গুৱাহাটীত পৰিবেশ বিভাগে এই ক্ষেত্ৰত কি পদক্ষেপ ল'ব মন্ত্ৰী মহোদয়ে কি মন্তব্য আগবঢ়াব জনালে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** Minister please.

**শ্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই যোৱা ২০১৭ চনৰ 'অসমীয়া প্ৰতিদিন' কাকত এখনত প্ৰকাশিত বিষয় "ভয়াবহ প্ৰদুষণৰ কবলত মহানগৰ" এই বিষয়টো আমাৰ পবিত্ৰ সদনত উত্থাপন কৰাটো আমাৰ চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো যথেষ্ট গুৰুত্বপূৰ্ণ। তাৰ কাৰণে মই মাননীয় সদস্যক ধন্যবাদ জ্ঞাপন কৰিছো আৰু মাননীয় অধ্যক্ষ মহোদয়, আপুনি আজি দেখিছে গুৱাহাটী মহানগৰীৰ একেবাৰে দুষিত বায়ু আমি সেৱন কৰিব লগাত পৰিছো। তাৰ কাৰণে আমি বন বিভাগৰ জৰিয়তে গুৱাহাটী মহানগৰ খনক প্ৰদুষণ মুক্ত কৰিবলৈ চিন্ত-চৰ্চা কৰিছিলো আৰু গুৱাহাটীখনক "গ্ৰীন গুৱাহাটী" হিচাপে গঢ়ি তুলিবলৈ এটা প্ৰজেক্ট হাতত লৈছিলো। এই "গ্ৰীন গুৱাহাটী" প্ৰজেক্টটো কাৰ্য্যকৰী কৰিবলৈ GMDA ৰ লগতো আলোচনা কৰিছিলো যে গুৱাহাটী চহৰখনত আমি Plantation (বৃক্ষ ৰোপন) কৰিম কিন্তু আমি ক'ত ক'ত বৃক্ষ ৰোপন কৰিব পাৰিম তাৰ কাৰণে আপোনালোকে আমাক ঠাই দেখুৱাই দিব লাগে আৰু authorise কৰিব লাগে। মই বেচিকৈ ভাবিছিলো যে, যিবোৰ নলা-নৰ্দমা আছে তাৰ কাষে-কাষে যদি বৃক্ষৰোপন কৰিব পাৰো তেতিয়াহলে গুৱাহাটীখন যথেষ্ট প্ৰদুষণমুক্ত হ'ব বুলি মই ভাৱো। ৰাস্তাৰ দাতিত থকা ঠাইবিলাকতো বৃক্ষৰোপন কৰাৰ কাৰণে মই সিদ্ধান্ত গ্ৰহণ কৰিছিলো। কিন্তু সময়মতে আমাক সেই ঠাইবোৰ আইডিন্টিফাই কৰি নিদিয়াৰ কাৰণে বা আমাক দেখুৱাই নিদিয়াৰ কাৰণে বন বিভাগৰ ফালৰ পৰা আমি যি পদক্ষেপ লৈছিলো সেইটো ইম্পলিমেন্ট কৰিব নোৱাৰিলো। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰকীয়ে যথেষ্ট কথা কৈছে, দ্বীপৰ বিলৰ কথা কৈছে যে তাৰ পানী কেনেকুৰা প্ৰদুষণ যুক্ত হৈছে, পানীৰ কেনেকুৰা গেলা গোন্ধ তাৰ কথা কৈছে। গুৱাহাটীৰ পৰা যিবোৰ নলা-নৰ্দমা ওলাই গৈছে সেই সকলোবোৰৰ পানী দ্বীপৰ বিলত পেলাই দিয়াৰ কাৰণে তাৰ পানী দুষিত হৈ পৰিছে। এই কথাটো মই চিন্তা কৰিছিলো আৰু তাৰ কাৰণে মই বৰ্ডৰ লগত আলোচনা কৰিছিলো যোৱা বছৰতে। চেয়াৰমেনৰ লগত বহি মই তেখেতক কৈছিলো যে যিবোৰ নলাৰে পানীবোৰ ওলাই যায় তাৰ কাৰণে এটা System বনাব লাগে আৰু Treatment plan ৰ ব্যৱস্থা কৰিব লাগে। গুৱাহাটীৰ পৰা ওলাই যোৱা পানী পেলাবলৈ কতো ঠাই নাই। গতিকে দ্বীপৰ বিলত পেলাবই লাগিব। সেইকাৰণে মই কৈছিলো যে তাত Treatment plan বহাব লাগে। কাৰণ আজি Technology ইমান Develop হৈছে, Develop Technology থকা সত্বেও গুৱাহাটী মহানগৰী কৰ্তৃপক্ষই বিগত সময়ছোৱাত যিটো ব্যৱস্থা লব লাগে সেইটো লোৱা নাই। বৰ্ডৰ চেয়াৰমেন আৰু সদস্য সকলৰ লগত কথা পাতোতে তেওঁলোকে GMDA ৰ লগত আলোচনা কৰিছিল আৰু জিলা উপায়ুক্তই Dumping Ground টো আৰু যিটো নলাৰে তাত পানী বৈ যায় ,সেইটো চাইছিলে। তেখেত সকলে আমাক প্ৰতিশ্ৰুতি দিছিলে যে, তাত Treatment plan বহুৱাৰ ব্যৱস্থা কৰিব। কিন্তু এতিয়ালৈকে তাত Treatment plan বহুৱা নহ'ল আৰু আজিও প্ৰদুষিত পানী দ্বীপৰ বিলত পৰিয়েই আছে। তেনেদৰে

যদি আমি গুৱাহাটীৰ দাঁতি কাষৰীয়া অঞ্চলসমূহত বৃক্ষ ৰোপন কৰিব পাৰো গুৱাহাটীখন যথেষ্ট প্ৰদুষণ মুক্ত হ'ব বুলি মই ভাৱো। কিন্তু এইবোৰ এতিয়ালৈকে হোৱা নাই। তাৰ কাৰণে আপোনালোকৰ সহায় বিচাৰিছো। গুৱাহাটী বাসী ৰাইজৰ বাবে গুৱাহাটী মহানগৰীখন State ৰ capital হয়। ইয়াত যদি বাহিৰৰ মানুহে আহি এনে ধৰণৰ প্ৰদূষণ যুক্ত গুৱাহাটী খন দেখিবলৈ পায়, তেনেহ'লে তেওঁলোকে আমাক ঘিণ কৰিব। গতিকে গুৱাহাটী চহৰ খনক আমি প্ৰদূষণ মুক্ত কৰাটো অতি বাঞ্চনীয় আৰু এই কথাটো আমি অনুভৱ কৰিছো। মই আপোনালোক সকলোৰে পৰা সহায়-সহযোগিতা বিচাৰিছো। আপোনালোকে যদি সহায় কৰে, আমি দাঁতি কাষৰীয়া অঞ্চলবোৰত সেউজ উদ্যান বনাব পাৰিম। আমাৰ মাননীয় ভট্টাচাৰ্য ডাঙৰীয়াই যিটো কথা কৈছে, সেই কথাটো সত্য হয়। Refinery টো ওচৰত থকা বাবে তাৰ পৰা অহৰহ ধোৱাঁ ওলাই থাকে। এই ক'লা ধোৱাঁ বোৰ আমি সেৱন কৰি আছো। ইয়াৰ কাৰণে আমাৰ মানুহবোৰে হৃদৰোগ, lung cancer আদি বিভিন্ন ধৰণৰ জটিল ৰোগত আক্ৰান্ত হ'ব লগীয়া হৈছে। গতিকে আমাৰ চৰকাৰে অসমখনক প্ৰদূষণ মুক্ত কৰিবলৈ যথেষ্ট উদ্যোগ লৈছে আৰু তাৰ বাবে আমি গুৱাহাটী চহৰখনৰ পৰাই আৰম্ভ কৰিব লাগিব। আগৰ চৰকাৰৰ সময়চোৱাত যি বোৰ উদ্যোগ স্থাপন কৰিছে, সেই বোৰৰ ওপৰত আমি যদি কোনো ধৰণৰ ব্যৱস্থা নলওঁ, তেনেহ'লে আমি আগন্তুক সময়চোৱাৰ উঠি অহা প্ৰজন্মৰ কাৰণে কিনো কাম কৰিলো? ভৱিষ্যত প্ৰজন্মৰ যুৱক-যুৱতী সকলে আমাক অভিশাপ দিব যে কি কাৰণে আমাৰ প্ৰতিনিধি সকলে ইয়াৰ বাবে একো দায়িত্ব নল'লে? এনে ধৰণৰ কথাবোৰ তেওঁলোকে চিন্তা কৰিব। গতিকে যদি এনেকুৱাই হয়, আমি ৰাইজক প্ৰতিনিধিত্ব কৰাৰ মূল্যই কি থাকিল? যিহেতু আমাৰ দায়িত্ব আছে গতিকে আমি এইবোৰৰ ওপৰত কাম কৰিবই লাগিব। Pollution Control Board ৰ Chairman জন প্ৰায়ে অসুস্থ হৈ থাকে, সেয়েহে, আমাৰ চৰকাৰে তেখেতক অৱসৰ ল'বলৈ কৈছে। তেখেতে কোনো ধৰণৰ কাম কৰিব নোৱাৰা বাবে তাৰ Member Secretary জনেও কাম কৰিব পৰা নাই। তেওঁক আমি অৱসৰ ল'বলৈ কোৱা সত্বেও তেওঁ অৱসৰ লোৱা নাই আৰু কোনো কামো কৰা নাই। তাৰ বাবে আমি উপায়হীন হৈছো যে কেনেকৈনো আমি Pollution Control Board টো আগুৱাই লৈ যাম। অকল গুৱাহাটী চহৰতে নহয়, সমগ্ৰ অসমৰ বহুত অঞ্চলত আজি ইটাৰ ভাটা আছে। এই ইটাৰ ভাটা সমূহৰ পৰাও ধোৱাঁ নিৰ্গত হয় আৰু এই নিৰ্গত হোৱা ধোৱাঁ আমি সেৱন কৰি আছো। গতিকে এইটো অতি গুৰুত্বপূৰ্ণ কথা। ইয়াৰ বাবে আমি সকলোৰে পৰা পৰামৰ্শ বিচাৰিছো আৰু ভট্টাচাৰ্য ডাঙৰীয়াক ধন্যবাদ দিছো কাৰণ এই বিষয়টোত তেখেতৰ উদ্বেগ আছে লগতে মই ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াকো আন্তৰিক ভাৱে ধন্যবাদ জ্ঞাপন কৰিছো। মই সকলোকে আশ্বাস দিব বিচাৰিছো যে 'প্ৰতিদিন কাকত'ৰ জৰিয়তে যিটো বাতৰি ওলাইছে যে ২৭০ টা উদ্যোগ গুৱাহাটী চহৰৰ মাজমজিয়াত বা তাৰ দাঁতি কাষৰীয়া অঞ্চল সমূহত স্থাপন কৰিছে তাৰ permission কেনেকৈ পালে, এই বিষয়টোৰ ওপৰত আপোনালোকৰ লগত বহিয়েই আলোচনা কৰিম। আপোনালোক ৰাইজৰ প্ৰতিনিধি, আপোনালোকক এৰি আমি একো কাম কৰিব নোৱাৰো কাৰণ আপোনালোকৰ পৰামৰ্শ যথেষ্ট গুৰুত্ব পূৰ্ণ। এইবিলাক আমি সংস্কাৰ কৰাৰ বাবে কিছুমান technology আছে, যি বোৰ স্থাপন কৰা হৈছে কিন্তু সেইখিনিয়েই যথেষ্ট নহয়। প্ৰদূষণ মুক্ত কৰিবলৈ য'ত যি technology ৰ প্ৰয়োজন আছে, আমি সেইবোৰ দিয়াৰ বাবে পদক্ষেপ ল'ম বুলি আশ্বাস দিছো। আজি আপোনালোকে যিটো বিষয় উত্থাপন কৰিছে, তাৰ ওপৰত মাননীয় সদনত আলোচনা কৰিবলৈ পোৱাৰ বাবে আৰু বিষয়টো আপোনালোকক অৱগত কৰিবলৈ পৰাৰ বাবে মই অত্যন্ত সুখী

হৈছো আৰু ধন্যবাদ জ্ঞাপন কৰিছো। আগন্তুক সময়ছোৱাত আমি যথেষ্ট গুৰুত্বপূৰ্ণ সহকাৰে কাম কৰি আগবাঢ়ি যোৱাৰ আশ্বাস দি এইখিনিতে মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** Thank You.

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (গুৱাহাটী পশ্চিম) ঃ** অধ্যক্ষ মহোদয়, মই ভাগ নলওঁ যদিও এটা পৰামৰ্শ দিব বিচাৰিছো তাৰ বাবে মই আপোনাৰ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** কওঁক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (গুৱাহাটী পশ্চিম) ঃ** অধ্যক্ষ মহোদয়, Pollution Control Board ৰ Chairman জন অসুস্থ বুলি যিটো কথা ক'লে আৰু তাৰ বাবে যে তেওঁ কাম কৰিব পৰা নাই, এই ক্ষেত্ৰত তেওঁক তাৰ পৰা আঁতৰাই দিয়াৰ কোনো ব্যৱস্থা নাই নেকি? আৰু যদি নাই, তেনেহ'লে কোনোবা এজন বিষয়াক আমাৰ চৰকাৰে দায়িত্ব দিয়াৰ ক্ষমতা নাই নেকি? কাৰণ যিবোৰ industry য়ে নিয়ম অমান্য কৰিছে, সেই সকলৰ ক্ষেত্ৰত যদি High Court ত case দিয়ে, তেতিয়াহে তেওঁলোক সতৰ্ক হ'ব, নহ'লে নহ'ব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া, ৰূপজ্যোতি কুৰ্মী, আপোনাৰ Zero hour Notice ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, পৱিত্ৰ বিধান সভাৰ শূন্য কালীন ঘণ্টাত যোৱা ১৭ তাৰিখে 'অসমীয়া খবৰ' বাতৰি কাকতত প্ৰকাশিত বাতৰি "পুনৰ প্ৰতিবাদ মুখৰ যোৰহাট দৃষ্টিহীন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী" এই বাতৰিটো পৱিত্ৰ বিধান সভাত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সুযোগ দিয়াৰ বাবে মই আপোনাক অশেষ ধন্যবাদ জনাইছো। মই যেতিয়া আপোনাৰ সমষ্টিতে স্থাপিত যোৰহাট দৃষ্টিহীন বিদ্যালয়ৰ এই বিষয়টোৰ সম্পৰ্কত আপোনাৰ ওচৰলৈ গৈছিলো, আপুনি এই বাতৰিটো ওলোৱাৰ পিছত মনত বহুত দুখ পাইছিল আৰু এই বিষয়টো সদনত উত্থাপন কৰিলে আপুনি স্থানীয় বিধায়ক হিচাপে সুখী হ'ব, এই কথাটো উল্লেখ কৰিছিল। ইয়াৰ বাবে মই আপোনাক পুনৰ বাৰ ধন্যবাদ জ্ঞাপন কৰিছো। এই বিদ্যালয়খন ১৯৪৭ চনতে স্থাপিত হৈছিল । মই যোৱা বাৰ বছৰ ধৰি বিধায়ক আৰু আপুনিও তাৰ পৰা ৪ বাৰকৈ বিধায়ক হৈছে। কিন্তু এই দৃষ্টিহীন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিবাদ কৰা বা আন্দোলন কৰা বিষয়টো কোনোদিনে নজিৰ নাছিল। মই যেতিয়া এই বিদ্যালয়খন পৰিদৰ্শন কৰিবলৈ গৈছিলো, তেতিয়া চতুৰ্থ বৰ্গৰ কৰ্মচাৰী এজনক সোধোতে তেওঁ ক'লে যে, বৰ্তমান চৰকাৰে হেনো Mercedes গাড়ী আনিব বিচাৰিছে, আনফালে প্ৰিয়ংকা চোপ্ৰা বাইদেউ, কেটৰিণা বাইদেউকো টকা অলপ দিয়া বুলি শুনিছো। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ছাৰে হেনো Jet flight ত আহিছে, যিহেতুকে চৰকাৰৰ টকা বহুত আছে। আগতে তৰুণ গগৈ ডাঙৰীয়াই হেনো Safari গাড়ীত ঘূৰিছিল আৰু গাড়ীবোৰ পুৰণি হোৱাৰ বাবে নতুন মুখ্যমন্ত্ৰী ডাঙৰীয়াই হেনো Fortuner গাড়ী লৈ যায়। এই কথাবোৰ দৃষ্টিহীন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সকলে শুনিবলৈ পাইছে। চৰকাৰে নমামী ব্ৰহ্মপুত্ৰ, নমামী বৰাক পাতিছে আৰু তাৰ বাবে বাহিৰৰ ঠাই যেনে- উত্তৰ প্ৰদেশ, নাগপুৰ আদিৰ পৰা পূজা কৰিবলৈ পূজাৰী hire কৰি আনিছে যিহেতুকে টকা বেছি আছে, আমাৰ অসমৰ স্থানীয় ব্ৰাহ্মণক নল'লে। কিন্তু ১৯৪৭ চনতে স্থাপিত হোৱা এই দৃষ্টিহীন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে কিতাপৰ বাবে, অংক আৰু বিজ্ঞানৰ শিক্ষকৰ বাবে লগতে খোৱা-পানীৰ বাবে আন্দোলন কৰিব লগীয়া হৈছে। কাৰণ খোৱা পানীৰ পাইপ বোৰ ফুটা আৰু এই পাইপ বোৰ লগাবৰ বাবে চৰকাৰে বৰ্তমান টকা দিয়া নাই। তাৰোপৰি তেওঁলোকে Boy's Hostel ৰ Attendant, Matron নথকাৰ বাবেও আন্দোলন কৰিব লগীয়া হৈছে। আৰু এইবোৰ হৈছে মে' মাহৰ পৰা।

এই পৰিৱৰ্তন, বিজেপি মিত্ৰজোঁটৰ চৰকাৰখন অহাৰ পিছত। আপোনালোকে আৰম্ভণিৰ কেইদিন মান ভালেই চলালে। এতিয়াহে অসুবিধা বোৰৰ সন্মুখীন হৈছে। কিন্তু ইয়াৰ আৰম্ভণিহে ভাল, পিছলৈ কি হ'ব ? আমি আশা কৰিছো  অসমৰ ৰাইজেও যে আপোনালোকে ধুনীয়াকৈ চলাই গৈ থাকিব, কাৰণ আৰম্ভনিটো ভাল আছিল। এই দৃষ্টিহীন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ অভিভাৰক অৰ্থাৎ অধ্যক্ষ গৰাকীৰ প্ৰয়োজন। DSW ক in-charge হিচাবে দিছিল। DSW ক যেতিয়া সুধিলো যে আপুনিটো Principal। তেওঁ ক'লে মই  in-charge sir. DSW হিচাবে মই অংগনবাড়ী চাব লাগে। সকলোপিনে চাব লাগে আৰু মোক in-charge দিছে মই সময় দিব পৰা নাই। কিন্তু আপোনাৰ ব্যৱহাৰ কিয় ইমান বেয়া? তেওঁ ক'লে যে চাৰ মোৰ অলপ ব্যৱহাৰ বেয়া হ'ল। মই অকনমান গালি পাৰিলো। দৃষ্টিহীন ছাত্ৰ-ছাত্ৰী সকলক গালি পাৰিলে যাৰ বাবে ক্ষোভিত হৈ আন্দোলন কৰিব লগীয়া হ'ল। ১নং- এইটো অন্যতম এটা কাৰণ। অধ্যক্ষ আতৰাব লাগে আৰু স্থায়ী অধ্যক্ষ নিযুক্তি দিব লাগে। ২নং- কিতাপ। কিতাপ তেওঁলোকে আজি পৰ্য্যন্ত পোৱা নাই। যোৱা বিত্তীয় বৰ্ষত মে মাহৰ পৰা কিতাপ নাপালে। যোৱা বিত্তীয় বৰ্ষত তেনেকৈয়ে পৰীক্ষা দিলে আৰু এই বিত্তীয় বৰ্ষত পৰ্য্যাপ্ত পৰিমাণে কিতাপ, ফেব্ৰুৱাৰী মাহ যাবৰ হ'ল কিতাপ পোৱা নাই। ৩ নং- এগৰাকী মিউজিকৰ ছাত্ৰীয়ে music ৰ practical পৰীক্ষা দিব নোৱাৰিলে। নোৱাৰাৰ কাৰণ হ'ল মিউজিকৰ বাবে যিবিলাক সামগ্ৰী সেইবিলাক বেয়া হৈ গ'ল। এতিয়া নতুন সামগ্ৰী বৰ্তমানৰ চৰকাৰখনে দিয়া নাই। ৪ নং- Science আৰু  math ৰ শিক্ষক যোৱা মে' মাহৰ পৰা নাই। সৰ্বশিক্ষাই অস্থায়ী ভাৱে নিযুক্তি দিছিল যদিও সৰ্বশিক্ষাই আঁতৰাই লৈ গ'ল। এতিয়া বৰ্তমান নাই। ৫ নং তেওঁলোকক বৰ্তমান মেট্ৰনৰ প্ৰয়োজন। ৬ নং Hostel ৰ attendent প্ৰয়োজন। ৭ নং - তেওঁলোকে পানী নাপায় কাৰণ পাইপ ফুটা। পানী নোপোৱাৰ বাবে তেওঁলোকে বহুত অসুবিধাৰ সন্মুখীন হ'ব লগীয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয়, পবিত্ৰ বিধান সভাৰ শূন্যকালীন ঘণ্টাৰ আৰু  বহুত কাৰ্য্যসূচী আছে, মই দীঘলীয়াকৈ আৰু সময় ল'ব বিচৰা নাই। মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগতে তেওঁৰ পৰা জানিব বিচাৰিছো যে অকল যোৰহাট দৃষ্টিহীন  বিদ্যালয়েই নহয় আমি দেখা পাইছো যে দিব্যাংগ সকলৰ বাবে বৰ্তমানৰ চৰকাৰখনে যথেষ্ট আঁচনি লৈছে। কৈছে, আমি শুনা পাইছো। দিব্যাংগ দিৱস আন্তৰ্জাতিক দিৱস হিচাবে আয়োজন কৰিছে। পেপাৰত তেওঁলোকৰ বিজ্ঞাপন আমি দেখা পাইছো। প্ৰকৃততে কোনোবা বিষয়া কৰ্মচাৰীয়ে মাননীয় মন্ত্ৰী মহোদয়ক mislead কৰিছে নেকি? মাননীয় মন্ত্ৰী শ্ৰী নৱ দলে ডাঙৰীয়াৰ লগত আমাৰ ব্যক্তিগত ভাৱে ভাল। তেখেতে এটা প্ৰয়াস কৰিছে আমি দেখা পাইছো। তেওঁৰ বিষয়া কৰ্মচাৰীয়ে তেওঁৰ সহজ সৰলতাৰ সুযোগ লৈছে নেকি? তেওঁক সঠিক কথাটো জনোৱা  নাই নেকি? আমি অকল যোৰহাট দৃষ্টিহীন বিদ্যালয়ৰে নহয়, আমি অসমৰ সোনাপুৰ, খানাপাৰা, কাহিলীপাৰা সকলো  deaf and dumb বিদ্যালয়ৰ আমি কম বেছি পৰিমাণে খুজিছো। এই বিদ্যালয় সমূহত আজি কি পৰিস্থিতি হৈ আছে। এনে পৰিস্থিতি হৈ আছে নেকি আকৌ? এই গোটেই কথাবোৰ চাই দিব্যাংগ সকলক এই চৰকাৰখনে প্ৰকৃততে গুৰুত্ব দিয়ক। এই বিষয়টো আমি তেখেতক অনুৰোধ জনাই মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা অকল যোৰহাট দৃষ্টিহীন বিদ্যালয়েই নহয় deaf and dumb বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যতৰ নিৰাপত্তাৰ বাবে চৰকাৰখনে কেনে ব্যৱস্থা কৰিছে এই কথাবিলাক আমাক উল্লেখ কৰিলে আমি ভাল পাম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** Thank you.

**শ্ৰী নৱ কুমাৰ দলে ঃ** মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যোৱা ইংৰাজী ১৭-০২-২০১৮ তাৰিখৰ " অসমীয়া খবৰ" কাকতত প্ৰকাশিত "পুনৰ প্ৰতিবাদ মুখৰ যোৰহাট দৃষ্টিহীন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, উপায়ুক্তৰে আলোচনা " শীৰ্ষক বাতৰিটোৱে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো সঁচাকৈয়ে অতি গুৰুত্বপূৰ্ণ আৰু বিষয়টো যথেষ্ট গুৰুত্ব সহকাৰে লৈছো। ইতিমধ্যে আমি যোৰহাট উপায়ুক্তৰ লগত এই বিষয়ে বিশদ ভাৱে কথা পাতিছো। তেখেতক এই বিষয়ে এটা উচ্চ পৰ্য্যায়ৰ তদন্ত কৰিবলৈ কোৱা হৈছে আৰু তদুপৰি সমাজ কল্যাণ বিভাগৰ সঞ্চালককো এই বিষয়টো অনতিপলমে অনুসন্ধান কৰি বিভাগীয় ভাৱে সকলোখিনি যিটো কাৰণে এই পৰিস্থিতিটোৰ উদ্ভৱ হ'ল যাতে বিশদ ভাৱে তদন্ত কৰি তাৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে ইতিমধ্যে আমি নিৰ্দ্দেশ দিছো। যোৰহাটত অৱস্থিত এই দৃষ্টিহীন বিদ্যালয়খন যদিও ১৯৭৪ চনত স্থাপিত কিন্তু ০১-০১-১৯৮১ চনত চৰকাৰে সমাজকল্যাণ বিভাগৰ অধীনলৈ আনে। তেতিয়াৰ পৰা এই ঐতিহ্যমণ্ডিত আৰু সমাজৰ গুৰুত্বপূৰ্ণ অনুষ্ঠানটো চৰকাৰৰ পৃষ্ঠপোষকতাত সুচাৰুৰূপে চলি আহিছে। সেইকাৰণে চৰকাৰে সদ্যপ্ৰকাশিত উল্লেখিত বাতৰিটো যথেষ্ট আন্তৰিকতাৰে লৈছে আৰু বিদ্যালয়খনৰ লগত জড়িত অসুবিধা সমূহ সোনকালে আঁতৰ কৰি এক সুষ্ঠ শৈক্ষিক বাতাবৰণ ঘুৰাই আনিবৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিম। যোৰহাটৰ দৃষ্টিহীন বিদ্যালয়ৰ স্থায়ী অধ্যক্ষ অতি সোনকালে প্ৰায় দুমাহৰ ভিতৰত নিযুক্তি দিয়াৰ ব্যৱস্থা লোৱা হ'ব আৰু বিদ্যালয়খন পুনঃগঠন আৰু মেৰামতিৰ বাবে ইতিমধ্যে plan আৰু estimate বিচৰা হৈছে। অনতি পলমে ইয়াৰ ব্যৱস্থা কৰা হ'ব।

**Hon'ble Speaker :** Thank you. Last "0" hour notice Shri Binanda Kumar Saikia.

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি এটা গুৰুত্বপূৰ্ণ বিষয় সদনত শূন্যকালীন ঘণ্টাত উৎথাপন কৰিব দিয়া বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমি অসম চৰকাৰক ধন্যবাদ জনাব লাগিব এটা কথাত যে "Advantage Assam " ৰ আয়োজন কৰি Global Investor Summit গুৱাহাটীত আয়োজন কৰা হ'ল। এটা সুন্দৰ পৰিবেশ হৈছে। আমি সকলোৱে ভাল পাইছো আৰু উদ্যোগীকৰণৰ এটা পৰিবেশ অসমত সৃষ্টি হৈছে। ভাল পৰিবেশ এটা আহিছে। প্ৰায় ১ লাখ কোটি টকা অসমত বিনিয়োগ কৰাৰ এটা পৰিবেশ হৈছে। বহুবিলাক বুজাবুজি চুক্তি স্বাক্ষৰিত হৈছে। তেনেকুৱা এটা পৰিবেশত আজি এটা বিশেষ ক্ষেত্ৰত যিমানখিনি গুৰুত্ব দিব লাগিছিল অসমৰ মৰাপাটটোক। যিটো আমাৰ ভাৰতবৰ্ষৰ ভিতৰতেই এটা নাম আছে অধ্যক্ষ ডাঙৰীয়া। বিষয়টো বাতৰি কাকতত লিখিছিল আৰু মই সেইকাৰণে আজি ইয়াত উত্থাপন কৰি্ছো যে অসমৰ মৰাপাট উদ্যোগটোক আপুনি জানে যে মৰাপাট উৎপাদনত আমাৰ অসমৰ এটা নাম আছে আৰু ভাৰতবৰ্ষৰ ভিতৰত আজিৰ তাৰিখত অসম দ্বিতীয় স্থানত আছে। প্ৰথম হৈছে পশ্চিমবংগ আৰু অসমৰ স্থান দ্বিতীয়। কিন্তু দুখৰ কথা যে অসমত আজি মৰাপাট উদ্যোগ স্থাপনৰ ক্ষেত্ৰত যিমানখিনি গুৰুত্ব পাব লাগিছিল বা দিব লাগিছিল সেই ধৰণৰ গুৰুত্ব কাৰো পৰা পোৱা নাই। আমাৰ ৰাজ্য চৰকাৰৰ পৰাও দেখা নাই আৰু কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰাও অসমত দেশৰ ভিতৰতে দ্বিতীয় বৃহৎ মৰাপাট উৎপাদনকাৰী ৰাজ্য হিচাবে অসমত মৰাপাট উদ্যোগ স্থাপন কৰা বিষয়টো কিন্তু গুৰুত্ব সহকাৰে লোৱা দেখা যোৱা নাই। গতিকে এই বিষয়টো মই উৎথাপন কৰিছো কাৰণ আমাৰ সকলোৰে এটা সমস্যা আছে নিবনুৱা সমস্যা। আজি আমাৰ ৰাজ্যখনতে প্ৰায় ২৫ লাখতকৈ অধিক নিবনুৱা আছে। দিনে দিনে বিদ্যালয়,

মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰী ওলাইছে। আমি সেই বিলাক নিবনুৱাক সংস্থাপন দিব পৰা নাই। শিক্ষিত, অৰ্ধশিক্ষিত নিবনুৱাৰে আমাৰ অসমখন ভৰি আছে। এনেকুৱা এটা পৰিবেশত যদি সঠিক ভাৱে উদ্যোগীকৰণ নহয়, উদ্যোগ স্থাপন নহয় আৰু যিবিলাক ক্ষেত্ৰত আমাৰ সম্ভাৱনা আছে সেইবিলাক বিষয়ত যদি উদ্যোগ স্থাপন নহয় তেতিয়াহ'লে আমি কেতিয়া ক'ত এই বৃহৎ সংখ্যক নিবনুৱাক চাকৰিৰ সুবিধা দিব পাৰিম। গতিকে উদ্যোগীকৰণ বিষয়টো বিশেষকৈ মৰাপাট উদ্যোগৰ বিষয়টো মই আনিছো যে দেশৰ ভিতৰত আমাৰ দ্বিতীয় স্থানত মৰাপাট উৎপাদন হৈ আছে আৰু এই যিমানখিনি মৰাপাট উৎপাদন হয় তথ্যমতে সেইখিনি মৰাপাটেৰে অসমত ১৫ টা উদ্যোগ স্থাপন কৰিব পাৰি। পশ্চিমবংগত highest মৰাপাট উৎপাদন হয়। তাত ৫২ টা উদ্যোগ আছে আৰু সেই মৰাপাট উদ্যোগ সমূহলৈ আমাৰ অসমৰ পৰা মৰাপাট যায় আৰু এটা মাত্ৰ আমাৰ মৰাপাট উদ্যোগ তাকো ভালকৈ জীয়াই থকা নাই। শিলঘাটত যিটো সমবায় মৰাপাট কল আছে সেইটোৰ বাহিৰে বহু ঠাইত আমাৰ মৰাপাট কলৰ প্ৰস্তাৱ হৈছিল। আমাৰ দৰং জিলাতো আছিল। কিন্তু এইবিলাক এতিয়ালৈকে নহ'ল। এতিয়া শিলঘাটটো কোনোমতে জীয়াই আছে আৰু সেইটোত বিভিন্ন প্ৰকাৰৰ সামগ্ৰী তাত উৎপাদন হৈ আছে। আপুনি হয়তো ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত যাওঁতে দেখিছে যে আজিকালি বিভিন্ন সামগ্ৰীৰ পৰা এনেকুৱা ধৰণৰ বস্তু সামগ্ৰী উৎপাদন হয়। যিবিলাক সামগ্ৰী আমাৰ দৈনন্দিন জীৱনৰ চাহিদা বহুখিনি পূৰণ কৰে। তেনেকুৱাকে পানী মেটেকাৰ পৰা কৰিছে, কেতিয়াবা কলগছৰ পৰা কৰিছে। গতিকে মৰাপাটৰ পৰা তেনেকুৱা বহুতো উন্নত মানৰ সামগ্ৰী উৎপাদন কৰাৰ যিটো ব্যৱস্থা সেইটো মৰাপাট উদ্যোগৰ জৰিয়তে আছিল আৰু এতিয়া আমাৰ মৰাপাট গৈ পশ্চিমবংগত আজি মৰাপাট উদ্যোগ বিলাকত এইবিলাক সামগ্ৰী উৎপাদন হৈ আছে। **৫২** টা মৰাপাট উদ্যোগ পশ্চিম বংগত। আমাৰ ইয়াতে যি এটা আছিল তাৰ অৱস্থা ভাল নহয় আৰু অধ্যক্ষ ডাঙৰীয়া, আমাৰ শিলঘাটত যিটো মৰাপাট উদ্যোগ আছে, এই শিলঘাটৰ মৰাপাট উদ্যোগটোত প্ৰায় **৮৫১** গৰাকী কৰ্মচাৰী আছে। গতিকে আপুনি যদি চায় যে, এটা মৰাপাট উন্নত মানদণ্ডৰ মৰাপাট উদ্যোগ স্থাপন কৰা হয়, তেতিয়াহ'লে তাত কমেও এহেজাৰ নিৱনুৱাক সংস্থাপন দিয়াৰ পথ মুকলি কৰিব পৰা যায়। যদি এহেজাৰ নিবনুৱাই এটা মৰাপাট উদ্যোগত সংস্থাপন কৰিব পৰা যায় অসমত। তথ্যমতে **১৫** টা মৰাপাট উদ্যোগ স্থাপন কৰাৰ জোখাৰে আমাৰ ইয়াত মৰাপাট উৎপাদন হয়। তাৰমানে **১৫** হাজাৰ নিবনুৱাক আমি ইয়াত সংস্থাপন দিব পাৰো। যিহেতু উদ্যোগীকৰণৰ এটা পৰিবেশ ৰচনা কৰিছে আমাৰ চৰকাৰে। আজি দেশ বিদেশৰ বিনিয়োগকাৰী ইয়ালৈকে আহিছে। গতিকে আমাৰ এই মৰাপাটৰ উদ্যোগৰ বিষয়টো কোনোবা বিনিয়োগকাৰীৰ লগত কথা পাতি চুক্তি কৰি আমি ইয়াত মৰাপাট উদ্যোগ স্থাপন কৰিব নোৱাৰো নেকি? আৰু নিশ্চয় আমাৰ সেইখিনি সুবিধা আছে। গতিকে মই মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু প্ৰয়োজনত আমিও মাটি দিম মোৰ সমষ্টিত দৰকাৰ হ'লে যদি মন্ত্ৰী ডাঙৰীয়াই ইচ্ছা কৰে। আমিও মাটি দিও। তাতে মৰাপাট উদ্যোগ স্থাপন কৰক। অন্ততঃ আমাৰ কিছু নিবনুৱা তাতে সংস্থাপিত কৰিব পাৰিম। আৰু ইতিমধ্যে আমি উদ্যোগ বিভাগলৈ মাটিৰ প্ৰস্তাৱ আমি দি থৈছো মোৰ সমষ্টিত। গতিকে মই এটা সদুত্তৰ বিচাৰিছো। মাননীয় মন্ত্ৰী মহোদয় এই মৃতপ্ৰায় যিটো আমাৰ মৰাপাট উদ্যোগ, এই মৃতপ্ৰায় উদ্যোগটোক পুনৰ উজ্জীৱিত কৰি আমাৰ ৰাজ্যখনৰ লাখ লাখ যি নিবনুৱা আছে, তাৰে কিছু অংশক আমি ইয়াতে সংস্থাপন ব্যৱস্থা কৰিব পাৰো নেকি? সেই কাৰণে আজি এই বিষয়টো মই আপোনাৰ জৰিয়তে মাননীয় উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰীৰ দৃষ্টি গোচৰ কৰিলোঁ। মই আশা কৰো তেখেতে কথাখিনি

বুজি এটা উত্তৰ সদনৰ মজিয়াত দাখিল কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** Minister Please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য শ্ৰী বিনন্দ শইকীয়াই যিটো দৈনিক অসম বাতৰি কাকতত প্ৰকাশিত "অসমৰ মৰাপাট উদ্যোগলৈকে কেন্দ্ৰৰ অনীহা" শীৰ্ষক বাতৰিৰ ওপৰত মাননীয় বিধায়ক গৰাকীয়ে শূণ্যকালীন ঘণ্টাত উপস্থাপন কৰা বিষয়টো আমাৰ দৃষ্টিগোচৰ হৈছে। আৰু অধ্যক্ষ ডাঙৰীয়া, এইটো ক্ষেত্ৰত আমি এইবাৰ আমাৰ নতুন চৰকাৰ অহাৰ পাছত আমি কিছু কিছু ক্ষেত্ৰত ফকাচ্ এৰিয়া হিচাপে ৰাখিছো। যেনে, বাহৰ উদ্যোগ আমি ফকাচ এৰিয়া বিচাপে ৰাখিছো। প্লাছটিক ৰাখিছো, মৰাপাট ৰাখিছো, এগ্ৰপ্ৰচেচিং ইউনিট ৰাখিছো। গতিকে এনেকুৱা ধৰণৰ কিছুমান ফকাচ এৰিয়া আছে, আৰু সকলো ফকাচ এৰিয়া বিলাকত আমাৰ ইতিমধ্যে কেইবাটাও পলিচি, এনেকুৱা আমাৰ কেইবাটাও পলিচি যেনে, IT Policy, Tourism Policy, এনেকুৱা আমাৰ কেইবাটাও পলিচি ইতিমধ্যে চৰকাৰে ঘোষণা কৰিছে। আৰু তাৰ কাৰণে উদ্যোগৰ এটা পৰিবেশ তৈয়াৰ কৰাৰ কাৰণে অসমত চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত Advantage Assam এখন Global Summit প্ৰথমবাৰৰ বাবেআৰু অসমত কৰিছে অসমৰ যিখিনি সম্ভাৱনা, এই সম্ভাৱনাখিনি বিশ্বৰ ইনভেষ্টৰ সকলক জনোৱাৰ কাৰণে এই Advantage Assam অসমত অনুষ্ঠিত কৰা হয়। আ ৰু এই Advantage Assam ত এই আটাইকেইটা চেক্টৰত গুৰুত্ব প্ৰদান কৰা হৈছে সেই হিচাপে চেমিনাৰ দি ছে। অধ্যক্ষ ডাঙৰীয়া, যে মৰাপাটৰ ক্ষেত্ৰত আমি কলিকতাটো আমাৰ Advantage Assam ৰ আগত যোৱাবছৰ কলিকতাটো মই নিজে উদ্যোগমন্ত্ৰী হিচাপে এখন মিটিংত মই নিজে উপস্থিত আছিলো। আই চি চি য়ে এখন মিটিং পাতিছিলে। আৰু তাতো মৰাপাটৰ অসমৰ সম্ভাৱনাৰ কথাখিনি আমি উল্লেখ কৰিছিলো। অধ্যক্ষ ডাঙৰীয়া, এতিয়া কথাটো ক'লে বেয়া হয়। যে এতিয়া আমাৰ চৰকাৰখনৰ দুবছৰ হোৱাই নাই আমি যিখিনি পাইছো সকলোখিনি উত্তৰাধিকাৰী সূত্ৰেই পোৱা। গতিকে অসমত যিবিলাক ম ৰাপাট আছে, আৰু এইটো ক'লে আমাক বেয়া পাব, আৰু কব যে, আমাকে দোষাৰোপ কৰে আমি উত্তৰাধিকাৰী সূত্ৰেই পালো।আচলতে মই এটা প্ৰশ্ন অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ জৰিয়তে জনাব বিচাৰিছো যে, JCI যিমান Branch আছিল Jooth Corporation of India, এই Branch বিলাক শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়া মুখ্যমন্ত্ৰী হোৱাৰ পাছত উঠি গ'ল নে তাৰ আগত উঠিল? JCI য়ে Branch বিলাকইয়াত কিয় ৰাখিব নোৱাৰিলে। মৰাপাটৰ মিনিমাম চাপোৰ্টটিং ৰাইচটো JCI য়ে কিয় দিব নোৱাৰিলে। এই JCI ৰ যিমান Branch আছে, কোন চৰকাৰৰ দিনত উঠি গ'ল। যাৰ ফলত মৰাপাটৰ খেতিয়ক সকলে দাম নাপালে। গতিকে এতিয়া আমি কি কৰিছো, এই যিখিনি উত্তৰাধিকাৰীসূত্ৰে পালে, এই উত্তৰাধিকাৰীৰ সূত্ৰে পোৱা এই ব্যৱস্থাটোকআমি এটা নতুনত্ব আনিবলৈ চেষ্টা কৰিছো। আৰু চেষ্টা কৰিম। মৰাপাট এটা ফকাচ পইণ্টত আছে। গতিকে এই ক্ষেত্ৰত Advantage Assam ৰ পাছত ডাঙৰ মৰাপাটৰ উদ্যোগী,তেওঁলোকে মোৰ ওচৰলৈ আহিছিলে। আৰু মই তেওঁলোকক কৈছিলো যে, আপোনালোকে ধিঙলৈ যাওঁক। আৰু ধিঙত আমাৰ উদ্যোগৰ এটা ইউনিট আছে। আৰু ধিঙৰ উদ্যোগৰ ইউনিটত আপোনালোকে যিখিনি মাটি লাগে,মাটিখিনি লোৱা। তেতিয়া তেওঁলোকে কৈছিল যে, ঠিক আছে আমি যাম আৰু আমি

আমাৰ উদ্যোগটো কৰাটো আমি নিশ্চিত । এই মৰাপাট উদ্যোগ আৰু তাত দুই হাজাৰ ডাইৰেক্ট এমপ্লইমেণ্ট মহিলা আৰু একহাজাৰ পুৰুষ এমপ্লইমেণ্ট হব। গতিকে আমাৰ উদ্যোগ বিভাগৰ বিষয়াৰ মাজত এই উদ্যোগপতিজনক আমি ধিঙলৈকে পঠিয়াই দিছো আৰু তেওঁ সেই এৰিয়াটোত ভিজিট কৰি আহিছে। আৰু আহি তেওঁ মতামত এতিয়ালৈকে ব্যক্ত কৰা নাই। তেওঁ ধিঙত কৰিব নে অন্য কৰবাত কৰিব। কিন্তু তেওঁ ইয়াত মৰাপাট উদ্যোগ এটা কৰাটো নিশ্চিত। এইটোত তেওঁ কৈছে, চিকাৰীয়া গ্রুপ এটা ডাঙৰ গ্রুপ। তেওঁলোকে মোৰ লগত কথা পাতিছে আৰু আমাৰ উদ্যোগ বিভাগৰ লগত কথা পাতিছে অধ্যক্ষ ডাঙৰীয়া বিষয়টো এনেকুৱা। **১২-০২-২০১৮** তাৰিখে 'দৈনিক অসম' বাতৰি কাকতত প্ৰকাশিত হোৱা নিচিনাকৈ অসম মৰাপাট উৎপাদনত দ্বিতীয় স্থানত নহয় তৃতীয় স্থানতহে আছে। মৰাপাট উৎপাদনত ভাৰতৰ ভিতৰত পশ্চিমবঙ্গই প্ৰথম স্থান আৰু বিহাৰে দ্বিতীয় স্থান অধিকাৰ কৰি আছে। ৰাজ্যভিত্তিক মৰাপাট উৎপাদনৰ পৰিমাণ তলত দিয়া ধৰণৰ ঃ

| | |
|---|---|
| **১**. পশ্চিমবঙ্গ | - ৮৩৪৯ বেলছ (এক বেলছ=**১৮০** কে. জি) |
| ২.বিহাৰ | -১৬৯০ বেলছ |
| ৩.অসম | -৮২৩ বেলছ |
| ৪. অন্ধ্ৰ আৰু তেলেঙ্গেনা | -২২৫ বেলছ |
| ৫.উৰিষ্যা | -১১৭.৭ বেলছ |

**শ্রী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্রী) ঃ** অসম চৰকাৰে অসমত হোৱা মৰাপাটৰ ওপৰত ভিত্তি কৰি বিভিন্ন সময়ত বিভিন্ন স্থানত যেনে দৰং, গুৱাগাছা আদি ঠাইত মৰাপাট উদ্যোগ স্থাপন কৰিবলৈ হাতত লৈছিল যদিওঁ শিলঘাট মৰাপাট কলৰ বাহিৰে বাকীবোৰত সফল হব পৰা নহ'ল।

শেহতীয়াকৈ ধিঙত এখন মৰাপাট উদ্যোগ স্থাপন কৰিবলৈ লোৱা হৈছিল যদিও Special Purpose Vehicle (SPV) গঠনৰ বাবে ব্যক্তিগত খণ্ডৰ উদ্যোগী নোপোৱাৰ বাবে উদ্যোগখন স্থাপন কৰিব পৰা নগ'ল। ব্যক্তিগত খণ্ডৰ উদ্যোগ বিচাৰি স্থানীয় আৰু সৰ্বভাৰতীয় কাকতৰ ভিত্তিত আমি এই সম্পৰ্কত বিজ্ঞাপনো দিয়া হৈছিল যদিওঁ ০৩-০১-২০১৪, ২৮-০২-২০১৪ আৰু ০৪-০৭-২০১৪ মই যে, উত্তৰাধিকাৰী বুলি কৈছো, গতিকে আমিতো ২০১৪ত নাই। এই গোটেই বিজ্ঞাপন দিয়াৰ পিছতো এইখিনি নহ'ল। ব্যক্তিগতখণ্ডৰ উদ্যোগীক আকৰ্ষণ কৰিবলৈ নমামী ব্ৰহ্মপুত্ৰৰ লগত সংগতি ৰাখি ০৩-০৪-২০১৭ চন তাৰিখে আমাৰ চৰকাৰৰ দিনত, এখন চেমিনাৰো পতা হৈছিল। তাত বিভিন্ন উদ্যোগী উপস্থিত আছিল. যদিও কোনো এজন উদ্যোগীয়ে মৰাপাট উদ্যোগ স্থাপনৰ ক্ষেত্ৰত আমাৰ লগত বৰ্তমান সেই সময়ত যোগাযোগ কৰা নাছিল যদিওঁ বিভিন্ন মৰাপাটৰ উদ্যোগীয়ে আমাৰ লগত যোগাযোগ কৰি আছে।

শেহতীয়াকৈ Advantage Assamৰ লগত সংগতি ৰাখি কলকতাৰ পৰা এটা ব্যক্তিগত প্ৰতিষ্ঠানে মৰাপাট উদ্যোগ গঢ়িবলৈ আগ্ৰহ প্ৰকাশ কৰি ধিঙৰ মাটিডোখৰ পৰিদৰ্শন কৰিছিল আৰু তেওঁলোকৰ চৰ্তাৱলী, যিখিনি তেওঁলোকে কণ্ডিশ্যন দিছে সেই গোটেইখিনি বৰ্তমান বিবেচনাধীন হৈ আছে।

উল্লেখনীয় যে প্ৰস্তাৱিত উদ্যোগ, গুৱাগাছাটো সমবায়ভিত্তিত সমবায় বিভাগৰ অধীনত স্থাপন কৰিবলৈ সিদ্ধান্ত কৰা হৈছিল।

সমবায় বিভাগে **২৬-৫-১৯৭৪**,ত **৭৪** টো আমাৰ চৰকাৰৰ নাছিল। অধ্যক্ষ ডাঙৰীয়া, **২৬-৫-১৯৭৪** তাৰিখে হোৱা আলোচনা মৰ্মে **২১** জনীয়া সমিতি এখন গঠন হৈছিল। তেতিয়াৰ বিধায়ক আতাউৰ ৰহমান ডাঙৰীয়াক সভাপতি হিচাবে নিৰ্বাচন কৰা হৈছিল। সমিতি খন **২৭-৫-১৯৭৪**

তাৰিখে পঞ্জীয়ণ কৰা হৈছে। এই সমিতিখনৰ অধীনত গোৰাগাছাত **১০৬** বিঘা মাটি মৰাপাটৰ খেতিৰ বাবে কাৰখানাটো স্থাপন কৰিবলৈ লোৱা হৈছিল। কিন্তু যথা সময়ত এই মাটিত কোনো যথোপযুক্ত কাম নকৰাৰ বাবে তদানীন্তন উপায়ুক্তই মাটিৰ আৱন্টন বাটিল কৰি দিয়ে। উদ্যোগটো কৰিম বুলি কলে, একো নকৰাৰ কাৰণে মাটি বাতিল কৰি দিয়ে। গতিকে এই বিলাক আমাৰ চৰকাৰৰ দিনত নহয়। **১৯৭৪** চৰকাৰে **২০০৮** চনৰ আগষ্ট মাহত **৩০০** বিঘা মাটি দৰং জিলাৰ দলগাওঁ ৰাজহ চক্ৰৰ ঘেনামাৰিত মৰাপাট উদ্যান বনাবৰ বাবে আৱন্টন দিছিল। এইটো **২০০৮**, আমাৰ চৰকাৰ নাই তেতিয়া। কিন্তু মাটি বেদখলৰ বাবে বিভাগীয় কৰ্তৃপক্ষই অসম উদ্দ্যোগিক উন্নয়ণ নিগমক হস্তান্তৰ কৰিব নোৱাৰিলে। স্থানীয় ৰাইজে মৰাপাট উদ্যোগ স্থাপনৰ বিৰুদ্ধে মহামান্য উচ্চতম ন্যায়ালয়ত এক গোচৰ ৰজু কৰে, আৰু মহামান্য উচ্চতম ন্যায়ালয়ে বিষয়টোৰ সৰ্ন্দভত স্থিতাৱস্থা বাহাল ৰাখিবলৈ হুকুম জাৰি কৰে। অধ্যক্ষ মহোদয়, আমাৰ বিনন্দ শইকীয়া ডাঙৰীয়াই যিটো বিষয় আনিছে, মই ভাল পাইছো, বিষয়টো অনাৰ কাৰণে, আৰু এইটো দৰকাৰী, খেতিয়কৰ লগত জড়িত বিষয়। মৰাপাটৰ খেতিয়ক সকলে দাম নাপায়, আৰু সেই কাৰণে আমি এই বিষয়টো গুৰুত্বসহকাৰে লৈছো। আমি আশা ৰাখিছো যে, আগন্তুক দিনত, অসমৰ মৰাপাট খেতিয়ক সকলে যাতে তেওঁলোকে উচিতBuy back policy এটা হয়, এটা উদ্যোগ হলে গতিকে তেনেকুৰা ধৰণৰ ব্যৱস্থা কৰিবলৈ আমাৰ উদ্যোগ বিভাগে ব্যৱস্থা গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ**Thank you

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ**- চাৰ, চাৰ ধিংৰ টো Confirm আশা কৰিব পাৰিনে, মন্ত্ৰী মহোদয়।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ**- অধ্যক্ষ মহোদয় আপোনাৰ লগতো মই আলোচনা কৰা নাই। আঙুৰলতাৰ লগতো আলোচনা কৰা নাই, কিন্তু মই তাতে মানুহ পঠিয়াই দিছো। উদ্যোগ বিভাগৰ বিষয়া পঠাইছো। উদ্যোগপতি সকলে তেওঁলোকৰ যিখিনি মতা-মত সেইখিনি তেওঁলোকে যে ধিঙত কৰিবনে নাই। ধিঙত যিখন মৰাপাট পাৰ্কৰ নিচিনা আছে, সেইখন কিবা এটা কৰাৰ কাৰণে আমি বহুত চেষ্টা কৰি আছো। আমি চাই লওঁ কি কৰিব পাৰো। আজি মই কৈ দিব নোৱাৰো। যিটো পাৰ্টী তাত পথালো, সেইটো আপুনিও নাজানে, আঙুৰলতায়ো নাজানে। আঙুৰলতা ডেকাই যেতিয়া মোক লগ পাই তেতিয়াই কয় দাদা মোৰ টো কি হব। এইটো কৰিব লাগে। এইদৰে মোক সদায় কৈ থাকে। গতিকে প্ৰশ্নটো হৈছে, এইটো আমি পঠাইছো আৰু তেওঁলোকে এইটো ভিজিট কৰি আহিছে। লগত আমাৰ উদ্যোগ বিভাগৰ বিষয়া আছিল। তেওঁলোকৰ মতা-মত এতিয়া আমি জানি লওঁ কি কৰে। কিন্তু আমাৰ চেষ্টাটো অব্যাহত আছে। তাতে মৰাপাটৰ উদ্যোগ হব লাগে। এইটো কথা আমাৰ আছে কিন্তু আজি মই নকওঁ যে যিটো পাৰ্টী তাত গৈছে, তেওঁলোকে তাতে কৰিবনে? কাৰণ তেওঁলোকৰ মতা-মতটো এতিয়ালৈকে জনা নাই। মুঠতে ধিংৰ যিখিনি মাটি আপোনালোকে দেখি দেখি, ইমান দিনৰ পৰা মাটিখিনি পৰি আছে, প্ৰায় **১৯৯৭** মানৰ পৰা মাটিখিনি পিৰি আছে বা **৮৭** মানৰ পৰা, এই মাটিখিনিত যদি এটা উদ্যোগ হব পাৰে, তাৰ কাৰণে আমি উদ্যোগ বিভাগে এটা চেষ্টা চলাই আছো।

**শ্ৰী গুৰুজ্যোতি দাস, সদস্য ঃ**- আমাৰ দৰং আৰু মঙ্গলদৈটো মাটিখিনি আছিল।

**মাননীয় অধ্যক্ষ ঃ**- ঠিক আছে । হব ,আমাৰ List of busines ৰ **২** নং লৈ যোৱাৰ আগত মই এখন নটিচ পাইছিলো যোৱাকালি আব্দুল খালেক ডাঙৰীয়াৰ পৰা সভাস্থগিত প্ৰস্তাৱৰ ওপৰত। মই এইখনৰ সম্পৰ্কত এইটোৱেই ক'ব বিচাৰিছে, যে A notice of an Adjournment

Motion Under Rule 56 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly given by Shri Abdul Khaleque and Shri Kamalakhya Dey Purkayastha was received in the office of the Principal Secretariat at 8 A.M. today the 22nd February, 2018. It has been informed that a businessman nearby the Hatigaon Police Station was killed last night alleging to claim detoriation of law and order in the state and hence requested to raise the Adjournment Motion.অসমীয়াত তেখেত সকলৰ প্ৰস্তাৱটো মই অসমীয়াত পঢ়ি দিছো। তেখেত সকলৰ সভা স্থগিত প্ৰস্তাৱটো আছিল বিধান সভাৰ অধিবেশন চলি থাকোতে **২১** ফেব্ৰুৱাৰীৰ নিশা ৰাজধানী চহৰৰ হাতীগাওঁ থানাৰ তেনেই সমীপতে সংঘটিত এজন ব্যৱসায়ীৰ হত্যাই প্ৰমান কৰে যে ৰাজ্যখনৰ আইন শৃঙ্খলা পৰিস্থিতিৰ চূড়ান্ত অৱনতি হৈছে; গতিকে বিধান সভাৰ অধিবেশনৰ আজিৰ দিনটোত সকলো কাৰ্য্যসূচী বাতিল কৰি আমাৰ দ্বাৰা উত্থাপিত সভাস্থগিত প্ৰস্তাৱটো আলোচনা কৰিব লাগে। মই এই ক্ষেত্ৰত Kaul & Shakdher ৰ বিভাগৰ পৰা মই এটা কথা পঢ়ি দিব খুজিছো The crucial test always in regard to Adjournment motion is as to whether the question proposed to be raised has arisen suddenly and created an emergent situation of such a character that there is a prima facie case of urgency and House must therefore leave aside all other business and take up the consideration of the urgent matter at the appointed Hour. The urgency must be of such a character that the matter relay brooks no delay. একেবাৰে এই কথাটো সম্পূৰ্ণ clean হৈ আছে। Therefore, the matter of Adjournment motion could have been raised. যিটো আনিছে by different devices as there is ample scope for using the different procedural devices as rightly mentioned in the kaul & Shakdher. ইয়াত কৈছে যে A matter even of very recent occurrence is not urgent if an opportunity for its discussion will arrive in the ordinary course of business within a reasonably short time. মই সেই কাৰণে আজি কৈছিলো যে Zero Hour আজি আছিল A notice could have given আৰু মই আগতেওঁ কৈছো law and order ৰ কথা নে গোটেই অসম ৰাজ্যখন ভাগি পৰিছে তেনেকুৱা ধৰণৰ কথা হোৱা নাই। In view of the above, the adjournment motion appears to be not in order as such I disallow the notice of the Adjournment motion.

**শ্ৰীপবিন্দ্ৰ ডেকা, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি মই শূণ্যকালীন ঘণ্টাত অসমত দৰিদ্ৰৰ সংখ্যা বৃদ্ধিহে পাইছে শীৰ্ষক এটা বিষয় উত্থাপন কৰিছিলো। আজি উত্তৰ দিয়াৰ কথা আছিল।

**মাননীয় অধ্যক্ষ ঃ-** তেখেতে যদি লৈ আনিছে উত্তৰটো দিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী,মন্ত্ৰীঃ-** অধ্যক্ষ মহোদয়, আমাৰ ৰুৰেল ডেভেলপমেন্ট আৰু

ৰেভিনিউবিভাগ এই দুয়োটা মিলি অহা কালি statement টো মোক দিব, তেওঁলোকে মোক জনাইছে । কাৰণ তেওঁলোকৰ দুয়োটা বিভাগৰে তথ্য আনিব ,গোটেই অসমৰ তথ্য আনিব লাগে গতিকে তেওঁলোকক অলপ সময় লাগে। এইটো কালি দিয়া হব।

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া কাৰ্য্যসুচী নং **২** মাননীয় সদস্য বিমল বৰাই **৫৪**, Oil India Limited সম্পৰ্কত যিটো বিষয় আছে উত্থাপন কৰিব।

**শ্ৰী বিমল বৰা, টিংখং ঃ-** মাননীয় অধ্যক্ষ মহোদয়,বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ **৫৪** নিয়মৰ অধীনত মই যি বিষয় বানিজ্য আৰু উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ক মনোযোগ আৰ্কষণ কৰিব বিচাৰিছেলো সেইটো উত্থাপন কৰিবলৈ দিয়াৰ বাবে মই ধন্যবাদ জনাইছো।মাননীয় অধ্যক্ষ মহোদয, সময়ে সময়েঅইল অধ্যুষিত উজনি অসমৰ বিভিন্ন অঞ্চল সমুহৰ অভিযোগ উত্থাপন কৰি আহিছে, বিশেষকৈ চাহ বাগিচা অঞ্চলত বসবাস কৰি থকা লোক সকলে। Social Co-operate Social responsibility নিয়মৰ অধীনত কোম্পানী সমুহে যেনেধৰণে অঞ্চল সমুহৰ জনসাধাৰণক জীৱনৰ মানদণ্ড উন্নয়নৰ ক্ষেত্ৰত মনোযোগ দিব লাগিছিল সেই ক্ষেত্ৰত বিশেষকৈ চাহ বাগিচা অধ্যোশিত অঞ্চল  সমুহত যি অঞ্চল সমুহৰ কাষত অইলে খনন, উৎপাদন কাৰ্য্য অব্যাহত ৰাখিছে। সেই অঞ্চলৰ জনসাধাৰনৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষ মনোযোগ দিয়া  পৰিলক্ষিত হোৱা নাই।  মাননীয় অধ্যক্ষ মহোদয়, বৃটিছে**১৮৮৯** চনত পোন প্ৰথমে ডিগবৈত তেলৰ সন্ধান পাইছিল। পৰ্য্যায় ক্ৰমে নতুন নতুন তৈলক্ষেত্ৰ আৱিস্কাৰ হ'ল। এই নতুনকৈ আৱিস্কাৰ হোৱা তৈলক্ষেত্ৰৰ বাবে development আৰু  production  ৰ বাবে Oil India Private Limited গঠন হয় **১৯৭৯** চনত আৰু **১৯৬১** চনত Govt of India আৰু Burma Oil Company  ৰ মাজত বুজাবুজিৰ জড়িয়তে অসমৰ লগতে ভাৰত বৰ্ষৰ বিভিন্ন স্থানত অইলে তেল  অন্বেষনৰ, খননৰ কাম-কাজ আৰম্ভ কৰিলে। পৰৱৰ্তী পৰ্য্যায়ত Oil India Limited ভাৰত চৰকাৰে এটা সংস্থা হিচাপে পৰিগনিত হয়। আৰু Oil India Limited ৰ যি গৌৰৱ উজ্জল ইতিহাস কেৱল  মাত্ৰ নাহকতীয়া, মৰাণ, অৰুনাচল  তে নাথাকি ৰাজস্থান ইত্যাদি ইত্যাদি ৰাজ্যসমুহলৈ সম্প্ৰসাৰিত হোৱাৰ লগতে বিদেশতো Oil India Limited  যে বিস্তাৰ কৰিবলৈ সক্ষম হব। গতিকে নিশ্চিত ভাবে বিভিন্ন পৰ্য্যায়ত ভাৰত চৰকাৰৰ কোম্পানী সমুহৰ ভিতৰত Oil India Limited ও গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান আৰু ভাৰতবৰ্ষৰ কোম্পানী আইন **২০১৩** মতে যি কোনো কোম্পানীৰ সম্পত্তিৰ মুল্য  **৫শ** কোটিতকৈ অধিক হয়। আৰু বাৰ্ষিক ব্যৱসাযিক. লেনদেন এহেজাৰ কোটিতকৈ অধিক হয়  তেতিয়া লাভৰ  **২** শতাংশ সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত কোম্পানী সমুহে ব্যয় কৰিব লাগে আৰু Oil India Limited যে বছৰি প্ৰায় **৩.৩** মিলিয়ন মেট্ৰিকটন  তেল উৎপাদন কৰিবলৈ সক্ষম হৈছে। প্ৰায় **২৬২৬** mm/stm গেছ উৎপাদন কৰিবলৈ সক্ষম হৈছে। গেচ উৎপাদনৰ উপৰিও অইল ইণ্ডিয়া লিমিটেডে ডুলিয়াজান,বাৰাউনি তৈল পৰিবাহী পাইপলাইন, নুমলীগড়, শিলিগুৰি প্ৰডাক্ট পাইপলাইন ইত্যাদি কাম-কাজো তেওঁলোকে কৰি আছে । নুমলীগড় ৰিফাইনেৰীটো প্ৰায় ২৬ শতাংশ চেয়াৰ অইল ইণ্ডিয়া লিমিটেডৰ আছে । BCPL টো প্ৰায় ১০ পাৰচেন্ট  অইল ইণ্ডিয়া লিমিটেডৰ চেয়াৰ আছে । আৰু এনেধৰণে অইল ইণ্ডিয়া লিমিটেডে সমগ্ৰ দেশজুৰি এই ব্যবসায়-বাণিজ্য কৰিবলৈ সক্ষম হৈছে । নিশ্চয় এইটো আমাৰ দেশখনৰ কাৰণে এটা ভাল কথা।  তাৰ ফলশ্ৰুতিত তেখেত সকলে প্ৰায় বছৰি ২০০০ কোটিতঙৈ অধিক লাভ অৰ্জন কৰিবলৈ সক্ষম হৈছে । মাননীয় অধ্যক্ষ মহোদয়, এই কাৰ্যসমূহ অইল ইণ্ডিয়াই কৰিবলৈ যাওতে বিভিন্ন তৈলক্ষেত্ৰ

সন্ধান কৰিবলগা হয় আৰু এইটো কৰিবলৈ যাওতে বিশেষকৈ উজনি অসমত বহুত চাহবাগিচাৰ মাটি অধিগ্ৰহণ কৰি তেখেতসকলে তেওলোকৰ উৎপাদনৰ কাম আৰম্ভ কৰে। এখন তৈলক্ষেত্ৰ প্ৰতিষ্ঠা কৰিবৰ কাৰণে ২০ৰ পৰা ৩০ বিঘা মাটিৰ আৰশ্যক হয় । নিয়ম অনুযায়ী সেইসমূহ অধিগ্ৰহণ কৰে আৰু সেই যি অঞ্চলত তৈলখাদ সমূহ প্ৰতিষ্ঠা কৰা হয় যাৰ ফলত তাৰ দাঁতিকাষৰীয়া অঞ্চলৰ জনসাধাৰণে যথেষ্ট সমস্যাৰ সন্মুখীন হ'বলগীয়া হয় । ৰাজ্যখনৰ তথা দেশৰ অৰ্থনীতি শক্তিশালী হোৱাৰ ক্ষেত্ৰত উদ্যোগৰ প্ৰয়োজনীয়তা অৱশ্যেই আছে। উজনি অসমৰ আৰ্থ-সামাজিক দিশ, সামাজিক বাতাৱৰণ বহু কথা আজি বিগত দিনত যথেষ্ট উন্নত পৰ্যায়লৈ যাবলৈ সক্ষম হৈছে। কাৰণ এই প্ৰতিষ্ঠানটোৰ লগত উজনি অসমৰ লগতে অসমৰ বিভিন্ন প্ৰান্তত নিবনুৱা যুৱক-যুৱতী সকলে সংস্থাপন পাবলৈ সক্ষম হৈছে। বিভিন্ন উন্নয়ন মূলক আঁচনি তেওঁলোকে বিগত দিনত বহন কৰি আহিছে কিন্তু মই আজি বাণিজ্য আৰু উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰি ক'ব বিচাৰিছো যে যদিও তেখেত সকলে জন কল্যাণ মূলক বিভিন্ন আঁচনি গ্ৰহণ কৰি আহিছে, আমি দেখিবলৈ পাইছো মোৰ সমষ্টি তে প্ৰায় বহু কেইখন চাহ-বাগিচা অইল ইণ্ডিয়া লিমিটেডৰ তৈল ক্ষেত্ৰৰ একেবাৰে কাষতে লাগি আছে। বিশেষকৈ সৰোজনী, কৰঙানী, নীলমনি, কেন্দুগুৰি, টিংখাং, ৰাজগড়, ডিক্‌চাম, আজিজ বাগ আদি বহু চাহ বাগিচাৰ মাটি অধি গ্ৰহণ কৰি অইল ইণ্ডিয়া লিমিটেডে উৎপাদনৰ কাম অব্যাহত ৰাখিছে। কিন্তু সেই খাদ অৱস্থিত বাগিচা সমূহৰ কাষত সাধাৰণতে বিশেষকৈ বাগিচাৰ স্থায়ী কৰ্মচাৰী, শ্ৰমিক সকলে থকা লাইন গাতে লাগি আছে। মই আপোনাক জনাব বিচাৰিছো যে সৰোজনী চাহ বাগিচা আৰু কৰঙানি চাহ-বাগিচাত ইতিমধ্যে উৎপাদনৰ কাম অব্যাহত ৰখা যি দুটা খাদ আছে সেই খাদ দুটাৰ পৰা সৰোজিনী আৰু কৰঙানি লাইনৰ দূৰত্ব ১০০ ৰ পৰা ২০০ মিটাৰৰ ভিতৰত। কিন্তু বিশেষকৈ বাৰিষা কালত সেই অঞ্চলৰ শ্ৰমিক সকলৰ জীৱনৰ মান দণ্ড উন্নীত কৰণৰ ক্ষেত্ৰত অইল ইণ্ডিয়া লিমিটেডে যেনে ধৰণে গুৰুত্ব প্ৰদান কৰিব লাগিছিল সেইটো আমি দেখা পোৱা নাই। এই ক্ষেত্ৰত আমি বিগত দিন বিলাকত OIL কৰ্তৃপক্ষৰ দৃষ্টি গোচৰ কৰিছো। OIL ইণ্ডিয়া লিমিটেডক বিভিন্ন কাম-কাজত জন সাধাৰণৰ লগতে জন প্ৰতিনিধিয়েও বিভিন্ন সহায় -সহযোগিতা কৰি আহিছো। বিভিন্ন সময়ত অইল ইণ্ডিয়া লিমিটেডে বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব লগা হয়। দেশৰ এটা আগশাৰীৰ প্ৰতিষ্ঠান হিচাপে তেখেত সকলে সন্মুখীন হোৱা এই সমস্যা সমূহ সমাধান কৰাৰ বাবে এগৰাকী জন প্ৰতিনিধি হিচাপে আমিও দায়বদ্ধ আৰু তাৰ বাবে কেতিয়াবা শাৰীৰিক ভাৱে উপস্থিত থাকিব লগীয়া হয়। তেওঁলোকে সন্মুখীন হোৱা সমস্যা সমূহৰ পৰা যাতে পৰিত্ৰাণ পায় সেই ক্ষেত্ৰত আমি অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছো। তাৰ বাবে আমি জনসাধাৰণৰ লগতে বিভিন্ন দল-সংগঠনৰ লগত আলাপ-আলোচনাত মিলিত হওঁ। তেতিয়া আমাক জনসাধাৰণৰ লগতে সেই দল-সংগঠন সমূহে কিছু কথা অৱগত কৰে যে জন কল্যাণ মূলক আঁচনিৰ অধীনত আমি অইল ইণ্ডিয়াৰ পৰা সহায় পাবলৈ কিছু আবেদন নিবেদন আৰু অনুৰোধ কৰিছিলো। কিন্তু তেখেত সকলে আমাক গুৰুত্ব নিদিয়ে,সেই কাৰণে আজি আমি এই অৱস্থাত থাকিবলগীয়া হৈছে ।। গতিকে মই অনুভৱ কৰো যে দেশৰ এটা আগশাৰীৰ উদ্যোগ হিচাপে ভাৰত চৰকাৰৰ এই প্ৰতিষ্ঠানটো আমি আগুৱাই লৈ যাবই লাগিব। এই ক্ষেত্ৰত চৰকাৰ, জনসাধাৰণ আৰু জন প্ৰতিনিধিৰো কৰণীয় আছে কিন্তু তাৰ লগে লগে নিয়ম-আইন অনুসৰি কোম্পানী সমূহে যেনে ধৰণে সামাজিক দায়বদ্ধতা লৈ সহায়-সহযোগৰ মাজেৰে কাম কৰিব লাগে আৰু আমি সেইখিনি সমান্তৰাল ভাৱে আগুৱাই লৈ যোৱাটো বিচাৰো। আমি সকলোৱে জানো, যেতিয়া বৃটিছে অসমত চাহৰ খেতি আৰম্ভ কৰিছিল, বংশানু ক্ৰমিক ভাৱে সেই

বাগিচা সমূহত চাহ- শ্ৰমিক সকলে কাম কৰি আছে আৰু যেতিয়া তৈল ক্ষেত্ৰৰ সন্ধানত অইল ইণ্ডিয়া লিমিটেডএ সেই বাগিচা সমূহ অধিগ্ৰহণ কৰিব লগীয়া হয় তেতিয়া বাগিচাৰ পৰিসৰ কমি আহে। তাৰ লগে লগে এই শ্ৰমিক সকলো নিশ্চিত ভাৱে সমস্যাৰ সন্মুখীন হয়।গতিকে সেই শ্ৰমিক সকলৰ জীৱনৰ মানদণ্ড বেলেগ ধৰণে আগুৱাই লৈ যাব পাৰো এই ক্ষেত্ৰতো কিছু মনোযোগ দিয়াৰ প্ৰয়োজন আছে। আমি চাহ-বাগিচাৰ জন সাধাৰণৰ কথা বিধান সভাৰ মজিয়াত আলোচনা কৰো। সেই সকল লোকৰ জীৱনৰ মানদণ্ড আন সমাজতকৈ অলপ হ'লেও নিম্ন স্তৰৰ। শিক্ষাৰ ক্ষেত্ৰতেই হওঁক বা স্বাস্থ্যৰ ক্ষেত্ৰতেই হওঁক সেই সকল লোককো আমি সমান ভাৱে আগুৱাই লৈ যাব লাগিব। আৰু এই ক্ষেত্ৰত মই ভাৱো চৰকাৰে নিশ্চয় উদ্যোগ গ্ৰহণ কৰিছে। অইল ইণ্ডিয়া লিমিটেডৰ বিশেষকৈ টিংখং সমষ্টিত চাহ-বাগিচা অঞ্চলৰ কাষতে যি সমূহ তৈল ক্ষেত্ৰ আছে সেই চাহ-বাগিচাৰ জনসাধাৰণৰ উন্নয়নৰ কাৰণে Health care sanitation, শিক্ষা, খেল, দক্ষতা বিকাশ, খোৱা -পানী আৰু তেখেত সকলৰ বিশেষকৈ বাট-পথৰ যি সমস্যা আছে সেই ক্ষেত্ৰত কিছু মনোযোগ দিবলৈ মই মাননীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰীক অনুৰোধ জনাইছো আৰু আশা ৰাখিছো আমি সকলোৱে মিলি অইল ইণ্ডিয়া লিমিটেড ক আগুৱাই লৈ যাব পাৰিম আৰু অইল ইণ্ডিয়া লিমিটেডেও আমাৰ জনসাধাৰনৰ মনৰ কথা, আশা- আকাংক্ষা খিনি কিছু পৰিমাণে হ'লেও পূৰ্ণ কৰিবলৈ যত্ন পৰ হ'ব। তাকে আশা কৰি এই বিষয়টো যথেষ্ট গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিবলৈ মই বাণিজ্য আৰু উদ্যোগ মন্ত্ৰীক আহ্বান জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, বাণিজ্য আৰু উদ্যোগ ইত্যাদিঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য শ্ৰী বিমল বড়া ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে এই বিষয়টোৰ ওপৰত আমাৰ চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। সেইকাৰণে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪নং নিয়ম অনুসৰি আমি আমাৰ ফালৰ পৰা এটা বিবৃতি দিব বিচাৰিছো। মাননীয় উপাধ্যক্ষ মহোদয় প্ৰথম কথাটো হ'ল যে আমাৰ বৰা ডাঙৰীয়াই যিখিনি কথা কৈছে, মই মন দি শুনিছো আৰু সেই সম্পৰ্কত আমি Oil India ৰ লগত নিশ্চয় কথা পাতিম। যিবিলাক অঞ্চলত Oil India ৰ presently oparating field আছে, সেই ফিল্ড্ সমূহত থকা এই ক্ষেত্ৰসমূহত Oil India CSR fundৰ যাতে তেওঁলোকে provide কৰে। যেনে sanitation, খোৱাপানী, ৰাস্তা বা অন্যান্য যিখিনি প্ৰয়োজন হয়, সেইখিনি যদি পৰ্য্যাপ্ত হোৱা নাই তেওঁলোকক পৰ্য্যাপ্ত কৰাৰ কাৰণে নিয়মৰ ভিতৰত যিখিনি পৰে, যিটো শতাংশ তেওঁলোকে CSR ত খৰচ কৰিব পাৰে সেই সম্পৰ্কে মই আমাৰ উদ্যোগ বিভাগৰ ফালৰ পৰা আমি Oil India ৰ চি এম ডি আৰু তেওঁলোকৰ বিষয়াসকলৰ লগত কথা পাতিম। আৰু মই ভাৱো যে আগন্তুক দিনত Oil India. ই যিখিনি ৰাজহুৱা কাম সেই অঞ্চলবোৰত যেনেকৈ যেনে Oil sound pollution আৰু অন্যান্য pollution যিবিলাক আছে সেই গোটেই কথাবিলাক আছেই। তথাপিও Oil India আমাৰ অসমত জন্ম লোৱা এটা অনুষ্ঠান আৰু অনুষ্ঠানটোৰ প্ৰতি ৰাইজে মৰমৰ চকুৰে চাই আছে আৰু ৰাইজে সকলো ধৰণৰ সহযোগীতা কৰি আছে। বৰা ডাঙৰীয়াই ঠিকেই কৈছে যে Oil India আমাৰ নিজৰ অনুষ্ঠান। আমি ইয়াক জীয়াই ৰাখিব লাগিব। আমাৰ ৰাইজে Oil Indiaৰ যিখিনি অসুবিধা আছে, তেওঁলোকৰ সেই নুন্যতম অসুবিধা খিনি চোৱাটো দৰকাৰ। নিযুক্তিৰ পৰা আৰম্ভ কৰি আমাৰ যিখিনি উন্নয়ণমূলক কাম তেওঁলোকৰ CSR ফাণ্ডৰ পৰা যাতে কৰে। সেইটো তেওঁলোকে কৰিব লাগে। দুয়োটা সমানে

আমি একগোট হৈ আগবাঢ়িব লাগিব। বৰা ডাঙৰীয়া আপোনাক প্ৰতিশ্ৰুতি দিছো দুই-এদিনৰ ভিতৰতে CMD ৰ লগত কথা পাতিম।

**শ্ৰী বিমল বৰা (টিংখং) ঃ** ছাৰ, বাগিছাৰ বিষয়ে আলোচনা কৰিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী(সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** ঠিক আছে, বাগিছাৰ বিষয়ত কথা পাতিম। দুই-এদিনৰ ভিতৰতে কথা পাতি আপোনাক জনাম। চি এম ডিৰ লগত কথা পাতিম তেওঁ যদি ভাৰতত আছে, তেতিয়াহ'লে আজিকালিৰ ভিতৰতে কথা পাতি আপোনাক জনাম। যিহেতু আপোনাৰ সমষ্টিভিত্তিক বিষয়টো । আৰু অধ্যক্ষ মহোদয়, বাগিছা অঞ্চলৰ যিখিনি সমস্যা আছে সেই সমস্যাখিনিত দুটা কথা আছে। এটা কথা হ'ল, OIL India তাত কৰিব লাগিব. যিহেতু বাগিছাৰ ওচৰতে আছে তাৰ উপৰিও বাগিছাৰ কৰ্তৃপক্ষই আচলতে কিছু কিছু কাম কৰিব লাগিব। আমাৰ অসমত এনেকুৱা এটা অৱস্থা হৈছে যে অসমৰ চাহবাগিছা সমূহৰ যিখিনি সামাজিক সমস্যা থাকে, সেইবোৰৰ উন্নয়ণৰ ক্ষেত্ৰত সেই বাগিছা সমূহে এতিয়া CSR খৰচ কৰিব পৰা অৱস্থাত নাই কাৰণ লাহে লাহে Compltitive market হোৱাৰ বাবে আজি শ্ৰী লংকা, আফ্ৰিকা আদি দেশ সমূহত চাহ পাতৰ উৎপাদন বাঢ়ি গৈছে৷ যাৰ বাবে অসমৰ চাহ বাগান সমূহেও প্ৰতিযোগিতাত যাবলগীয়া হৈছে। গতিকে Oil Indiaৰ তৈল খাদ থকা ওচৰৰ বাগিছা সমূহৰ উন্নতিৰ কাৰণে মই Oil Indiaৰ কৰ্তৃপক্ষক জনাম। সৰোজনা, কৰডালী, নীলমণি, কেন্দুগুৰি, টিংখাং, ৰাজগড়, ডিকচাম, আজিজবাগ আদি বাগিচা সমূহত বসবাস কৰা লোক সকলে তৈলখাদ সমূহৰ পৰা হোৱা শব্দ প্ৰদূষণকে ধৰি অন্যান্য সমস্যাত আক্ৰান্ত হৈ থকা বুলি উত্থাপিত বিষয়টোৰ সন্দৰ্ভত অইল ইণ্ডিয়া লিমিটেডৰ কাম-কাজ Environment Protection Act,1986 ৰ দ্বাৰা নিয়ন্ত্ৰিত। অইল ইণ্ডিয়া লিমিটেডৰ তৈলখাদ সমূহত ব্যৱহৃত যন্ত্ৰ-পাতি বোৰ শব্দৰোধক ব্যৱস্থাযুক্ত তথা প্ৰয়োজন অনুসৰি তৈলখাদ সমুহত শব্দৰোধক বেৰ(wall) ৰ ব্যৱস্থা কৰা হয়।

অইল ইণ্ডিয়া লিমিটেড কৰ্তৃপক্ষই সময়ে সময়ে তৈলখাদ সমূহত তথা উৎপাদন ক্ষেত্ৰ সমূহত নিৰ্গত হোৱা শব্দৰ মাত্ৰা সম্পৰ্কত সমীক্ষা চলাই থাকে আৰু Environment Protection Act,1986 ৰঅনুসৰি শব্দৰ মাত্ৰা নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰে।

তৈলখাদ সমূহৰ পৰা ৩০০মিটাৰ দূৰত্বত বসবাস কৰা ক্ষতিগ্ৰস্ত লোকসকলক অইল ইণ্ডিয়াৰ নীতি অনুসৰি ex-gratia অনুদান দিয়াৰ ব্যৱস্থা আছে। তৈলখাদৰ পৰা দূৰত্বৰ ওপৰত নিৰ্ভৰ কৰি ক্ষতিগ্ৰস্ত লোকসকলক সৰ্বোচ্চ ৩০০০/ টকা আৰু সৰ্বনিম্ন ৮০০/ টকাকৈ দিয়াৰ ব্যৱস্থা আছে।এই সংক্ৰান্তত অইল ইণ্ডিয়া লিমিটেডৰ বিভিন্ন বিভাগৰ সদস্য তথা গাওঁৰ গাঁওবুঢ়াৰে গঠিত অনুশাসনমূলক গোটে লিখিত অভিযোগ সন্দৰ্ভত ক্ষেত্ৰভিত্তিক অনুসন্ধান চলায় আৰু অভিযোগ সত্য প্ৰমাণিত হ'লে যোগ্য ব্যক্তিলৈ ex-gratia ক্ষতিপূৰণ দিয়া হয়। আৰু বাকী যিখিনি CIS ৰ কথা কৈছে সেইখিনি মই কথা পাতিম আৰু মাননীয় সদস্য গৰাকীক জনাম আৰু আগন্তুক দিনত নিশ্চয় বাগিছা অঞ্চলত কিছু কাম কৰিব।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং-৩ অসম বিধান সভা প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ কাৰ্য্যাৱলী নিয়মাৱলীৰ নিয়ম Under special mention Rule 301ত শ্ৰী মৃণাল শইকীয়া, শ্ৰীমতী আঙুৰ লতা ডেকা, শ্ৰী প্ৰদীপ হাজৰিকা, শ্ৰী চুমু ৰংহাং আৰু শ্ৰী পবিন্দ্ৰ ডেকাৰ নামত ৫খন জাননী বাচনি কৰা হৈছে। এতিয়া প্ৰথমে মই আব্দুল খালেক ডাঙৰীয়াক তেওঁৰ বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো। subject ত আছে তেজপুৰ বিশ্ববিদ্যালয়ত অসমীয়া বিভাগ খুলিবলৈ ভাৰত চৰকাৰক দাবী জনাব লাগে।"

**শ্ৰী আব্দুল খালেক(জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৫ চনৰ ১৫ আগষ্টত এখন চুক্তি হৈছিল। ইয়াক আমি সকলোৱে অসম চুক্তি বুলি কওঁ। উপাধ্যক্ষ মহোদয়, সেই চুক্তিখন অসমত এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় নিৰ্মাণ কৰাৰ কথা কৈছিল। এখন নহয় তেতিয়াৰ কেন্দ্ৰীয় চৰকাৰে অসমত দুখন বিশ্ববিদ্যালয় স্থাপন কৰিলে। এখন অসম বিশ্ববিদ্যালয় আৰু এখন তেজপুৰ বিশ্ববিদ্যালয়. উপাধ্যক্ষ মহোদয়, তেজপুৰ বিশ্ববিদ্যালয়খন ব্ৰহ্মপুত্ৰ উপত্যকাৰ একমাত্ৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়। অসম চুক্তি হৈছিল জাতীয়তাবাদৰ ভিত্তিত। ছবছৰীয়া বিদেশী বহিষ্কাৰ আন্দোলনৰ পৰিসমাপ্তি হৈছিল। কিন্তু দুৰ্ভ্যগ্যজনক ভাৱে তেজপুৰ বিশ্ববিদ্যালয় স্থাপনৰ বহুদিন হ'ল। বিশ্ববিদ্যালয়খনে ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিছে। যিসকলে চুক্তি কৰিলে চুক্তিৰ ফলত এটা দলৰ জন্ম হ'ল, অসম গণ পৰিষদ। দহ বছৰ সেই দলটো ক্ষমতাত থাকিলে। কিন্তু তেজপুৰ বিশ্ববিদ্যালয়ৰ দুৰ্ভাগ্যজনক কথাটো হ'ল যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ যিটো জাতীয় অনুভূতি প্ৰকাশ কৰাৰ মাধ্যম, অসমৰ অসমীয়া ভাষা সেই বিশ্ববিদ্যালয়ত অন্তৰ্ভূক্ত কৰা নহ'ল। মই অসম গণ পৰিষদ দলক দোষাৰোপ কৰিব বিচৰা নাই। আমিও উপাধ্যক্ষ মহোদয়, কুৰি বছৰ চৰকাৰ চলালো , যিকোনো কাৰণতে হ'ল আমাৰ দিনত অন্তৰ্ভূক্ত নহ'ল। উপাধ্যক্ষ মহোদয় মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে সদনত এক সৰ্বসন্মত প্ৰস্তাৱ গৃহীত হ'ব লাগে যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ একমাত্ৰ বিশ্ববিদ্যালয়খনত যদি অসমীয়া বিভাগটো পঢ়োৱা নহয়, অসমীয়া বিভাগৰ গৱেষণা নহয়। তেনেহ'লে কথাটো ঠিক নহ'ব অধ্যক্ষ মহোদয়। সেয়েহে আমি অতি শীঘ্ৰে এটা প্ৰস্তাৱ ভাৰত চৰকাৰলৈ পঠিয়াব লাগিব।

( মাননীয় উপাধ্যক্ষ মহোদযৰ অধ্যক্ষতাত সদন পৰিচালনা)

**শ্ৰীআব্দুল খালেক, জনীয়া ঃ** ব্ৰহ্মপুত্ৰ উপত্যকাৰ একমাত্ৰ কেন্দ্ৰীয় বিশ্ব বিদ্যালয়। ৬ বছৰীয়া বিদেশী বহিস্কৰন আন্দোলনৰ পৰিসমাপ্তিত হৈছিল। কিন্তু দুভাগ্যজনক ভাবে তেজপুৰ বিশ্ববিদ্যালয় হোৱা বহু দিন হ'ল । বিশ্ব বিদ্যালয়খন ৰূপায়ন কৰা বহু দিন হ'ল। ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিছে। যিসকলে চুক্তি কৰিলে চুক্তিৰ ফলত এটা দলৰ জন্ম হ'ল। অসম গণ পৰিষদ, ১০ বছৰ সেই দলে ক্ষমতাত থাকিলে, কিন্তু তেজপুৰ বিশ্ব বিদ্যালয়ৰ দুৰ্ভাগ্যজনক কথাটো হ'ল যে, ব্ৰহ্মপুত্ৰ উপত্যকাৰ যি জাতীয় অনুভুতি প্ৰকাশৰ মাধ্যম, অসমৰ অসমীয়া ভাষা, সেই বিশ্ববিদ্যালয়খনত বিষয়টো অৰ্ন্তভূক্ত নহ'ল। মই অকল গণ পৰিষদ দলক দোষ দিব বিচৰা নাই। আমি উপাধ্যক্ষ মহোদয় কুৰি বছৰ চৰকাৰ চলালো। যিকোনো কাৰনত হওক আমাৰ দিনত অৰ্ন্তভূক্ত নহ'ল। উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম সদনত এক সৰ্ব্বসন্মত প্ৰস্তাৱ গৃহীত হ'ব লাগে যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ একমাত্ৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত যদি অসমীয়া বিষয়টো অৰ্ন্তভূক্ত নহয়, অসমীয়া বিষয়ৰ গবেষণা নহয় তেনেহ'লে কথাটো ঠিক নহ'ব উপাধ্যক্ষ মহোদয়। সেই কাৰণে সৰ্ব্বসন্মত প্ৰস্তাৱ আমি ভাৰত চৰকাৰলৈ পঠিয়াব লাগে যাতে অতি শীঘ্ৰে অসমীয়া বিভাগটো খোলা হয়। অসমীয়া বিষয়ৰ গবেষণা হয়। সেই কথাটো উপাধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো চৰকাৰক আৰু দ্বিতীয় কথাটো হৈছে উপাধ্যক্ষ মহোদয় ইউ জি চি। বিশ্ববিদ্যালয় অনুদান আয়োগ। ইউ জি চি য়ে উত্তৰ পূৰ্ব্বাঞ্চলৰ বিশ্ববিদ্যালয় সমূহক আমাৰ প্ৰাপ্য হিচাপে যি অনুদান দিব লাগে, সেই অনুদান আমি পোৱা নাই, আমাৰ প্ৰাপ্যতকৈ যথেষ্ট কম অনুদান আমি পাইছো। গতিকে অসম চৰকাৰে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰিব লাগে। ইউ জি চিৰ অনুদান আমাৰ প্ৰাপ্য, যিহেতু আমাৰ ৯০ঃ১০ কথা আছে। আমাৰ স্পেচিয়েল কেটেগৰিৰ কতা আছে। গতিকে আমি যদি আমাৰ প্ৰাপ্য নাপাওঁ এই কথাটো ঠিক নহয় । গতিকে

এই বিষয়টোৰ ক্ষেত্ৰত আমি ভাৰত চৰকাৰক অনুৰোধ কৰিব লাগে। উপাধ্যক্ষ মহোদয়,এই বিষয়ে নোটিছ দিয়া আমি কেইবাদিনো হ'ল, উধ্যক্ষ মহোদয়ে কৈছিল বিভাগীয় মন্ত্ৰী থাকিলে এলাও কৰিব। মই ভাবিছিলো আজি মন্ত্ৰী মহোদয় থাকিব কিন্তু বিভাগীয় মন্ত্ৰী মহোদয় আজি নাই। বিভাগৰ বিষয়াসকল আছেনে নাই? এতিয়া হয়তো সংসদীয় পৰিক্ৰমা মন্ত্ৰী মহোদয়ে উত্তৰ দিব। তেখেতক অনুৰোধ কৰিম, তেখেতেও যিহেতু এইটো অকল শিক্ষা বিভাগৰে কথা নহয়। এইটো আমাৰ জাতীয় ভাবাবেগৰ কথা । সংসদীয় পৰিক্ৰমা মন্ত্ৰী হিচাপেও যাতে তেখেতে টেক আপ কৰে। শিক্ষা মন্ত্ৰী মহোদয়েতো কৰিবই লগতে সংসদীয় প্ৰৰিক্ৰমা মন্ত্ৰী মহোদয়েও টেক আপ কৰি অতি সোনকালে অসমীয়া বিভাগটো তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত যাতে খোলা হয়। সেই অনুৰোধ আপোনাৰ জৰিয়তে জনালো।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, তেজপুৰ বিশ্ববিদ্যালয়ত অসমীয়া ভাষাৰ বিভাগ নাই এইটো আচৰিত কথা মই অনুভৱ কৰিছো, এইটোত আমাৰ চৰকাৰে চিৰিয়াচলী ল'ব লাগে।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় উপাধ্যক্ষ মহোদয়, খালেক ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে সেইটো ক্ষেত্ৰত আমিও বিচাৰো যে তাত অসমীয়া বিভাগ আৰু অন্যান্য ভাষা তাতে হ'ব লাগে। আৰু সেইটো কথাত আমি দ্বিমত নহয়। তাত আমি সেইটো কথাত একমত। এইটো বিষয়টো চৰকাৰে কৰা বিষয় নহয়। এইটো ইউনিভাছিটি গ্ৰেণ্ড কমিছনে কৰা বিষয়। গতিকে যিহেতু খালেক ডাঙৰীয়াই কথাটো আনিছে। আমি এইটো কথাত একমত। অসমীয়া ভাষা তাত হোৱাটো আমি বিচাৰো কিন্তু তাৰ কাৰনে বিধান সভাত সৰ্ব্বসন্মত প্ৰস্তাৱ ল'ব নালাগে। চৰকাৰৰ শিক্ষা বিভাগৰ ফালৰ পৰা ইউ জি চিলৈকে আৰু এটা এপিল কৰিম । আগতে ইউ জি চিয়ে হয়তো এই কথাটো বিবেচনা কৰা নাছিল, আকৌ যদি চৰকাৰৰ ফালৰ পৰা ইউ জি চিত এপিল যায় তেন্তে হয়তো ঠিক হৈ যাব । তাৰ কাৰণে সৰ্ব্বসন্মত সিদ্ধান্তৰ প্ৰস্তাৱ বিধান সভাই নল'লেও এইটো বিভাগীয় ভাবে টেক আপ কৰিব পৰা যাব ।

ইয়াত আমাৰ দ্বিমত নাই । এইটোৰে ক্ষেত্ৰত আমাৰ চৰকাৰৰ স্থিতি সম্পূৰ্ণভাৱে ক্লিয়েৰ কৰি দিলো। গতিকে বিষয়টো সন্দৰ্ভত মই চৰকাৰীভাবে এটা বিবৃতি দিব বিচাৰিছো।

" বিষয়টো সম্পৰ্কত চৰকাৰ অৱগত। তেজপুৰ কেন্দ্ৰী বিশ্ববিদ্যালয়ৰ পৰা পোৱা তথ্যমতে অসমীয়া বিভাগটো তেজপুৰ বিশ্ববিদ্যালয়ত নাই। কেন্দ্ৰী বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিয়ম অনুসৰি বিশ্ববিদ্যালয়ৰ পৰা অনুমতি পালেহে এটা বিষয়ত বিভাগ খুলিব পৰা যায়। তেজুপৰ কেন্দ্ৰীয় বিশ্ব বিদ্যালয়ে অসমীয়া বিভাগটো খোলাৰ বাবে বিশ্ববিদ্যালয়ৰ দ্বাদশ পৰিকল্পনাৰ অধীনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত প্ৰস্তাৱ দাখিল কৰিছিল কিন্তু গৃহীত নহ'ল।বৰ্ত্তমান তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত অসমীয়া ভাষা অধ্যয়ণ কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱৰ নামত এখন সুকীয়া আসন সংৰক্ষিত কৰিছে। য'ত উচ্চমানৰ গবেষণাৰ লগতে বক্তৃতা অধ্যয়ণ চ্ক্ৰ, আলোচনা চক্ৰ ইত্যাদি অনুষ্ঠিত হৈ আহিছে। ইয়াৰ ওপৰিও তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত দুৰ সংযোগী ডিচ্‌টেন্স এডুকেচনৰ মাধ্যমত অসমীয়া ভাষাৰ পাঠ্যক্ৰম চলিত বৰ্ষৰ পৰা আৰম্ভ হ'ব। উল্লেখযোগ্য যে বৰ্ত্তমানৰাজ্যখনৰ অসম বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়, বড়োলেণ্ড বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয়, কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যায়ন বিশ্ববিদ্যালয় তথা অসমৰ ২৫ খন মহাবিদ্যালয়ত অসমীয়া বিভাগৰ স্নাতকত্তোৰ পাঠ্যক্ৰম চলি আছে। আৰু বছৰি প্ৰায় ১৫০০ ছাত্ৰ ছাত্ৰী এই বিষয়টোত অধ্যায়ণ কৰে। ইয়াৰ ওপৰিও দুৰ সংযোগী মাধ্যমত কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইডলৰ যোগেদি

বছৰি প্ৰায় ৩ হাজাৰ ছাত্ৰ ছাত্ৰীয়ে অসমীয়া বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰম অধ্যায়ণ কৰি আছে। গতিকে উপাধ্যক্ষ মহোদয় এইটো ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা আমি বিবৃত্তি দিছো। আৰু চৰকাৰৰ ফালৰ পৰা আমি ইউ জি চিলৈকে এখন লেটাৰ নিশ্চয় লিখিম।

**শ্ৰীআব্দুল খালেকঃ** অধ্যক্ষ মহোদয় মই মন্ত্ৰী মহোদয়ৰ উত্তৰত সন্তুষ্ট নহয়। কাৰণ অসমীয়া বিষয়টো ব্ৰহ্মপুত্ৰ উপত্যকাতে নহয়, আনকি বৰাক উপত্যকাৰ শিলচৰৰ অসম বিশ্ববিদ্যালয়তো আছে। শান্তি নিকেতনৰ বিশ্বভাৰতীতো অসমীয়া বিভাগ আছে। দিল্লী বিশ্ববিদ্যালয়তো অসমীয়া বিভাগ আছে। চৰকাৰে বিভিন্ন বিশ্ববিদ্যালয়ৰ উদ্ধৃতি দি যিটো কৈছে , বিষয়টো লঘু কৰিবলৈ চেষ্টা কৰা হৈছে। ভাৰত চৰকাৰৰ লগত টেক আপ কৰিব লাগে । প্ৰয়োজন হ'লে বিধান সভাৰ অল পাৰ্টি টীম যাব লাগে । এইটো অকল ইউ জি চিৰ কথা নহয় ইউনিয়ন মিনিষ্টাৰ অৰ হিউমেন ৰিৰ্চচ ডেভলপমেন্টক আমি ভালকৈ ধৰিব লাগে। যিহেতু জাতি-মাটি আৰু ভেটিৰ চৰকাৰ।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, মই কথাটো কৈছো যে, টেক আপ কৰিম। আমি হিউমেন ৰিৰ্চচ মিনিষ্ট্ৰি, ইউ জি চিৰ লগত আমি টেক আপ কৰিম। এই কথাটোত আমি একমত। আমি জাতি মাটি আৰু ভেটীৰ স্বাৰ্থতে কাম কৰি আছো, এইটো কৈও যাম আৰু ভবিষ্যতেও সেইমতে আমি কামো কৰি যাম। এইটো কথা নতুনকৈ শিকাই দিব নালাগে আমাক। গতিকে অসমীয়া ভাষাটো তাত থাকিব লাগে এই বিষয়টো আমি টেক আপ কৰিম। ইমান স্পষ্টকৈ কোৱাৰ পিচত যদি আপুনি সন্তুষ্ট নহয় ,তেন্তে কেনেকৈ সন্তুষ্ট হ'ব আমাক বুজাই দিয়কছোন ? ( সদনত হাঁহিৰ ৰোল উঠে)

**মাননীয় উপাধ্যক্ষঃ** ঠিক আছে...। এতিয়া মৃনাল শইকীয়া আৰু শ্ৰীমতী আঙুৰলতা ডেকা ডাঙৰীয়ানী.. আপোনালোকৰ দুয়োজনৰে একেটা বিষয় আছে।.Uses of Sanitary Napkins by women . এতিয়া প্ৰথমে শ্ৰীমৃনাল শইকীয়া।

**শ্ৰীমৃনাল শইকীয়াঃ** মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰথমে ধন্যবাদ জনাইছো যে, আপুনি এটা অতি গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিবলৈ মোক অনুমতি দিলে। বিষয়টো আছিল যে, Menstrual Hygieneসেইটোৰ ওপৰত আমাৰ মাননীয়া সদস্যা আঙুলতা ডেকাই উত্থাপন কৰিছে আৰু মহিলাৰ চাবজেক্ট তেখেতে এই বিষয়ে নোটিছ দিয়া বুলি গম পোৱা হ'লে মই নিদিলোহেঁতেন, তথাপি মোৰ কিছু উপলব্ধি ক'ব বিচাৰিচো যিটো Menstrual Hygienity uses of Hygienec sanitary pads during Menstrual circle of women যিটো মহিলাৰ স্বাস্থ্যৰ কাৰনে অতিকৈ গুৰুত্বপূৰ্ণ সেই বিষয়টোত মোৰ ইমানদিনে দৃষ্টিগোচৰ হোৱা নাছিলে, এইটো মহিলাৰ বিষয় বুলি মই গুৰুত্ব দিয়া নাছিলো। কিন্তু ৰিচেন্টলী এখন চিনেমা চালো Pad Man নামৰ , তাত এই বিষয়টো ইমান সুন্দৰভাৱে উপস্থাপন কৰিছে আৰু Mr. Arunacharan -নামৰ এজন ব্যাক্তিৰ জীৱন বৃত্তিক লৈ কৈছিলে, যিজন ব্যাক্তিয়ে sanitary pads লৈ নিজে এটা struggle কৰিছিলে। তেতিয়াই মই বস্তুটো importan কথা বুলি অৰ্থাৎ uses of Hygienic sanitary pads ইয়াৰ ব্যৱহাৰৰ ওপৰত নিজে এটা কনচাৰ্ণ হলো। যেতিয়া মই Research কৰিলো তেতিয়া দেখিলো যে, 23rd Aprilত অসমতে এগৰাকী যুৱতীৰ মৃত্যু হৈছে G. talukdar বুলি ১৮ বছৰীয়া বৰমাৰ এগৰাকী ছোৱালী। তেওঁ গুৱাহাটী হস্পিটেলত আহি মৃত্যু হ'ল। তেখেতৰ মৃত্যু হোৱাৰ কাৰণ হ'ল তেখেতৰ মাহেকীয়া ঋতুস্ৰাৱৰ সময়ত এখন কাপোৰ ব্যৱহাৰ কৰিছিলে আৰু সেই কাপোৰখনৰ পৰাই এটা পেৰাচাইড তেখেতৰ শৰীৰত প্ৰৱেশ কৰিলে আৰু সেই পেৰাচাইডৰ আক্ৰমণতে মহিলাগৰাকীৰ মৃত্যু হ'ল। কিন্তু প্ৰথমে ভাবিছিল

যে, প্ৰেগনেন্সী হৈছে যিটো মানুহে লজ্জাবোধ কৰে যে বিয়াৰ আগতে যিটোত সামাজিক বাধা আছে। পেট বিষায়, যাৰ ফলত তেখেতে পলমকৈ হস্পিটেলত ভৰ্ত্তি হয়। তেখেতে আচলতে এখন আন হাইজেনিক কাপোৰ ব্যৱহাৰ কৰা বাবে তেখেতে মৃত্যুবৰণ কৰিব লগা হ'ল। তেনেদৰে বহু মহিলা -ছোৱালী আজি অসমত দুভাগ্যজনক মৃত্যুবৰণ হয়তো কৰি আছে আৰু আৰু জানিব পাৰিলো যে ভাৰতত শতকৰা ১২ শতাংশৰ পৰা ১৫ শতাংশ মহিলাহে এই Hygienic Sanitary pad ব্যৱহাৰ কৰে during their ciycle এইটো এটা অতি আশ্বৰ্য্যকৰ আৰু চিন্তনীয় বিষয় আৰু বিষয় হ'ল যে মোৰ গাওঁখন গোলাঘাট টাউনৰ পৰা ৫ কিলোমিটাৰ আতৰত। মই ফোন যোগে মহিলা গোট এটাক ক'লো যে চৰকাৰ ফালৰ মহিলাসকলৰ মাজত এটা survey লাগে যে আমাৰ গাওঁৰ মহিলাখিনি কিমানে Sanitary pad ব্যৱহাৰ কৰে। তেতিয়া এই গোটটোৱে তিনিশ মহিলাক সোধপোছ কৰিলে আৰু তাৰে ভিতৰত মাত্ৰ দহ গৰাকী মহিলাই regularly Sanitary pad ব্যৱহাৰ কৰে। আমাৰ গাওঁখনতে মাত্ৰ তিনি শতাংশতকৈ অলপহে বেছি। তাৰমানে national average তকৈ মোৰ গাঁৱত তাৰ ব্যৱহাৰতো কম হৈ আছে। কাৰণ হিচাপে দেখিলো যে অকল দৰিদ্ৰতাই নহয়, সজাগতাৰ অভাৱ। বহুতে কেতিয়াবা ব্যৱহাৰ কৰে, কেতিয়াবা নকৰে। এইটোক necessity বুলি নাভাৱে, luxury বুলি ভাৱে । যে এখন চফা কাপোৰ ব্যৱহাৰ কৰিব লাগে বা Hygienic pad ব্যৱহাৰ কৰিব লাগে, সেই কথাটো বহুতে অনুভৱ নকৰে। সেই কাৰণে মোৰ চৰকাৰৰ প্ৰতি অনুৰোধ যাতে আমাৰ যেনেকুৱা ধৰণৰ সজাগতা হ'ব লাগে, যেনেকৈ চিগাৰেট খালে বেয়া সেইটো যেনেকৈ advertise কৰো, no smoking board য'তে ত'তে দেখা পাও। এই Sanitary pad ব্যৱহাৰৰ ওপৰতো তেনেকুৱা ধৰণৰ এটা সজাগতাৰ সৃষ্টি কৰিব লাগে আৰু প্ৰয়োজন হ'লে subsidized যিখিনি দৰিদ্ৰ আছে, তেখেতসকলৰ কাৰণে subsidized sanitary pads ৰব্যৱস্থা আমি চৰকাৰে কৰিব লাগে। পাৰিলে public distribution system ৰ জৰিয়তেও আমি Sanitary pad distribute কৰিব লাগে।

বাকীখিনি কথা কবৰ কাৰণে আমাৰ মহিলা সদস্য শ্ৰীমতী অঙ্গুৰলতা ডেকাই কবলৈ ইচ্ছা কৰিছে, তথাপিও মোৰখিনিও কৈ মনৰ খু দুঁৰনি মাৰি দিলো আপোনালোকৰ আগত কৈ বাকীখিনি আমাৰ সদস্যা গৰাকীয়ে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া শ্ৰীমতী আঙ্গুৰলতা ডেকা।

**শ্ৰীমতী আঙ্গুৰলতা ডেকা, বটদ্ৰৱাঃ**মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰথমতে ধন্যবাদ জনাইছো এই পবিত্ৰ সদনত মহিলা স্বাস্থ্য সম্পৰ্কীয় এই বিষয়টো উত্থাপন কৰিব দিয়াৰ কাৰণে আৰু বহুত বহুত ধন্যবাদ জনাইছো আমাৰ সন্মানীয় সদস্য মৃণাল শইকীয়া ডাঙৰীয়াক যে তেখেতে পুৰুষ হৈও মহিলাৰ এনেকুৱা এটা issue ইয়াত আনিছে। উপাধ্যক্ষ মহোদয়, কেইদিনমানৰ আগত এখন হিন্দী ছবি মুক্তি পাইছিল "Padman" অক্ষয় কুমাৰ অভিনীত আৰু এই ছবি খনত মহিলাৰ এই স্বাস্থ্য, স্বচ্ছতা সম্পৰ্কীয় বিষয়টো ইমান সুন্দৰকৈ উত্থাপন কৰিছে আমি ইয়াৰ কাৰণে ধন্যবাদ জনাইছোঁ। কাৰণ কোনো ভাষাত বা কোনো পটভূমিত হয়তো এই বিষয় বস্তুলৈ আজিলৈকে এনেকুৱা ছবি নিৰ্মাণ হোৱা নাই। যিটো বিষয়বস্তু আমি সকলোৱে জানো, যিটো সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ লগত জড়িত। সেই বিষয়বস্তুটো আমি সকলোৱে জানি শুনিও কোনোৱে মুকলি মুৰীয়াকৈ আলোচনা নকৰো। হয়তো আজি ইয়াতে প্ৰথম এনেকৈ আলোচনা কৰা হৈছে। আমি সকলোৱে ঋতুচক্ৰৰ বিষয়ে জানো। কিন্তু সেই তিনিদিন বা চাৰিদিনত কি ব্যৱস্থা গ্ৰহণ কৰিলে আমাৰ কাৰণে ভাল আৰু কি ব্যৱস্থা আমাৰ স্বাস্থ্যৰ পক্ষে ক্ষতিকাৰক সেই বিষয় লৈ আমি কোনো ধৰণে সজাগ

নহয় বা আলোচনা নকৰো। মই নিজে এগৰাকী মহিলা, ঋতুস্ৰাৱৰ সময়ত সৰুৰে পৰা আমাক এনেকুৱা এটা লাজ, ভয়, সংকোচৰ পৰিবেশৰ মাজত হেঁচা মাৰি ৰখা হৈছিল যে এনেকুৱা লাগে যে আমি কিবা অসামাজিক কামত লিপ্ত হৈছো বা সেইটো হ'ব নালাগিছিল। এনেকুৱা এটা পৰিবেশৰ মাজত ৰখা হৈছিল। উপাধ্যক্ষ মহোদয়, গতিকে এই সম্পৰ্কত হয়তো সজাগ নোহোৱাৰ কাৰণে আমাৰ বা সেই সময়চোৱাত স্বাস্থ্য সন্মত পৰিচৰ্য্যা নোহোৱাৰ কাৰণে বা পৰিস্কাৰ পৰিচন্নতা নোহোৱাৰ কাৰণে হয়তো বহুত মহিলা আৰু কিশোৰী সকলৰ দিনে দিনে ৰোগৰ সংখ্যা বৃদ্ধি পাই গৈছে। বিশেষকৈ আমাৰ গ্ৰাম্য অঞ্চলত যিসকল মহিলা আছে, তেখেত সকলে সজাগ নোহোৱাৰ কাৰণে সন্তানহীনতাৰ, গৰ্ভতে সন্তানৰ মৃত্যু হোৱা আৰু বিভিন্ন ধৰণৰ ৰোগৰ সৃষ্টি আনকি কেন্সাৰৰ নিচিনা ৰোগত আক্ৰান্ত হৈ মৃত্যু মুখত পৰিছে।

উপাধ্যক্ষ মহোদয়, বৰ্তমান সময়ত কিছুমান ঠাইত sanitary napkins ৰ বিষয়ে আলোচনা চলি আছে, কিন্তু এই sanitary napkins কি হয়। গ্ৰাম্য অঞ্চলৰ মহিলা সকলে বিশেষকৈ তাৰ ব্যৱহাৰ কি, ইয়াৰ উপকাৰ কি সেই বিষয়ে এতিয়াও অজ্ঞান। আৰু কোনোবাই যদি জ্ঞাত হয়, তেতিয়া হলে তেওঁলোকে হয়তো তেওঁলোকৰ আৰ্থিক দুৰৱস্থাৰ কাৰণে ক্ৰয় কৰিব নোৱাৰে। কাৰণ আমি সকলোৱে জানো যে গ্ৰাম্য অঞ্চলত বেছি ভাগ পৰিয়াল আছে, যাৰ বেছিভাগ দিন হাজিৰা কৰি পৰিয়াল চলাই। তেওঁলোকে হয়তো দিন হাজিৰা কৰি এসাঁজ খাই, এসাঁজৰ চিন্তা কৰে। তেনেস্থলত অথবা এখন ঘৰত এটা পৰিয়ালত হয়তো এগৰাকী মহিলা নহয় দুই-তিনিগৰাকীও মহিলাও থাকিব পাৰে। তেনেক্ষেত্ৰত তেওঁলোকৰ কাৰণে ক্ৰয় কৰাতো হয়তো অসম্ভৱ। গতিকে উপাধ্যক্ষ মহোদয়, যিটো সময়ত সমগ্ৰ বিশ্বত sanitary napkins অপৰিহাৰ্য্যৰূপে পৰিগণিত হৈছে সেই সময়ত আমাৰ ভাৰতবৰ্ষত মাত্ৰ **১২** ৰ পৰা **২০** শতাংশ মহিলাইহে sanitary napkins ব্যৱহাৰ কৰি আছে। গতিকে এইখিনি সময়ত যদি আমি এই মহিলা বা কিশোৰী সকলৰ সচেনতা বৃদ্ধি নকৰো, তেন্তে অনাগত দিনত হয়তো এটা খুব ডাঙৰ ভাবুকিৰ সৃষ্টি হ'ব। যিহেতু আমাৰ চৰকাৰখনে স্বাস্থ্যৰ ক্ষেত্ৰত, মহিলা সকলৰ ক্ষেত্ৰত বা স্বচ্ছতাৰ ক্ষেত্ৰ ত সুন্দৰ সুন্দৰ আঁচনি গ্ৰহণ কৰি আছে আমি ধন্যবাদ জনাইছো । এইখিনিতে আৰু এটা বিষয় উনুকিয়াই দিব বিচাৰিছো যে ইতিমধ্যে "Padman" ছবি খন চাই অন্যান্য ৰাজ্যৰ পঞ্চায়তে পঞ্চায়তে Padman নিযুক্তি কৰি আশা কৰ্মীৰ জৰিয়তে বা অঙ্গণবাড়ী সহায়িকাৰ জৰিয়তে প্ৰত্যেক গাওঁ অঞ্চলৰ মহিলা সকলকলৈ এই ব্যৱস্থা গ্ৰহণ কৰিছে।

উপাধ্যক্ষ মহোদয়, মই বেছি নকওঁ, মই কেইটামান অনুৰোধ কৰিব বিচাৰিছো, যিকোনো এখন আঁচনি গ্ৰহণ কৰোতে বা বাজেটত পইচা ধৰাৰ আগতে আমি এইটো কথা চিন্তা কৰিব লাগে যে সেই আঁচনিটো সফল কৰিবৰ কাৰণে আগতে আমি সজাগতা বৃদ্ধি কৰিব লাগিব। তেতিয়াহে আঁচনিখন সফল হ'ব। গতিকে আমাৰ চৰকাৰক অনুৰোধ জনাইছো যাতে বিভাগৰ ফালৰ পৰা এটা সজাগতামুলক আঁচনি প্ৰথমতে গ্ৰহণ কৰে। উপাধ্যক্ষ মহোদয়, যিহেতু আমিও স্কুল অতিক্ৰম কৰি আহিছো, স্কুল পৰ্য্যায়ত ছাত্ৰীসকলক বা কিশোৰীসকলক এই sanitary pad টো free কৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। যদি তেনেকুৱা ব্যৱস্থা গ্ৰহণ কৰিছে তেতিয়াহলে অসমৰ সকলো স্কুলকে যাতে সাঙুৰি লোৱা হয় তাৰ কাৰণে অনুৰোধ জনাইছো। মোৰ অভিজ্ঞতাৰ ফালৰ পৰা পাইছো, স্কুলবিলাকত বিশেষকৈ toilet নোহোৱা কাৰণেও বহু ক্ষেত্ৰত সমস্যা হয়। গতিকে এই ক্ষেত্ৰতো যাতে ব্যৱস্থা গ্ৰহণ কৰে। যিসকল গ্ৰাম্য অঞ্চলৰ মহিলা আছে বিশেষকৈ দৰিদ্ৰ সীমাৰেখাৰ তলত যিসকল আছে, তেওঁলোকৰ কাৰণে এই sanitary

napkins টো যাতে free কৰি দিয়ে, অথবা খুব নিম্নতম দামত যাতে ক্রয় কৰিব পাৰে তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আৰু এই গ্ৰাম্য অঞ্চলৰ মহিলাসকলে যাতে পোনপটীয়া এই ব্যৱস্থাটো গ্ৰহণ কৰিব পাৰে, অৰ্থাৎ ৰূপায়ণ কৰিব পাৰে আঁচনিখন তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। আৰু মোৰ বোধৰে আমাৰ NHM এ এনেকুৱা ধৰণৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু হয়তো সেইটো আমাৰ বহুত মানুহে গম নাপায়। গতিকে যদি কিবা ব্যৱস্থা গ্ৰহণ কৰিছে সেইটো আমাৰ মন্ত্ৰী মহোদয়ে নিশ্চয়কৈ ক'ব। যদি এনেকুৱা ধৰণৰ ব্যৱস্থা আমি গ্ৰহণ কৰো উপাধ্যক্ষ মহোদয়, তেতিয়া হ'লে আমাৰ সমগ্ৰ মহিলাসকল উপকৃত হ'ব। কাৰণ আমি সকলোৱে জানো যে এগৰাকী সুস্থ সবল মহিলাইহে এটা সুস্থ সবল সন্তানক জন্ম দিব পাৰে। গতিকে আমাৰ ভৱিষ্যৎ প্ৰজন্মটোক শক্তিশালী কৰিবৰ কাৰণে আমি এই ব্যৱস্থাটো গ্ৰহণ কৰিবই লাগিব।

শেষত "Padman" ছবি খন ইয়াতে উপস্থিত থকা বহুত সংখ্যকে চাইছে নিশ্চয়, তাত অক্ষয় কুমাৰে এটা খুব সুন্দৰ সংলাপ কয় - যিটো মই অকণ মান কৈ দিছো - Women strong, Mother strong, Sister strong then country strong . গতিকে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, নিশ্চয় উত্তৰ দিব এই ব্যৱস্থাৰ ক্ষেত্ৰত আৰু ইয়াৰ কাৰণে সুন্দৰ ব্যৱস্থা গ্ৰহণ কৰে তাৰ কাৰণে অনুৰোধ জনাইছো। ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, বিষয়টো অত্যন্ত গুৰুত্বপূৰ্ণ । বিশেষকৈ মহিলাৰ স্বাস্থ্যৰ সম্পৰ্কত, মই আপোনাক অনুৰোধ কৰিম যে স্বাস্থ্য বিভাগৰ মন্ত্ৰীৰ লগত কথা পাতি যেনেকুৱা পৰামৰ্শ আহিছে, অঙ্গণবাড়ী কৰ্মচাৰী, সহযোগী বা আশাকৰ্মীৰ জৰিয়তে স্কুল আৰু বিশেষকৈ গাওঁত বিনামুলীয়াকৈ Sanitary Napkin distribution কৰা যায় নেকি, এই কথা আলোচনা কৰিলে ভাল হ'ব।

এতিয়া যিহেতু মাননীয় সদস্য শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়াই আৰু শ্ৰীমতী আঙ্গুৰলতা ডেকা ডাঙৰীয়ানীয়ে notice দিছিলে। কিন্তু মাননীয় সদস্যা শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানীও এইটো বিষয়ত অলপ কথা ক'ব বিচাৰিছে। গতিকে মই আপোনাক ক'বলৈ অনুৰোধ কৰিছো। অলপ চমুকৈ ক'ব।

**শ্ৰীমতী নন্দিতা দাস, বকোঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ধন্যবাদ থাকিলে আপোনালৈ, যদিও বিষয়টো মই উত্থাপন কৰা নাই, কিন্তু যিহেতু মহিলাৰ সম্পৰ্কীয় বিষয় আৰু আপুনি কোৱাৰ সুযোগ দিয়াৰ কাৰণে মই ভাল পাইছো। মই দুই এষাৰ ক'ব বিচাৰিছো, যিটো বিষয় উত্থাপন হ'ল মহিলা স্বাস্থ্যৰ সম্পৰ্কত, স্বচ্ছতাৰ ওপৰত আৰু এই বিষয়তো উত্থাপন কৰিছে মাননীয় সদস্য শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়াই আৰু শ্ৰীমতী আঙ্গুৰলতা ডেকা ডাঙৰীয়ানীয়ে, দুয়োজনকে মই ধন্যবাদ জনাইছো। তেওঁলোকে দিয়া সুযোগ হোৱাৰ কাৰণে মই দুই এষাৰ কথা কবলৈ সুবিধা পালো। উপাধ্যক্ষ মহোদয়, এইটো এটা বৰ গুৰুত্বপূৰ্ণ কথা যে মহিলাৰ স্বাস্থ্যৰ ওপৰত সদায় গুৰুত্ব থাকিব লাগে, যি চৰকাৰে নহওঁক কিয়। আৰু মহিলাৰ জনসংখ্যা অনুপাতে পুৰুষৰ সমান। অসমত যিখিনি জনসংখ্যা আছে, তাৰে অৰ্দ্ধেক হ'ল মহিলা। মহিলা সুস্থ থাকিলে এখন দেশ শক্তিশালী হব। আমাৰ লৰা-ছোৱালী বিলাকৰ সুস্থ হ'ব। আৰু ভৱিষ্যৎতো নাগৰিক সকল সুৰক্ষিত হ'ব। যে এই আঁচনিটোৰ সম্পৰ্কে দুই গৰাকী বক্তাই দাঙি ধৰিছে। Sanitary Napkin ৰ এই আঁচনিটো **২০১৫** চনৰ পৰা চলি আছে। আমি বিভিন্ন সময়ত যিবিলাক অঙ্গণবাড়ী কেন্দ্ৰত বা আশা কৰ্মীক লগ পাওঁ তাৰ পৰা আমি জানিব পাৰিছো যে বিনামুলীয়া Napkin টো তেওঁলোকে দি আছিল সুন্দৰ ভাৱে। minimum cost ত গাওঁৰ ৰাইজে স্বাস্থ্যসেৱাৰ জৰিয়তে এই আঁচনিত free

napkin পাই আছিলে। কিন্তু আমি দেখিব পাৰিছো যে বিগত এটা বছৰ এই Napkin বিলাক পাবলৈ গাঁওৰ লোক সকলে সক্ষম হোৱা নাই। এইটো কি কাৰণে হৈছে সেইটো নাজানো। আৰু জানিব পাৰিলো যে ভাৰতত শতকৰা **১২** শতাংশৰ পৰা **১৫** শতাংশ মহিলাহে এই Hygienic Sanitary pad ব্যৱহাৰ কৰে during their ciycle এইটো এটা অতি আশ্বৰ্য্যকৰ আৰু চিন্তনীয় বিষয় আৰু বিষয় হ'ল যে মোৰ গাওঁখন গোলাঘাট টাউনৰ পৰা ৫ কিলোমিটাৰ আতৰত। মই ফোন যোগে মহিলা গোট এটাক ক'লো যে চৰকাৰ ফালৰ মহিলাসকলৰ মাজত এটা survey লাগে যে আমাৰ গাওঁৰ মহিলাখিনি কিমানে Sanitary pad ব্যৱহাৰ কৰে। তেতিয়া এই গোটটোৱে তিনিশ মহিলাক সোধপোছ কৰিলে আৰু তাৰে ভিতৰত মাত্ৰ দহ গৰাকী মহিলাই regularly Sanitary pad ব্যৱহাৰ কৰে। আমাৰ গাওঁখনতে মাত্ৰ তিনি শতাংশতকৈ অলপহে বেছি। তাৰমানে national average তকৈ মোৰ গাঁৱত তাৰ ব্যৱহাৰতো কম হৈ আছে। কাৰণ হিচাপে দেখিলো যে অকল দৰিদ্ৰতাই নহয়, সজাগতাৰ অভাৱ। বহুতে কেতিয়াবা ব্যৱহাৰ কৰে, কেতিয়াবা নকৰে। এইটোক necessity বুলি নাভাৱে, luxury বুলি ভাৱে । যে এখন চফা কাপোৰ ব্যৱহাৰ কৰিব লাগে বা Hygienic pad ব্যৱহাৰ কৰিব লাগে, সেই কথাটো বহুতে অনুভৱ নকৰে। সেই কাৰণে মোৰ চৰকাৰৰ প্ৰতি অনুৰোধ যাতে আমাৰ যেনেকুৱা ধৰণৰ সজাগতা হ'ব লাগে, যেনেকৈ চিগাৰেট খালে বেয়া সেইটো যেনেকৈ advertise কৰো, no smoking board য'তে ত'তে দেখা পাও। এই Sanitary pad ব্যৱহাৰৰ ওপৰতো তেনেকুৱা ধৰণৰ এটা সজাগতাৰ সৃষ্টি কৰিব লাগে আৰু প্ৰয়োজন হ'লে subsidized যিখিনি দৰিদ্ৰ আছে, তেখেতসকলৰ কাৰণে subsidized sanitary pads ৰ ব্যৱস্থা আমি চৰকাৰে কৰিব লাগে। পাৰিলে public distribution system ৰ জৰিয়তেও আমি Sanitary pad distribute কৰিব লাগে।

বাকীখিনি কথা কবৰ কাৰণে আমাৰ মহিলা সদস্য শ্ৰীমতী অঙ্গুৰলতা ডেকাই কবলৈ ইচ্ছা কৰিছে, তথাপিও মোৰখিনিও কৈ মনৰ খু দুঁৱনি মাৰি দিলো আপোনালোকৰ আগত কৈ বাকীখিনি আমাৰ সদস্যা গৰাকীয়ে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া শ্ৰীমতী আঙ্গুৰলতা ডেকা।

**শ্ৰীমতী আঙ্গুৰলতা ডেকা, বটদ্ৰৱাঃ**মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰথমতে ধন্যবাদ জনাইছো এই পবিত্ৰ সদনত মহিলা স্বাস্থ্য সম্পৰ্কীয় এই বিষয়টো উত্থাপন কৰিব দিয়াৰ কাৰণে আৰু বহুত বহুত ধন্যবাদ জনাইছো আমাৰ সন্মানীয় সদস্য মৃণাল শইকীয়া ডাঙৰীয়াক যে তেখেতে পুৰুষ হৈও মহিলাৰ এনেকুৱা এটা issue ইয়াত আনিছে। উপাধ্যক্ষ মহোদয়, কেইদিনমানৰ আগত এখন হিন্দী ছবি মুক্তি পাইছিল "Padman" অক্ষয় কুমাৰ অভিনীত আৰু এই ছবি খনত মহিলাৰ এই স্বাস্থ্য, স্বচ্ছতা সম্পৰ্কীয় বিষয়টো ইমান সুন্দৰকৈ উত্থাপন কৰিছে আমি ইয়াৰ কাৰণে ধন্যবাদ জনাইছোঁ। কাৰণ কোনো ভাষাত বা কোনো পটভূমিত হয়তো এই বিষয় বস্তুলৈ আজিলৈকে এনেকুৱা ছবি নিৰ্মাণ হোৱা নাই। যিটো বিষয়বস্তু আমি সকলোৱে জানো, যিটো সমগ্ৰ বিশ্বব্ৰহ্মান্ধৰ সৃষ্টিৰ লগত জড়িত। সেই বিষয়বস্তুটো আমি সকলোৱে জানি শুনিও কোনোৱে মুকলি মুৰীয়াকৈ আলোচনা নকৰো। হয়তো আজি ইয়াতে প্ৰথম এনেকৈ আলোচনা কৰা হৈছে। আমি সকলোৱে ঋতুচক্ৰৰ বিষয়ে জানো। কিন্তু সেই তিনিদিন বা চাৰিদিনত কি ব্যৱস্থা গ্ৰহণ কৰিলে আমাৰ কাৰণে ভাল আৰু কি ব্যৱস্থা আমাৰ স্বাস্থ্যৰ পক্ষে ক্ষতিকাৰক সেই বিষয় লৈ আমি কোনো ধৰণে সজাগ নহয় বা আলোচনা নকৰো। মই নিজে এগৰাকী মহিলা, ঋতুস্ৰাৱৰ সময়ত সৰুৰে পৰা আমাক

এনেকুৰা এটা লাজ, ভয়, সংকোচৰ পৰিবেশৰ মাজত হেঁচা মাৰি ৰখা হৈছিল যে এনেকুৰা লাগে যে আমি কিবা অসামাজিক কামত লিপ্ত হৈছো বা সেইটো হ'ব নালাগিছিল। এনেকুৰা এটা পৰিবেশৰ মাজত ৰখা হৈছিল। উপাধ্যক্ষ মহোদয়, গতিকে এই সম্পৰ্কত হয়তো সজাগ নোহোৱাৰ কাৰণে আমাৰ বা সেই সময়চোৱাত স্বাস্থ্য সন্মত পৰিচৰ্য্যা নোহোৱাৰ কাৰণে বা পৰিস্কাৰ পৰিচন্নতা নোহোৱাৰ কাৰণে হয়তো বহুত মহিলা আৰু কিশোৰী সকলৰ দিনে দিনে ৰোগৰ সংখ্যা বৃদ্ধি পাই গৈছে। বিশেষকৈ আমাৰ গ্ৰাম্য অঞ্চলত যিসকল মহিলা আছে, তেখেত সকলে সজাগ নোহোৱাৰ কাৰণে সন্তানহীনতাৰ, গৰ্ভতে সন্তানৰ মৃত্যু হোৱা আৰু বিভিন্ন ধৰণৰ ৰোগৰ সৃষ্টি আনকি কেন্সাৰৰ নিচিনা ৰোগত আক্ৰান্ত হৈ মৃত্যু মুখত পৰিছে।

উপাধ্যক্ষ মহোদয়, বৰ্তমান সময়ত কিছুমান ঠাইত sanitary napkins ৰ বিষয়ে আলোচনা চলি আছে, কিন্তু এই sanitary napkins কি হয়। গ্ৰাম্য অঞ্চলৰ মহিলা সকলে বিশেষকৈ তাৰ ব্যৱহাৰ কি, ইয়াৰ উপকাৰ কি সেই বিষয়ে এতিয়াও অজ্ঞান। আৰু কোনোবাই যদি জ্ঞাত হয়, তেতিয়া হলে তেওঁলোকে হয়তো তেওঁলোকৰ আৰ্থিক দুৰৱস্থাৰ কাৰণে ক্ৰয় কৰিব নোৱাৰে। কাৰণ আমি সকলোৱে জানো যে গ্ৰাম্য অঞ্চলত বেছি ভাগ পৰিয়াল আছে, যাৰ বেছিভাগ দিন হাজিৰা কৰি পৰিয়াল চলাই। তেওঁলোকে হয়তো দিন হাজিৰা কৰি এসাঁজ খাই, এসাঁজৰ চিন্তা কৰে। তেনেস্থলত অথবা এখন ঘৰত এটা পৰিয়ালত হয়তো এগৰাকী মহিলা নহয় দুই-তিনিগৰাকীও মহিলাও থাকিব পাৰে। তেনেক্ষেত্ৰত তেওঁলোকৰ কাৰণে ক্ৰয় কৰাতো হয়তো অসম্ভৱ। গতিকে উপাধ্যক্ষ মহোদয়, যিটো সময়ত সমগ্ৰ বিশ্বত sanitary napkins অপৰিহাৰ্য্যৰূপে পৰিগণিত হৈছে সেই সময়ত আমাৰ ভাৰতবৰ্ষত মাত্ৰ **১২** ৰ পৰা **২০** শতাংশ মহিলাইহে sanitary napkins ব্যৱহাৰ কৰি আছে। গতিকে এইখিনি সময়ত যদি আমি এই মহিলা বা কিশোৰী সকলৰ সচেনতা বৃদ্ধি নকৰো, তেন্তে অনাগত দিনত হয়তো এটা খুব ডাঙৰ ভাবুকিৰ সৃষ্টি হ'ব। যিহেতু আমাৰ চৰকাৰখনে স্বাস্থ্যৰ ক্ষেত্ৰত, মহিলা সকলৰ ক্ষেত্ৰত বা স্বচ্ছতাৰ ক্ষেত্ৰ ত সুন্দৰ সুন্দৰ আঁচনি গ্ৰহণ কৰি আছে আমি ধন্যবাদ জনাইছো । এইখিনিতে আৰু এটা বিষয় উনুকিয়াই দিব বিচাৰিছো যে ইতিমধ্যে "Padman" ছবি খন চাই অন্যান্য ৰাজ্যৰ পঞ্চায়তে পঞ্চায়তে Padman নিযুক্তি কৰি আশা কৰ্মীৰ জৰিয়তে বা অঙ্গণবাড়ী সহায়িকাৰ জৰিয়তে প্ৰত্যেক গাওঁ অঞ্চলৰ মহিলা সকলকলৈ এই ব্যৱস্থা গ্ৰহণ কৰিছে।

উপাধ্যক্ষ মহোদয়, মই বেছি নকওঁ, মই কেইটামান অনুৰোধ কৰিব বিচাৰিছো, যিকোনো এখন আঁচনি গ্ৰহণ কৰোতে বা বাজেটত পইচা ধৰাৰ আগতে আমি এইটো কথা চিন্তা কৰিব লাগে যে সেই আঁচনিটো সফল কৰিবৰ কাৰণে আগতে আমি সজাগতা বৃদ্ধি কৰিব লাগিব। তেতিয়াহে আঁচনিখন সফল হ'ব। গতিকে আমাৰ চৰকাৰক অনুৰোধ জনাইছো যাতে বিভাগৰ ফালৰ পৰা এটা সজাগতামূলক আঁচনি প্ৰথমতে গ্ৰহণ কৰে। উপাধ্যক্ষ মহোদয়, যিহেতু আমিও স্কুল অতিক্ৰম কৰি আহিছো, স্কুল পৰ্য্যায়ত ছাত্ৰীসকলক বা কিশোৰীসকলক এই sanitary pad টো free কৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। যদি তেনেকুৱা ব্যৱস্থা গ্ৰহণ কৰিছে তেতিয়াহলে অসমৰ সকলো স্কুলকে যাতে সাঙুৰি লোৱা হয় তাৰ কাৰণে অনুৰোধ জনাইছো। মোৰ অভিজ্ঞতাৰ ফালৰ পৰা পাইছো, স্কুলবিলাকত বিশেষকৈ toilet নোহোৱা কাৰণেও বহু ক্ষেত্ৰত সমস্যা হয়। গতিকে এই ক্ষেত্ৰতো যাতে ব্যৱস্থা গ্ৰহণ কৰে। যিসকল গ্ৰাম্য অঞ্চলৰ মহিলা আছে বিশেষকৈ দৰিদ্ৰ সীমাৰেখাৰ তলত যিসকল আছে, তেওঁলোকৰ কাৰণে এই sanitary napkins টো যাতে free কৰি দিয়ে, অথবা খুব নিম্নতম দামত যাতে ক্ৰয় কৰিব পাৰে তাৰ

কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আৰু এই গ্ৰাম্য অঞ্চলৰ মহিলাসকলে যাতে পোনপটীয়া এই ব্যৱস্থাটো গ্ৰহণ কৰিব পাৰে, অৰ্থাৎ ৰূপায়ণ কৰিব পাৰে আঁচনিখন তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। আৰু মোৰ বোধৰে আমাৰ NHM এ এনেকুৱা ধৰণৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু হয়তো সেইটো আমাৰ বহুত মানুহে গম নাপায়। গতিকে যদি কিবা ব্যৱস্থা গ্ৰহণ কৰিছে সেইটো আমাৰ মন্ত্ৰী মহোদয়ে নিশ্চয়কৈ ক'ব। যদি এনেকুৱা ধৰণৰ ব্যৱস্থা আমি গ্ৰহণ কৰো উপাধ্যক্ষ মহোদয়, তেতিয়া হ'লে আমাৰ সমগ্ৰ মহিলাসকল উপকৃত হ'ব। কাৰণ আমি সকলোৱে জানো যে এগৰাকী সুস্থ সবল মহিলাইহে এটা সুস্থ সবল সন্তানক জন্ম দিব পাৰে। গতিকে আমাৰ ভৱিষ্যৎ প্ৰজন্মটোক শক্তিশালী কৰিবৰ কাৰণে আমি এই ব্যৱস্থাটো গ্ৰহণ কৰিবই লাগিব।

শেষত "Padman" ছবি খন ইয়াতে উপস্থিত থকা বহুত সংখ্যকে চাইছে নিশ্চয়, তাত অক্ষয় কুমাৰে এটা খুব সুন্দৰ সংলাপ কয় - যিটো মই অকণ মান কৈ দিছো - Women strong, Mother strong, Sister strong then country strong . গতিকে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, নিশ্চয় উত্তৰ দিব এই ব্যৱস্থাৰ ক্ষেত্ৰত আৰু ইয়াৰ কাৰণে সুন্দৰ ব্যৱস্থা গ্ৰহণ কৰে তাৰ কাৰণে অনুৰোধ জনাইছো। ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, বিষয়টো অত্যন্ত গুৰুত্বপূৰ্ণ । বিশেষকৈ মহিলাৰ স্বাস্থ্যৰ সম্পৰ্কত, মই আপোনাক অনুৰোধ কৰিম যে স্বাস্থ্য বিভাগৰ মন্ত্ৰীৰ লগত কথা পাতি যেনেকুৱা পৰামৰ্শ আহিছে, অঙ্গণবাড়ী কৰ্মচাৰী, সহযোগী বা আশাকৰ্মীৰ জৰিয়তে স্কুল আৰু বিশেষকৈ গাওঁত বিনামুলীয়াকৈ Sanitary Napkin distribution কৰা যায় নেকি, এই কথা আলোচনা কৰিলে ভাল হ'ব।

এতিয়া যিহেতু মাননীয় সদস্য শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়াই আৰু শ্ৰীমতী আঙ্গুৰলতা ডেকা ডাঙৰীয়ানীয়ে notice দিছিলে। কিন্তু মাননীয় সদস্যা শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানীও এইটো বিষয়ত অলপ কথা ক'ব বিচাৰিছে। গতিকে মই আপোনাক ক'বলৈ অনুৰোধ কৰিছো। অলপ চমুকৈ ক'ব।

**শ্ৰীমতী নন্দিতা দাস, বকোঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ধন্যবাদ থাকিলে আপোনাৰৈ, যদিও বিষয়টো মই উত্থাপন কৰা নাই, কিন্তু যিহেতু মহিলাৰ সম্পৰ্কীয় বিষয় আৰু আপুনি কোৱাৰ সুযোগ দিয়াৰ কাৰণে মই ভাল পাইছো। মই দুই এষাৰ ক'ব বিচাৰিছো, যিটো বিষয় উত্থাপন হ'ল মহিলা স্বাস্থ্যৰ সম্পৰ্কত, স্বচ্ছতাৰ ওপৰত আৰু এই বিষয়তো উত্থাপন কৰিছে মাননীয় সদস্য শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়াই আৰু শ্ৰীমতী আঙ্গুৰলতা ডেকা ডাঙৰীয়ানীয়ে, দুয়োজনকে মই ধন্যবাদ জনাইছো। তেওঁলোকে দিয়া সুযোগ হোৱাৰ কাৰণে মই দুই এষাৰ কথা কবলৈ সুবিধা পালো। উপাধ্যক্ষ মহোদয়, এইটো এটা বৰ গুৰুত্বপূৰ্ণ কথা যে মহিলাৰ স্বাস্থ্যৰ ওপৰত সদায় গুৰুত্ব থাকিব লাগে, যি চৰকাৰে নহওঁক কিয়। আৰু মহিলাৰ জনসংখ্যা অনুপাতে পুৰুষৰ সমান। অসমত যিখিনি জনসংখ্যা আছে, তাৰে অৰ্দ্ধেক হ'ল মহিলা। মহিলা সুস্থ থাকিলে এখন দেশ শক্তিশালী হব। আমাৰ লৰা-ছোৱালী বিলাকৰ সুস্থ হ'ব। আৰু ভৱিষ্যৎতো নাগৰিক সকল সুৰক্ষিত হ'ব। যে এই আঁচনিটোৰ সম্পৰ্কে দুই গৰাকী বক্তাই দাঙি ধৰিছে। Sanitary Napkin ৰ এই আঁচনিটো ২০১৫ চনৰ পৰা চলি আছে। আমি বিভিন্ন সময়ত যিবিলাক অঙ্গণবাড়ী কেন্দ্ৰত বা আশা কৰ্মীক লগ পাওঁ তাৰ পৰা আমি জানিব পাৰিছো যে বিনামুলীয়া Napkin টো তেওঁলোকে দি আছিল সুন্দৰ ভাৱে। minimum cost ত গাওঁৰ ৰাইজে স্বাস্থ্যসেৱাৰ জৰিয়তে এই আঁচনিত free napkin পাই আছিলে। কিন্তু আমি দেখিব পাৰিছো যে বিগত এটা বছৰ এই Napkin বিলাক

পাবলৈ গাঁওৰ লোক সকলে সক্ষম হোৱা নাই। এইটো কি কাৰণে হৈছে সেইটো নাজানো। যিহেতু আঁচনিখন কেন্দ্ৰীয় চৰকাৰৰ আৰু কেন্দ্ৰীয় চৰকাৰে ধন দি থকা বুলিয়েই কয়। আমাৰ চৰকাৰে এই টকা বিলাক সদ্ ব্যৱহাৰ কৰিব পৰা নাই নে সময়মতে ব্যৱহাৰিক প্ৰমাণপত্ৰ দিব নোৱাৰৰ কাৰণে এই আঁচনিখনৰ দ্বাৰা চেনিটেৰী নেপ্‌কিন্‌টো ৰাইজক দিব পৰা নাই? এই বিষয়টোৰ ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে গুৰুত্ব প্ৰদান কৰিব লাগে কাৰণ স্বচ্ছ ভাৰতৰ কথা কবলৈ যাওতে স্বচ্ছ ভাৰত অকল টয়েলেট পৰিস্কাৰ নাইবা ৰাস্তা-ঘাট পৰিস্কাৰতে সীমাবদ্ধ হৈ নাথাকে এইটো মহিলাৰ স্বচ্ছতাৰ ওপৰটো সমানেই প্ৰয়োগ হয়। মই ভাবো যে আগৰ পৰা চলি থকা আঁচনি এটাৰ কথা পুনৰ বাৰ মনত পেলাই দিয়াৰ বাবে মাননীয় সদস্য শ্ৰীমৃনাল শইকীয়া আৰু শ্ৰীমতী অঙ্গুৰলতা ডেকাক ধন্যবাদ জনাইছোঁ। এই বিষয়টোৰ ক্ষেত্ৰত কংগ্ৰেছ দলৰ সাংসদ শ্ৰীমতী সুস্মিতা দেৱ ডাঙৰীয়ানীয়ে এটাৰ প্ৰচেষ্টনৰ Agenda কৰিছিল, Signature Campaign ৰ মাধ্যমেৰে। যোৱাবাৰ সংসদ চলি থকা অৱস্থাত। এইটো চলি আছে আমাৰ চৰকাৰৰ দিনৰ পৰাই। মহিলা হিচাপে দল, মত নিবিৰ্শেষে এই বিষয়টোত মোৰ সমৰ্থন আছে আৰু এই বিষয়টোত আমাৰ চৰকাৰ বা মন্ত্ৰী ডাঙৰীয়াই যথেষ্ট গুৰুত্ব সহকাৰে ল'ব বুলি আশা ৰাখিলো। উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়িকা শ্ৰীডেকা ডাঙৰীয়ানীয়ে কোৱা দৰে এই নেপকিন সুলভ মূল্যত নহয় সম্পূৰ্ণ বিনামূলীয়াকৈ দিয়াৰ ব্যৱস্থা কৰিব লাগে। যিটো সময়তে আমাৰ মহিলাসকলে বিচাৰে সেই সময়তে যাতে তেওঁলোকে সম্পূৰ্ণ বিনামূলীয়াকৈ পায় তাৰ বাবে সকলো উপ-স্বাস্থ্যকেন্দ্ৰ, অঙ্গনবাড়ী কেন্দ্ৰ, আশাকৰ্মীসকলক দিব লাগে। এই বিষয়সমূহ চৰকাৰে গুৰুত্ব সহকাৰে ল'ব বুলি আশা ৰাখিলো। এই চেনিটেৰি নেপকিন যাতে সহজতে মহিলা সকলে পায় তাৰ ব্যৱস্থা গ্ৰহণৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীমৃনান শইকীয়া, শ্ৰীমতী আঙ্গুৰলতা ডেকা আৰু শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানীয়ে যিটো বিষয় আজি উত্থাপন কৰিছে সেই বিষয়টো সচাঁকৈয়ে গুৰুত্বপূৰ্ণ। এই সমস্যাটো আচলতে যি বিলাক উন্নয়নশীল ৰাষ্ট্ৰ আছে তাতে হয়, উন্নত ৰাষ্ট্ৰৰ ক্ষেত্ৰত নহয়। উন্নয়নশীল ৰাষ্ট্ৰত এইটো হোৱাৰ মূল কাৰণ হৈছে সজাগতাৰ অভাৱ। এই কথাটো তিনিও গৰাকী সদস্যই কৈছে। সজাগতাৰ বাবে আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। আমাৰ আশাকৰ্মীসকল আছে, স্বাস্থ্য বিভাগৰ স্বাস্থ্য শিক্ষক আছে। তেওঁলোকক জিলা যুটীয়া স্বাস্থ্য সঞ্চালক সকলে নীতি নিৰ্দেশনা দিব পৰামৰ্শ দিব। স্বাস্থ্য বিভাগৰ এটা আঁচনি আছিল যে School health education। এই আঁচনিৰ জৰিয়তে নিম্নতম প্ৰাথমিক চিকিৎসাৰ বিষয়ে অৱগত কৰা হয়। এনে ধৰণৰ চৰকাৰৰ বিভিন্ন আঁচনি আছে। এই বিষয়টো আজি সদনত উত্থাপন হোৱা বাবে ভাল হৈছে কাৰণ ইয়াত উত্থাপন হ'লে ৰাইজে প্ৰচাৰ মাধ্যমৰ জৰিয়তে জানিব পৰিব। এইটোৰেও সজাগতাৰ ক্ষেত্ৰত ডাঙৰ পদক্ষেপ হিচাপে পৰিগণিত হ'ব। এই কাৰণে মাননীয় সদস্য তিনি গৰাকীক মই ধন্যবাদ জ্ঞাপন কৰিছো। এই বিষয়টো সন্ধৰ্ভত চৰকাৰ দৃষ্টিভঙ্গীটো স্পষ্ট কৰি দিছো। ৰাইজৰ মাজত সজাগতাৰ সৃষ্টি হ'লে সূলভ মূল্যাই হওক বা বিনামূলীয়াই হওক মহিলাই ব্যৱহাৰ কৰিবই। গতিকে সজাগতাটো হৈছে মূল বিষয়। নেপকিন ব্যৱহাৰ নকৰাৰ ফলত কি কি ক্ষতি হয় তাৰ প্ৰতি ৰাইজক সজাগ কৰিব লাগিব। ব্যৱহাৰ নকৰাৰ ফলত ভৱিষ্যতে স্বাস্থ্যৰ ক্ষেত্ৰত কি কি সমস্যাত ভুগিব পাৰে এই কথা বিলাকৰ সজাগতাৰ প্ৰয়োজন আছে। গতিকে এই ক্ষেত্ৰত নিশ্চয় স্বাস্থ্য বিভাগে ব্যৱস্থা গ্ৰহণ কৰিব। কাৰণ স্বাস্থ্য বিভাগৰ স্বাস্থ্য আৰু

পৰিয়াল কল্যাণ সঞ্চালকালয় আছে। পৰিয়াল কল্যাণ বিভাগৰ পৰা এই বিষয়টো লোৱা হ'ব, এন.এইছ.এমৰ পৰা লোৱা হ'ব, আশাকৰ্মীসকলৰ জৰিয়তে লোৱা হ'ব, স্বাস্থ্য শিক্ষকসকলৰ দ্বাৰা লোৱা হ'ব আৰু বিভিন্ন ধৰণৰ প্ৰচাৰ কৰা হ'ব। তাৰ লগতে আমাৰ মাননীয় সদস্য, সদস্যা সকলেও বিভিন্ন ধৰণ মহিলা সমিতিৰ সভাত, ছোৱালী হাইস্কুল বা কলেজৰ সভাত এই কথাবিলাক ক'লে ভাল হয়। কাৰণ আমি ক'লে ৰাইজে ভাল পায়। এই ধৰণেও সজাগতা সৃষ্টি কৰিব পাৰে। গতিকে আমি এই সজাগতাৰ বিষয়টো অকল স্বাস্থ্য বিভাগৰ ওপৰতে এৰি নিদিয়াকৈ সৰ্বাত্মক ভাবে সজাগতাৰ সৃষ্টি কৰিব পাৰে। সেই কাৰণে উপাধ্যক্ষ ডাঙৰীয়া মই চৰকাৰৰ তৰফৰ পৰা অসমীয়া মহিলাৰ মাজত চেনিটেৰী নেপ্‌কিন্ ব্যৱহাৰ সন্দৰ্ভত সজাগতা সৃষ্টি সম্পৰ্কীয় বিষয়টোৰ এটা বিবৃতি দিব বিচাৰিছো । উপাধ্যক্ষ মহোদয়, উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ বিশেষকৈ গ্ৰাম্যাঞ্চলৰ কিশোৰীসকলৰ বাবে ঋতুচক্ৰৰ পৰিছন্নতা সম্পৰ্কীয় ব্যৱস্থাপনা এক অতি গুৰুত্বপূৰ্ণ সমস্যা। যৌৱন কালৰ যাৱতীয় শিক্ষাৰ অভাৱ, ঋতুচক্ৰৰ পৰিছন্নতা জ্ঞান, পানী, অনাময় আৰু বিদ্যালয়ত উপযুক্ত পৰিস্কাৰ-পৰিছন্ন ব্যৱস্থাৰ অভাৱৰ আৰু মাহেকীয়া হোৱাৰ সময়ত যাৱতীয় সামগ্ৰীৰ অভাৱৰ বাবে মহিলাৰ শৰীৰৰ স্বাভাৱিক প্ৰক্ৰিয়াটোক এক অসুবিধা আৰু লজ্জাজনক বিষয় হিচাপে পৰিগণিত হৈ আহিছে। গুৰুত্বপূৰ্ণ কথা এই যে মাহেকীয়া হোৱাৰ সময়ত স্বাস্থ্যসন্মত পৰিচৰ্য্যাৰ অভাৱত জননাংগৰ সংক্ৰমণৰ দৰে ৰোগত আমাৰ কিশোৰীসকল আক্ৰান্ত হয় আৰু ভৱিষ্যত সময়ত ইয়েই প্ৰজনন ক্ষমতা হানি কৰাৰ লগতে অন্যান্য যৌনৰোগত আক্ৰান্ত হয়। ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ ২০১৫-১৬ অনুসৰি ভাৰতবৰ্ষত ১৫-১৮ বছৰ বয়সৰ ৫৭.৬ শতাংশ মহিলাই মাহেকীয়া হোৱাৰ সময়ত উপযুক্ত স্বাস্থ্যসন্মত ব্যৱস্থা গ্ৰহণ কৰে বুলি তথ্যত প্ৰকাশ (নগৰঞ্চলত এই হাৰ ৭৭.৫ শতাংশ আৰু গ্ৰাম্যঞ্চলত ৪৮.২ শতাংশ)। ভাৰতবৰ্ষৰ প্ৰেক্ষাপটৰ তুলনাত অসমত এই হাৰ ৪৪.৮ শতাংশ। (নগৰঞ্চলত এই হাৰ ৭০.৮ শতাংশ আৰু গ্ৰাম্যঞ্চলত ৪৯.৯ শতাংশ)। মাহেকীয়াৰ সময়ৰ.

এই সমস্যাৱলী নিয়ন্ত্ৰণ কৰিবৰ বাবে ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ অধীনত ৰাষ্ট্ৰীয় কিশোৰ স্বাস্থ্য কাৰ্য্যক্ৰমৰ (RKSK) জৰিয়তে ১১-১৯ বছৰৰ কিশোৰী সকলৰ বিশেষকৈ গ্ৰাম্যাঞ্চলত ঋতুচক্ৰৰ স্বাস্থ্য পৰিচন্নতা কাৰ্য্যসূচী এখন অগ্ৰাধিকাৰ ভিতৰত ৰূপায়ন কৰি থকা হৈছে। এই আচনিখনৰ উদ্দেশ্য হ'ল ঃ

১) কিশোৰী সকলৰ মাজত ঋতুচক্ৰৰ স্বাস্থ্য পৰিচন্নতা সম্পৰ্কে সজাগতা বৃদ্ধি কৰা ।

২) বিশেষকৈ গ্ৰাম্যাঞ্চলত বসবাস কৰা কিশোৰীসকলে ভাল ধৰণৰ চেনিটাৰী নেপকিন ৰাজসাহায্য যুক্ত, প্ৰতি পেকেটত ছয়টাকৈ কিনিব পৰাকৈ সুবিধা প্ৰদান কৰা।

৩) চেনিটেৰী নেপকিন সুচাৰু ৰূপে পেলোৱাৰ ব্যৱস্থা নিশ্চিত কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা, যাতে পৰিৱেশৰ দিশটো সুনিশ্চিত হয়।

প্ৰথম প্ৰৰ্য্যায়ত ২০১৩-১৪ বৰ্ষত ঋতুচক্ৰৰ স্বাস্থ্য পৰিচন্নতা কাৰ্য্যসূচী কেন্দ্ৰীয় চৰকাৰৰ যোগানৰ আধাৰত আমাৰ অসম ৰাজ্যৰ সাত (৭) খন জিলা যেনে ধুবুৰী গোৱালপাৰা, বৰপেটা কামৰূপ মহানগৰ, নগাঁও, মৰিগাওঁ, শোণিতপুৰত ৰূপায়ন কৰা হৈছিল। পৰৱৰ্তী পৰ্য্যায়ত ২০১৪-১৫ বৰ্ষত আন সাত (৭) খন জিলালৈ এই আঁচনি সম্প্ৰসাৰণ হয়। যেনে দৰং, গোলাঘাট, হাইলাকান্দি, যোৰহাট, কামৰূপ গ্ৰাম্য, কৰিমগঞ্জ আৰু কোকৰাঝাৰ। এই যোগান ৰাজ্যিক পৰ্য্যায়ত কৰা হৈছিল । ২০১৫-১৬ চনত এই আঁচনি অসমৰ ২৭খন জিলাত ৰূপায়ন কৰা হয়।

এই একে বছৰে শিক্ষা বিভাগে ২০১৫-১৬ বৰ্ষত নিৰ্মলা আঁচনি শীৰ্ষক এক আঁচনিৰ জৰিয়তে নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰী সকলৰ বিনামুলীয়া নেপকিন যোগানৰ ব্যৱস্থা প্ৰণয়ন কৰে।

উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ দ্বাৰা ৰূপায়িত ঋতুচক্ৰৰ স্বাস্থ্য পৰিচন্নতা আঁচনিৰ ২০১৩-১৪ৰ পৰা ২০১৬-১৭ ৰ ভিতৰত ৰূপায়নৰ আঁচনি সমূহ এনেকুৱা ধৰণৰ -

| বছৰ | লক্ষ (Target) | মুঠ ৰূপায়ন | কিশোৰী সকলৰ মাহত ৰূপায়ন হাৰ | আশাৰ সংখ্যা | আশাৰ মাহত ৰূপায়ন | আশাৰ মাহত ৰূপায়নৰ |
|---|---|---|---|---|---|---|
| ২০১৫-১৬ (১৪খন জিলাত ২০১৫ চনৰ ছেপ্তেম্বৰলৈ আৰু অক্টোবৰ ২০১৫ৰ পৰা ২৭খন জিলাত ৰূপায়ন কৰা হয়) | ৯৩৩৫৬২ | ৫২২৭৯৫ | ৫৬ % | ৩০৫০৮ | ২০২৮৮ | ৬৬.৫% |
| ২০১৬-১৭ (২৭খন জিলা) | ১৫৬০২৭৯ | ৯১৩৬১০ | ৫৮.৬% | ৩১৯৫৫ | ২১৭৩৫ | ৬৮% |

২০১৭-১৮ বৰ্ষত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমে ইতিমধ্যে লক্ষকৃত ৬১২০০০টা চেনিটেৰী নেপকিন ক্ৰয় কৰিব পৰাকৈ ভাৰত চৰকাৰৰ পৰা ৩৯০.৭০ লাখ টকা গৃহিত হৈছে। শিক্ষা বি ভাগৰ নিৰ্মলা আঁচনিৰ অধীনত ১০-১৪ বছৰৰ কিশোৰী সকলৰ ২৫ শতাংশ আৰু ৫০ শতাংশ স্কুলৰ বাহিৰৰ ছোৱালী এই লক্ষৰ ভিতৰুৱা । এই নেপকিন সমূহ ৬মাহৰ বাবে ক্ৰয় কৰিবৰ বাবে যাৱতীয়া অৰ্ডাৰ ইতিমধ্যে প্ৰদান কৰা হৈছে।

উল্লেখযোগ্য যে ২০১৮-১৯ বৰ্ষতো আন ছমাহৰ বাবে হোৱাকৈ ৬৪৫৩৯০ গৰাকী কিশোৰীক সামৰি লব পৰাকৈ ৬১৯.৫৭৪ লাখ টকাৰ প্ৰকল্প প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। গতিকে অধ্যক্ষ মহোদয়, এই বিষয়টোত চৰকাৰে গুৰুত্ব দিব আৰু চৰকাৰে এই বিষয়টো ভালকৈ কৰিব। মাননীয় সদস্য/ সদস্যা কেইগৰাকীয়ে যি বিষয়টো উত্থাপন কৰিলে, তাৰ বাবে তেখেত সকলক ধন্যবাদ জনাইছোঁ। চৰকাৰে এই সম্পৰ্কত ব্যৱস্থা ল ব। ধন্যবাদ।

**শ্ৰী মৃণাল শইকীয়া (মাননীয় বিধায়ক, খুমটাই)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই বিষয়টোত

কব বিচাৰিছো যে "পেদমেন" বুলি চিনেমা এখন চলি আছে। আজিটো বহু ৰাজ্যত এই সজাগতা আনিবৰ কাৰণে এই চিনেমাখন Tax free কৰি দেখুওৱা হৈছে। যদি এই চিনেমাখন আমাৰ চৰকাৰেও Tax free কৰি ৰাজ্যৰ বিভিন্ন জিলাত দেখুওৱা হয় গাওঁৰ মহিলা বিলাকক আৰু আত্ম সহায়ক নিয়োগ কৰি তেতিয়া মই ভাবো যে সজাগতা সৃষ্টিৰ দিশত আমি বহুখিনি আগবাঢ়ি যাব পাৰিম। এই বিষয়ে চৰকাৰে কিবা কব নেকি ?

**শ্ৰী চন্দ্ৰমোহণ পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই বিষয়টো মই এতিয়াই কৈ দিব নোৱাৰিম পিছত মই মাননীয় সদস্য গৰাকীক জনাব পাৰিম। যিহেতু এই বিষয়টো Cultural আৰু Tax বিভাগৰ লগত আলোচনা নকৰাকৈ কোৱাটো ঠিক নহব আৰু এই বিষয়ে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতো আলোচনা কৰিব লাগিব। গতিকে এই বিষয়ে এতিয়া কোনো কথা স্পষ্টকৈ মই ক'ব নোৱাৰিম কিন্তু পিছত মই আপোনাক জনাই দিম।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকা এতিয়া আপোনাৰ বিষয় "সাঁচি গছক অগৰ গছ বুলিও জনা যায়" এই বিষয়টো উত্থাপন কৰক।

**শ্ৰী প্ৰদীপ হাজৰিকা ( মাননীয় সদস্য, আমগুৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সাঁচি গছ আমি সকলোয়ে জানে অগৰ গছ বুলি এই বিষয়টো বহুত গুৰুত্বপূৰ্ণ বিষয়, আৰু এইটো উত্থাপন কৰিবলৈ দিয়াৰ কাৰণে মই উপাধ্যক্ষ মহোদয়, আপোনালোকক আমি ধন্যবাদ জনাইছোঁ, আমাৰ অসমখন মই যদি কওঁ যে Assam is a golden treasure of medicinal plants তেতিয়া হ'লে নিশ্চয় এইটো ভুল কোৱা নহ'ব। প্ৰথমতে এইটো বহুত বছৰ আগতে Oil হিচাপে আদান প্ৰদান হৈছিল আৰু আমি দেখিছো যে অসমখনত সম্পদৰ কোনো অভাৱ নাই। ইয়াত ইমানে সম্পদ যিটোতে হাত দিয়ে, সেইটো সম্পদ কিন্তু কথা হৈছে, আমি সম্পদক চিনি পোৱা নাই। এতিয়া আমাৰ এটা কথা আছে, যে "জনাৰ মাছ ভাত নজনাৰ গলগ্ৰহ" এতিয়া এনেকুৱা হৈছে। মাছ আপুনি আনি দিলেও ভালকৈ যদি তাক বাছি সুন্দৰকৈ জুতি লগায় ৰন্ধা বঢ়া কৰিব নেজানে, তেনেকুৱা এজন মানুহক যেনেকুৱা ভাল মাছ দিলেও সেইটো গলগ্ৰহহে হয়। এতিয়া আমাৰ অলপ আগতে এজন সদস্যই কৈ গৈছে, যে Oil প্ৰথমতে ইয়াত ওলালে ১৮৮৯ চনত তাতকৈ আগতে উপাধ্যক্ষ মহোদয়, Oil ইয়াতে ওলাইছে। স্বৰ্গদেউ ফুকনৰ দিনত আমাৰ তাতে দিখৌ মুখ বুলি এখন তেলেনীয়া এটা পুখুৰী আছে। পুখীৰটোৰ নাম হৈছে, তেলিয়া পুখুৰী এতিয়া তেলীয়াডুঙা নামটো এই কাৰণে হ'ল যে হাতীৰ গছকত টাট তেল ওলাইছে। হাতীয়ে গছকী দিওঁতে তেল ওলাল অসমৰ মানুহখিনিয়ে কিন্তু এই মূল্য দিব জনা নাই। এতিয়া সাধৰণ এই যে পুনী আছে বা আমাৰ মেটেকা আছে, বিভিন্ন প্ৰকাৰৰ মেটেকা, এই মেটেকাৰ পৰা শাল, চেগুন কাঠলৈকে আপুনি যদি লক্ষ্য কৰে দেখিব যে সেই বিলাক সকলো Medicinal and all plants are important এতিয়া কিন্তু ইয়াৰ কোনো ব্যৱহাৰ নাই। আমি কোনো চিন্তা কৰা নাই, চৰকাৰে ও একো ভবা নাই। মই আজি যি জোপা গছৰ কথা ইয়াত কবলৈ ওলাইছো, এই গছজোপা পুৰণি কালত কাগজ হিচাপে ব্যৱহাৰ কৰিছিল। ইয়াৰ যিটো বাকলী তাক কাগজ হিচাপে ব্যৱহাৰ কৰিছিলে। এতিয়াও আপুনি দেখিব যে আমাৰ সত্ৰবোৰত যি সাঁচি পাতৰ পুথি আছে, সাঁচি পটীয়া পুথি মানে তাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ দিনৰে পৰাই তাত সাঁচি পাতত ঢেকীয়াল কলেমেৰে লিখিছিলে। আমাৰ ঢেকীয়া গছ জোপাও কিমান ধুনীয়া কামত আহিছিলে। এতিয়া সেই সাঁচি পাত আমি কিন্তু চিনি নাপাওঁ। গুৰুজনাৰ দিনত তেতিয়া মেচিনো নাছিলে একো নাছিলে সেইটো সময়তে সাঁচি গছৰ বাকলিৰ পৰা সাঁচি পাত নিজে বনাই লিখা-পঢ়া

কৰিছে। কিন্তু সেইটোৱেও আমাৰ চকু মোকলাবৰ বাবে যথেষ্ট নহ'ল। আমাৰ চকু কিন্তু মোকলি নহ'ল। এটা অত্যন্ত গুৰুত্বসহকাৰে চাব লাগিছিল যে আমাৰ ইয়াত এই যি জোপা গছ আছে, এই গছজোপাৰ বিষয়ে নজনাৰ কাৰণে এনেকুৰা হ'ল, এটা সময়ত আমাৰ যে মাঘ বিহু হয়, মাঘ বিহুত সকলো ঘৰৰ মানুহে যেতিয়া কাঠ দিয়ে, যেতিয়া এজোপা এজোপা গছ দিয়ে, গছ দিলে কিন্তু অন্য গছ নিদিয়ে সেই সাঁচি গছ জোপাই দিয়ে। সাঁচি গছজোপা শকত হয়, তাত কুঠাৰ মাৰি দিলে সোনকালে দুফাল হৈ যায়। তেতিয়া সেই কাৰণে এই গছজোপাকে জ্বলাবলৈ দি দিয়ে। এই গছ জোপা আৰু এটা কামত ব্যৱহাৰ কৰা মোৰ মনত আছে, আমাৰ ভড়ালৰ তলত ধৰণি দি দিয়ে। এনেই ব্যৱহাৰৰ ক্ষেত্ৰত এই গছ জোপা একো ব্যৱহাৰ নাই বুলি সমাজৰ ৰাইজৰ মাজত বেছি জনজাত আছিলে। সেই কাৰণে তেনেকুৰা কামতে লগাইছিলে। উপাধ্যক্ষ মহোদয়, আমাৰ এতিয়া Agriculture department আছে, বন বিভাগ আছে এক মাত্ৰ সাঁচি গছৰ প্লেন্টেচন যদি কৰে এই প্লেন্টেচনটো কৰিয়ে হয়তো অসমৰ অৰ্থনৈতিক দিশত এটা আমোল পৰিবৰ্তন অনাৰ সম্ভৱ হ'ব পাৰে আৰু ভাৰতীয় অৰ্থনীতিটো যথেষ্ট সহায় কৰিব পাৰে, ইয়াৰ ইমানে Potential আছে। কিন্তু সেই Potential টো আমাৰ Export কৰাৰ কাৰণে অতি ৰহস্যজনক ভাৱে আমাৰ চৰকাৰে নিমাত হৈ বহি থকাটো আমাৰ কাৰণে অত্যন্ত চিন্তাৰ বিষয় হৈছে, যে কিয় ইমান জনাৰ পিছত এই ক্ষেত্ৰত ভাল ব্যৱস্থা লোৱা নাই। উপাধ্যক্ষ মহোদয়, এই গছ জোপাৰ নাম হৈছে 'সাঁচি'। 'সাঁচি' কেইবা প্ৰকাৰৰ আছে, ভলুকা সাঁচি আছে তেনেকুৰা ধৰণৰ আৰু বেলেগ সাঁচি আছে। এই সাঁচি জোপাৰ Botanical Name টো হৈছে Aquilaria. ইয়াৰ যিটো Family, Family টোৰ নাম হৈছে Thymelaceae আৰু ইয়াৰ আঁঠটা মান Species আছে। কিন্তু ইয়াৰ ৪ টা মূল Species আছে। সেই কেইটা হৈছে Aquilaria Sinensis, Aquilaria Malaceeusis, Aquilaria Agallocha, Aquilaria Crassna এইখিনিয়ে হৈছে ইয়াৰ Species. আমাৰ অসমতে কিন্তু এই Species খিনি আছে। উপাধ্যক্ষ ডাঙৰীয়া, এই গছখিনি পোৱাৰ ঠাই বোৰ Geographically Inter Connected. আমাৰ অলপ দিন আগতে Advantage Assam ৰ যিবিলাক কাৰ্য্যসূচী হৈ গ'ল, সেই Advantage Assam ত মোৰ মতে এই গছ জোপাই বিশেষ স্থান পাব লাগে। কিয় পাব লাগে এই গছ জোপা থকা ঠাইবিলাক হৈছে India, China, Mayanmar, Thailand, Indonesia, Malayasia, Cambodia, Vietnam, Philippines, Bangladesh. এইবোৰ অঞ্চলতে আছে। India ৰ Eastern India ত আছে। Eastern India মানে অসমত আছে। ইয়াৰ যদি Baseটো চাওঁ তেতিয়াহলে শিৱসাগৰত ইয়াৰ Base টো আছে, তাৰপৰা শিৱসাগৰৰ নাগা ফুট হিল্‌চ হৈ গোলাঘাটলৈকে আৰু যোৰহাট ডিব্ৰুগড়, ধেমাজী, লক্ষীমপুৰ, চিলাপথাৰ, এই ঠাই সমূহত এই গছজোপাৰ বসতি স্থল। এই গছজোপাৰ এটা Very Interesting যে এই গছজোপাত এটা পোকৰ উৎপত্তি হয়, ঘাঁ হলে, গছজোপা কোমল বাবে পোকে বিন্ধাবলৈ সুবিধা পাই। পোকে যেতিয়া বিন্ধে, বিন্ধিলে তেতিয়া যিটো অগৰ Produce হয়, এইটো কেনেকৈ Produce হয়, এইটো যেতিয়া Infection হয়, ধৰি লওঁক এটা যদি মোৰ ইয়াত ঘাঁ লাগে মোৰ নিজৰ শৰীৰ মাজৰ শক্তি ইয়াত Resist কৰিবৰ কাৰণে এটা Materialls ইয়াত Produce হয়, এতিয়া গছজোপা যিটো Produce হয় সেইটো Resign বুলি কয়। এই Resign যিটো Resist কৰিবৰ কাৰণে আহে, আহিলে অগৰ টো ইয়াত Produce হয়, এতিয়া এই যিজোপা গছ মই কলো যে India, China, Mayanmar, Thailand, Indonesia,

Malayasia, Cambodia, Vietnam, Philippines, Bangladesh. এই ঠাই বোৰ Geographially all are Inter Connected. সেই কাৰণে এই গছজোপা জন-জাতি বসতি পূৰ্ণ অঞ্চল বোৰত বেছিকৈ আছে। আমি যদি চাওঁ এই গছ জোপা কিন্তু during the ancient time. It was very popular in Rome, In Greece, Arabian Countries, Persia, Egypt আদি ঠাইত পুৰণি দিনত বহুত popular আছিলে। ৪০০ বছৰ আগতে চাইনাই এই গছজোপাৰ ভাল ব্যৱহাৰ কৰিছিলে, তেতিয়াতে। আমি কিন্তু এতিয়ালৈকে কৰিব পৰা নাই। এই গছজোপাক পুৰণি সময়ত ব্যৱহাৰ হিচাপে বাকলিৰ পৰা তেওঁলোকে কাগজ কৰিছিলে। উপাধ্যক্ষ ডাঙৰীয়া, মই দেখিছো কোনোবা এখন South East Asian Country মই এতিয়া নামটো কব নোৱাৰো, তাত দেখিছো যে এটা সৰু উদ্যোগ হিচাপে growth বঢ়াইছে। তেওঁলোকে কেইবাটাও বস্তু বনাই। আমাৰ ইয়াত যিটো আমি বিহ গুটি বুলি কওঁ, কাইত থকা গছ বেঙেনা গছৰ নিচিনা, কুটুহা বেঙেনা, হালধীয়া হয় কাইট আছে, এই গছজোপাৰ বাকলিৰ পৰা তেওঁলোকে সৰু উদ্যোগ বনাইছে, ঘৰতে। এইটো বতি পানীৰ নিচিনা কৰি টানি মেলি দিয়ে, মেলি দিয়াৰ পিছত শুকুৱাই তাৰ পিছত তেওঁলোকে কাগজ কৰে। তেনেহলে এই গছজোপাৰ পৰা কিমান উদ্যোগ হ'ব পাৰে ইয়াত। ইয়াৰ পৰা অগৰটো হবই, ফাইবাৰ বিলাকৰ পৰাওঁ বিভিন্ন কাম কৰিব পৰা যায়। সেই গছজোপা ইমান গুৰুত্বপূৰ্ণ,এইবিলাকৰ উপৰিও সাঁচি গছৰ Pharmatical use আছে। Personal care level ত use আছে। Household Product হিচাপেও use আছে। It was imported from India in vibrant rate dates back to at last 3000 B.C.উপাধ্যক্ষ ডাঙৰীয়া, Pure আগৰটো পানীত দি দিলে 'পাৰাৰ' নিচিনাকৈ পানীৰ তললৈ গুচি যায়। Its black in colour .During Han dynasty in China, it was imported from Vietnam before 200 years ago. ইছলামিক ৰাষ্ট্ৰবিলাকৰো টেক্স ত কেইটামান কথা আছে যে, It contains numerous reference to 'Agar' wood or 'Oudh' .It was imported from India and Indonesia in the form of oil. তেওঁলোকে এইটো ভাৰত আৰু ইণ্ডোনেচিয়াৰ পৰা Import কৰিছিল আৰু তেওঁলোকে এইটো 'Holy wood' হিচাপে ব্যৱহাৰ কৰিছিল। উপাধ্যক্ষ ডাঙৰীয়া, অসমত প্ৰায় ৫০ হাজাৰ লোক আগৰৰ কাৰবাৰত লাগি আছে। ১.৫ লাখ মানুহ তাৰ পৰা Indirectly Benefitted হৈ আছে Record ৰ মতে। আৰু এটা কথা মই বিশেষ ভাৱে জনাব বিচাৰিছো যে Price range from a few doller to 30,000 for top quality Agar.

**মাননীয় উপাধ্যক্ষ ঃ** Please make it short.

**শ্ৰী প্ৰদীপ হাজৰিকা, আমগুৰি ঃ** উপাধ্যক্ষ ডাঙৰীয়া, এটকাৰ পৰা Million টকালৈ ইয়াৰ মূল্য আছে। এনেকুৱা এটা Important product এইটো। সেইকাৰণে চৰকাৰক কেইটামান কথা উনুকিয়াব বিচাৰিছো। এটা হৈছে Govt. must ensure sustainable of Agar wood including processing transit trade. There must be regulation over Agar wood processing and marketing for industrial units.Govt. should think of offering transparent price policy.উপাধ্যক্ষ মহোদয় ইয়াত এটা price policy হ'ব লাগিব। এই কাৰণেই price policy হ'ব লাগিব কাৰণ গাওঁৰ যি মানুহৰ ঘৰত এই সাঁচি গছ আছে তেওঁলোকে ইয়াৰ দামৰ বিষয়ে একো নাজানে। আমাৰ ইয়াত কিজানি ১০-১৫ হেজাৰৰ পৰা ৩০-৪০ হেজাৰমান হৈ আছে। কিন্তু ইয়াৰ Best Quality Million

টকাত বিক্ৰী হ'ব পাৰে। কিন্তু গাওঁৰ মানুহবিলাকে একেবাৰে কম টকাতে বিক্ৰী কৰি আছে। তেওঁলোকৰ ১০০ ভাগৰ ১০০ ভাগেই ইয়াৰ উচিত মূল্য পোৱা নাই বুলি কলেও ভুল নহয়। গতিতে উপাধ্যক্ষ ডাঙৰীয়া, মই জনাব বিচাৰিছো যে, Govt. should think of offering transparent price policy on this so that the public of the State know about it. আৰু এটা Regulatory measure ল'ব লাগে। আৰু উপাধ্যক্ষ ডাঙৰীয়া, আপুনি জানি আচৰিত হ'ব যে, যিটোৰ দাম Million টকা কিন্তু চৰকাৰৰ ইয়াত কোনো policy নাই। কোনো Regulatory measure নাই অসমত। ইয়াৰ market আৰু ইয়াৰ ইক'নমিৰ কথা মই কব বিচাৰিছো। প্ৰায় ৮০ খনমান ৰাষ্ট্ৰত এই কাৰবাৰটো চলি আছে। ইয়াৰ ভিতৰত Saudi Arabia, Japan, Taiwan ইত্যাদি । আৰু largest exporter হ'ল Singapore, Malayasia, Indonesia আৰু Thailand. এতিয়া কোনোবাই ক'ব যে এইটো বস্তুৰ ইয়াৰ বাহিৰেও কিবা use আছে নেকি ? ইয়াৰ ব্যৱহাৰ আছে। ইয়াৰ use হ'ল World class Perfume হয় ইয়াৰ পৰা। It acts as a Stimulate .ইয়াক Cardiotonic, Terminating, Laxative, Tonic আদি হিচাপে ব্যৱহাৰ কৰা হ'য়। উপাধ্যক্ষ মহোদয়, Assam is the heart of Agar trade in India. এই গোটেই কথাখিনি কোৱাৰ মোৰ অৰ্থ হ'ল যে, Govt.should come forward and they should develop a regulatory policy. আৰু Transparent price এটা যাতে তেখেত সকলে নিৰ্দ্ধাৰণ কৰে। বহুত মানুহক ইয়াৰ জৰিয়তে সংস্থাপন দিব পাৰে। মই ভাৱো Advantage Assam ত এইটো এটা ডাঙৰ উদ্যোগ হিচাপে গঢ়ি তুলি লাখ লাখ মানুহক সংস্থাপন দিব পাৰে। এই কথাখিনি দাঙি ধৰি মই চৰকাৰক আগবাঢ়ি আহিবলৈ অনুৰোধ জনালো।

**মাননীয় উপাধ্যক্ষ ঃ** Hon'ble Forest Minister.

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰদীপ হাজৰিকা ডাঙৰীয়াই সাঁচি গছৰ মূল্য আৰু উপকাৰিতাৰ ওপৰত আজিৰ সদনত উত্থাপন কৰিছে। তাৰকাৰণে তেওঁক মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। আজিলৈকে সাঁচি গছৰ ওপৰত আমাৰ সদনত বিতংভাৱে আলোচনা হোৱা নাই। তেখেতে যিখিনি কথা কৈছে সকলো কথাই সত্য। ইয়াৰ উপকাৰিতা, ইয়াৰ মূল্য যথেষ্ঠ। ইমান অমুল্য এই সাঁচি গছটো। সাঁচি গছক আমি 'আগৰ' বুলিও কওঁ আৰু তেখেতে যেনেকুৱা ধৰণৰ বিৱৰণ দিছে মই যথেষ্ঠ ভাল পাইছো। তেখেতে ইয়াৰ ওপৰত যথেষ্ঠ অধ্যয়ণ কৰি কথাবোৰ কৈছে আৰু ইয়াৰ ব্যৱসায় ক'ত ক'ত হৈছে তাৰ বিষয়েও কৈছে। তাৰ মাজতে লাওচৰ কথা তেখেতে কবলৈ পাহৰিলে। লাওচতো ইয়াৰ উদ্যোগ স্থাপন কৰাৰ কথাটো গম পাইছো। আমাৰ অসমৰে এজন যুবকে লাওচত অগৰুৰ খেতি কৰি কেনেধৰণে লাভান্বিত হৈছে তাৰ ওপৰত আমাৰ সাংবাদিক সকলে তেওঁৰ লগত আলোচনা কৰিছে। তেখেতৰ লগত কথা পাতি ৰাইজৰ আগত মেছেজ দিবলৈ আমাৰ সাংবাদিক সকলে চেষ্টা কৰিছিলে। সাঁচি গছক বৈজ্ঞানিকভাৱে Equileria জাতিৰ বুলি কোৱা হৈছে আৰু Rain Forest Research Institute যোৰহাটত যিটো আছে তেওঁলোকৰ তথ্য মতে ভাৰতত ইয়াৰ দুটা প্ৰজাতি আছে বুলি আমাক জানিবলৈ দিছে। অসমৰ শিৱসাগৰ, যোৰহাটত যিটো সাঁচি গছ উৎপাদন হয় তাৰ সুগন্ধিটো আটাইতকৈ best সুগন্ধি বুলি মই জানিব পাৰিছো। সাঁচি গছৰ ব্যৱসায় কৰা লোকসকলৰ লগত আমাৰ meeting হৈ গৈছিল। তেওঁলোকৰ পৰা মই বহুত কথা গম পাইছিলো। অগৰ বা সাঁচি গছৰ ইমান ধুনীয়া ব্যৱসায়টোৱে যে অসমৰ আন্তঃগাঁথনি ইমান সুন্দৰ কৰিব পাৰে,

ইয়াৰ অৰ্থনৈতিক বিকাশটো ইমান ওপৰত উঠাই লৈ যাব পাৰে, আমাৰ অসমৰ পৰা আমি ইমান ধুনীয়াকৈ যে revenue collect কৰিব পাৰো, এই কথাবোৰ আমি বিগত সময়চোৰাত কিয় চিন্তা নকৰিলো, তাৰ অনুভৱ মই এতিয়া কৰিছো। সেইকাৰণে আমাৰ চৰকাৰে এতিয়া সাঁচি গছ মুকলি ভাৱে বিক্ৰী কৰিব পৰাৰ বাবে আইন প্ৰস্তুত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু এই কথা মাননীয় বিত্ত মন্ত্ৰীৰ যোৱাবাৰৰ বাজেট ভাষণতো উল্লেখ কৰা হৈছে। আমি যোৱা বছৰতে কৰিবলৈ চেষ্টা চলাইছিলো। কিন্তু কিছুমান ক্ষেত্ৰত আমি আগবাঢ়িব পৰা নাছিলো। এতিয়া আমি সকলো তথ্য লৈ কেনেধৰণে ইয়াক industry হিচাপে grow কৰিব পাৰি আৰু এই ক্ষেত্ৰত নিবনুৱা সকলক কেনেধৰণে সহায় কৰিব পাৰি তাৰ ওপৰত সকলো আলোচনা কৰাৰ পিছতহে আইন প্ৰণয়ন কৰাৰ সিদ্ধান্ত লৈছো। Goalpara Forest Division ৰ under ত Goalpara Range ত চাৰিজোপা মান গছ আছে যাৰ পুলিবোৰ বোধকৰো ভাৰত স্বাধীন হোৱাৰ পিছতেই ৰোপণ কৰা হৈছিল। আজি সেই গছ কেইজোপাৰ মূল্য যথেষ্ট বেছি। প্ৰথমে ব্যৱসায়ী এজনে আহি আমাৰ বিভাগৰ বিষয়া সকলৰ লগত আলোচনা কৰি ইয়াৰ মূল্য ১০ লাখ দিব ওলাইছিল। তাৰ পিছত আন এজন ব্যৱসায়ীয়ে আকৌ ১৫ লাখ টকা মূল্য দিয়ে। তেনেকৈ ইয়াৰ মূল্য বাঢ়ি গৈ ২০ লাখৰো অধিক হয়। গতিকে মই কেৱল চাৰি জোপা গছৰ কথা কোৱা নাই, এজোপা গছৰে মূল্য যদি ২০ লাখ ট কা হয় তেনেহ'লে আমি যদি এই সাঁচি গছৰ বহুল ভাৱে খেতি কৰো, তেনেহ'লে অসমৰ অৰ্থনৈতিক বিকাশ দ্ৰুত গতিত আগবাঢ়ি যাব পাৰে আৰু এই কথাটো আমি অনুমান কৰিব পাৰো। গতিকে সাঁচি গছৰ মূল্য আমি কৈ শেষ কৰিব নোৱাৰো। আপুনি কৈছে যে সাঁচি গছৰ অসমীয়া জনজীৱনৰ লগত সম্পৰ্ক আছে, এই কথাটো নিশ্চিত ভাৱে সত্য কথা। এই মূল্যৱান গছ জোপাৰ পৰা সূতা, কাগজ, সুগন্ধি আদি উৎপাদন কৰিব পাৰি আৰু লগতে বহু ৰাজহ সংগ্ৰহ কৰিবও পাৰি এই কথাষাৰো সত্য। গতিকে মই আপোনাক আন্তৰিক ভাৱে ধন্যবাদ জ্ঞাপন কৰিছো যে আপুনি মাননীয় সদনত ইয়াৰ মূল্যটোৰ বিষয়ে সুন্দৰকৈ বিৱৰণ দিছে আৰু আজি এই পৱিত্ৰ সদনৰ যোগেৰে ৰাইজৰ মাজলৈ এটা ধুনীয়া message যাব বুলি মই আশা ৰাখিছোঁ। এই সাঁচি গছৰ ব্যৱসায় regular ভাৱে কৰিবলৈ আমি ৰাইজৰ মাজত সজাগতা অনাৰ বাবে কি কি কৰিছো তাৰ ওপৰত বিতং ভাৱে মই আপোনালোকক ক'ব বিচাৰিছোঁ।

যিহেতু সময় অতি কম আৰু Bill বহুত আছে, মই বেছিকৈ ভাষণ দিব বিচৰা নাই। মই মোৰ ক'ব লগীয়া খিনি ready কৰি আনিছোঁ আৰু সেইখিনিকে মই পঢ়ি দিব বিচাৰিছো- অগৰ বা সাঁচি গছ এবিধ সুগন্ধি প্ৰজাতিৰ বৃক্ষ আৰু অসমৰ জনজীৱনৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত। অগৰ বা সাঁচি গছ অসমৰ বিভিন্ন জিলাত পোৱা যায় তাৰ ভিতৰত গোলাঘাট, যোৰহাট, শিৱসাগৰ ইত্যাদি অন্যতম। অগৰ গছৰ উপযোগিতা, ইয়াৰ অৰ্থনৈতিক আৰু পৰিৱেশৰ ওপৰত ইয়াৰ প্ৰভাৱৰ বিষয়ে চৰকাৰ জ্ঞাত। অসমৰ বহু লোক অগৰ গছৰ খেতি আৰু ব্যৱসায়ৰ লগত জড়িত। প্ৰায় ১ লাখতকৈ বেছি মানুহ ইয়াৰ ওপৰত জীৱিকা নিৰ্বাহ কৰি আছে। কিন্তু গছ কটাৰে পৰা আৰম্ভ কৰি বিভিন্ন দিশত ব্যৱসায়ৰ ক্ষেত্ৰত সুচলতাৰ অভাৱ আমাৰ পৰিলক্ষিত হৈছে। সেয়েহে, আমাৰ চৰকাৰে প্ৰথম পদক্ষেপ হিচাপে গছ কটাৰ ক্ষেত্ৰত পূৰ্বৰ অসুবিধা সমূহ দূৰ কৰি অতি সহজতে যাতে গছৰ গৰাকীয়ে ম্যাদি পট্টাৰ মাটিত থকা গছ অসুবিধাৰ সন্মুখীন নোহোৱাকৈ কাটিব পাৰে আৰু সৰবৰাহ কৰিব পাৰে তাৰ বাবে ব্যৱস্থা কৰিছো। ইতিমধ্যে পট্টা মাটিত থকা গছ কটা আইনৰ অন্তৰ্গত পদ্ধতি সৰলীকৰণ কৰি আবেদনৰ ১৬ দিনৰ ভিতৰত গছ কটাৰ অনুমোদন দিয়াৰ ব্যৱস্থা কৰা হৈছে। কোনোবা এগৰাকী মানুহৰ মাটিৰ পট্টাত যদি গছ থাকে , তেওঁ সহজে গছ কাটি যাতে

export কৰিব পাৰে বা ব্যৱসায় কৰিব পাৰে তাৰ বাবে আমি সুচল কৰি দিছো। পূৰ্বতে ইয়াৰ কোনো নিৰ্ধাৰিত সীমা নাছিল। ফলত গছৰ গৰাকীয়ে গছ কটাৰ অনুমোদন বিচাৰি হাবাথুৰি খাব লগীয়া হৈছিল। এই কাৰ্যৰ ফলত অগৰ গছকে ধৰি অন্যান্য গছৰ পুলি লগাবৰ কাৰণে ৰাইজ আগ্ৰহী হ'ব বুলি ধাৰণা কৰা হৈছে। এই আইন প্ৰণয়ন কৰাৰ পিছত ৰাইজে গছ-পুলি ৰুবৰ বাবে আগ্ৰহী হ'ব বুলি আমাৰ ধাৰণা হৈছে। বন বিভাগেও অগৰ পুলি যোগান ধৰিব পৰাকৈ Nursery প্ৰস্তুত কৰি আছে যাতে আগ্ৰহী কৃষক সকলে পুলি ৰুবৰ বাবে ওলাই আহে। পূৰ্বতে কোনো নিৰ্ধাৰিত নীতি নোহোৱাৰ বাবে অসমত অগৰ গছৰ উদ্যোগ স্থাপনত আৰু পৰিচালনাত অসুবিধাৰ সৃষ্টি হৈ আহিছে। কিন্তু শেহতীয়া ভাৱে ভাৰত চৰকাৰে Wood Based Industries (Establishment and Regulation) Guidelines, 2016 ঘোষণা কৰিছে আৰু এই Guidelines অনুসৰি অসম চৰকাৰে ২১ ডিচেম্বৰ, ২০১৭ তাৰিখে State Level Committee গঠন কৰি অধিসূচনা জাৰি কৰিছে। ভাৰত চৰকাৰৰ Wood Based Industries (Establishment and Regulation) Guidelines, 2016 ৰ আধাৰত বৰ্তমান অসম চৰকাৰে Assam Wood Based Industries (Establishment and Regulation) Rules ৰ প্ৰস্তুতৰ কাম কৰি আছে আৰু সকলো দিশ সামৰি অগৰ বা সাঁচি উদ্যোগকে ধৰি অন্যান্য Wood Based Industry যাতে সঠিক ভাৱে স্থাপন আৰু পৰিচালিত হ'ব পাৰে তাৰ ব্যৱস্থা কৰাৰ কাম কৰি আছে। যিহেতু সাঁচি গছ CITES ৰ Appendix-II ৰ অন্তৰ্ভুক্ত সেয়েহে এই সামগ্ৰী বিদেশলৈ ৰপ্তানিৰ ক্ষেত্ৰত সংশ্লিষ্ট DFO ৰ Certificate লোৱাটো বাধ্যতামূলক। সেয়েহে, এক সঠিক নীতি নিৰ্ধাৰণেৰে যাতে সাঁচিৰ উদ্যোগ প্ৰতিস্থা হ'ব পাৰে আৰু আমাৰ ৰাইজে বাণিজ্য কৰিব পাৰে তাৰ ওপৰত দৃষ্টি ৰাখি বিধি প্ৰস্তুতৰ কাম কৰি থকা হৈছে।

ইতিমধ্যে এই সকলো Stake Holder ক লগত লৈ ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত কৰা হৈছে। তাৰ বাবে আমি ৬-৭ মাহ মান আগত work shop পাতিছিলোঁ আৰু সকলোৰে লগত আলোচনা কৰি ইয়াৰ নীতি-নিৰ্ধাৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে। আগন্তুক বছৰত নিৰ্ধাৰিত নীতি তৈয়াৰ হৈ উঠিলে অগৰ খেতি কৰা কৃষক ৰাইজ উপকৃত হ'ব আৰু তেওঁলোকৰ আৰ্থিক অৱস্থা উন্নত হ'ব। ইয়াৰোপৰিও, প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে বহু নিবনুৱা লোক সংস্থাপিত হ'ব লগতে চৰকাৰৰ ৰাজহ সংগ্ৰহ তথা বিদেশী মুদ্ৰা আহৰণ হ'ব বুলি আশা কৰা হৈছে। প্ৰথমতে, অগৰ গছৰ ব্যৱসায় regularize কৰাটো কিছুমান section এ বিচৰা নাছিল। এইটো সত্য হয় কাৰণ কিছুমান মানুহৰ monopoly business আছিল যাতে তেওঁলোকে মাত্ৰ ৰাস্তাটো দেখা পায়। ব্যৱহাৰৰ ৰাস্তাটো বিচাৰি পায়। এইবিলাক কথা মাত্ৰ তেওঁলোকে জানে। তাৰকাৰণে অপেন কোনেওঁ বিচৰা নাছিল। তথাপিও আমাৰ কিছুমান ব্যৱসায়ীয়ে secretly ব্যৱসায় কৰি আছিল। ইয়াৰ ওপৰত নিৰ্ভৰ কৰি তেওঁলোকে জীৱিকা নিৰ্বাহ কৰি আছে। মই যেতিয়া হোজাইত গৈছিলো কিছুমানে সৰু সৰু যিবিলাকে অগৰুৰ পৰা oil প্ৰস্তুত কৰে তেওঁলোকে distillation নিচিনা কৰে মানে যিটো system আপুনি গম পায় তেওঁলোকৰ ভিতৰৰ পৰাই কিছুমান ব্যক্তিয়ে নিজৰ দুখৰ কথা ব্যক্ত কৰি কান্দি দিছিলে যে আমি ইমান কষ্টত বাচি আছো। ইয়াৰ ওপৰত আমি জীৱন নিৰ্বাহ কৰি আছো। আমি যে business কৰি থাকো পুলিচে আমাক ধৰে, বনবিভাগৰ বিষয়া সকলেও ধৰে গতিকে আমি কোনফালে যাম। ইয়াৰ ওপৰতেই আমি জীৱন নিৰ্বাহ কৰি আছো। আমাৰ পৰিয়াল পোহ পাল কৰি আছো। গতিকে মোক অনুৰোধ কৰিছে যে আপুনি যদি এইটো আমাক মুকলি ভাৱে business কৰিব দিয়ে তেতিয়াহ'লে আপোনাক আমি যথেষ্ট ধন্যবাদ

দিম আৰু আমি উপকৃত হ'ম বুলি কোৱাৰ বাবে আমি খৰতকীয়া ভাৱে বিচাৰিলো। কিন্তু আমাৰ যিটো পদক্ষেপ, এইটো খৰতকীয়া হোৱাৰ বাবে কিছু দুখ ক্রুটি ৰৈ গৈছে। এতিয়া আমি দীঘলীয়া সময় পোৱাৰ বাবে সকলোবোৰ কথাবেলেগ বেলেগ steck holder ৰ লগত বহি থাকি যোৱা ক্রুটি বিলাক আমি দূৰ কৰিছো। এতিয়া আমাৰ চৰকাৰে অনুমোদন দিলে আমি সেইটো মুকলি ভাৱে business কৰিব দিব পাৰো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্রী প্রবীন্দ্র ডেকা। আপোনাৰ subject টো আছিলে "পুনৰ বিদুতৰ মাচুল বৃদ্ধিৰ যো জা "। আপুনি অলপ টাইমৰ প্রতি খেয়াল ৰাখিলে ভাল হয়।

**শ্রী প্রবীন্দ্র ডেকা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই চমুকৈয়ে কথাখিনি কম। মই আমাৰ নিয়মাৱলী ৩০১ অনুসৰি বিষয়টো উৎথাপন কৰিব খুজিছো। বিষয়টো হ'ল যোৱা ১২-০২-২০১৮ " দৈনিক অগ্রদূত" কাকতত বিষয়টো প্রকাশ পাইছে। অকল এইখন বাতৰিতেই যে বিষয়টো প্রকাশ পাইছে তেনে নহয়। ৰাজ্যখনৰ আটাইকেইখন কাকততেই এই বাতৰিটো প্রকাশ পাইছে আৰু আমাৰ যি বৈদ্যুতিক মাধ্যম আছে তাতো এই কথাটো বিশেষ ধৰণে প্রাধান্য লাভ কৰিছে। এই কাৰণেই যে "মাধমাৰ সাধাৰণ গ্রাহকক ঃ প্রতি ইউনিটতত গড়ে ৪০ পইচাকৈ বাঢ়িব পুনৰ বিদ্যুৎ মাচুল বৃদ্ধিৰ যোজা"। পুনৰ মানে আগতে তেনেকৈ মাচুল বঢ়াই আছে আৰু এতিয়া দেখা গৈছে যে কিবা এটা সাধাৰণ লোকচান হ'লেই বিদ্যুৎতৰ মাচুল বঢ়াই দিয়ে। ইয়াত মই বাতৰিটোৰ কিছু অংশ পঢ়ি দিলে গোটেই কথাখিনি স্পষ্ট হৈ যাব। মই বেলেগকৈ বক্তৃতা ৰাখি সময় নষ্ট নকৰো। স্বাভাৱিক বিদ্যুৎ যোগানত ব্যর্থ হোৱাৰ বিপৰীতে বিত্তীয় ঘাটি পূৰণৰ বাবে আকৌ এবাৰ গ্রাহকৰ মূৰত ৰামটাঙোন সোধাবলৈ সাজু হৈছে অসম বিদ্যুৎ বিতৰণ কোম্পানী লিমিটেড ( এ পি ডি চি এল)। কোম্পানীটোৱে গড় হিচাপত প্রতি ইউনিট বিদ্যুতৰ মাচুল ৪০ পইচা অথার্ৎ ৫.৩৯ শতাংশ বৃদ্ধিৰ বাবে অসম বিদ্যুৎ নিয়ামক আয়োগৰ ওচৰত আবেদন দাখিল কৰিছে। অহা ৩১ মার্চৰ ভিতৰত যাতে এই সন্দর্ভত সিদ্ধান্তত উপণীত হ'ব পৰা যায় সেই উদ্দেশ্যে উক্ত আবেদনৰ ভিত্তিত আয়োগে চলিত মাহত ৰাজহুৱা শুনানি অনুষ্ঠিত কৰিব। গতিকে এনেকৈ এতিয়াই এই ৩১ মার্চৰ ভিতৰতেই বিদ্যুৎ মাচুল বৃদ্ধি কৰাৰ এটা পৰিকল্পনা এওঁলোকে কৰিছে। নিয়ামক আয়োগক অনুৰোধ কৰিছে। কি কাৰণে কৰিছে যে এওঁলোকৰ বহু টকাৰ লোকচান হৈছে। তেওঁলোকৰ ২০১৬-১৭ বর্ষত ৩৪ কোটি টকা

লোকচান হয়। এইদৰে আমাৰ বিদ্যুৎ পৰিষদটো সদায় লোকচানত চলি আছে। ৰাজ্যখনত এতিয়াও ১২ শতাংশ লোকে বিদ্যুৎ পাবলৈ বাকী আছে। ৰাজ্যখনৰ ২৬ হাজাৰ গাওঁৰ ২২ হাজাৰ এ পাইছে। প্রায় ৩ হাজাৰখন ৰাজহ গাওঁত এতিয়াও বিদ্যুৎ দিবলৈ বাকী আছে। মই এটা প্রশ্নও কৰিছিলো যে নতুন কিবা বিদ্যুৎ প্রকল্প স্থাপন কৰাৰ কোনো এটা ব্যৱস্থা বর্তমান কৰা নাই। গতিকে এই নতুন প্রকল্প কৰাৰ কথা বাদ দি তেওঁলোকে খালী যি লোকচান হৈছে যে আমি সকলোৱে বাতৰি কাকতত পঢ়িছো যে সঘনাই বিদ্যুৎ চুৰি হয়। তাত অত্যাধিক পৰিমাণৰ দূর্নীতিয়ে বর্তমান বাহ লৈছে। পকী খুঁটিৰ ঠাইত বিভিন্ন ঠাইত বাঁহৰ খুটাৰে বিদ্যুৎ সৰবৰাহ কৰা হৈছে। তদুপৰি ডাঙৰ কথাটো হৈছে যে চৰকাৰী কার্য্যালয় বিলাকৰ পৰা বিদ্যুতৰ শ শ কোটি টকা পাবলৈ বাকী আছে। আমাৰ বিদ্যুৎ থকা পৰিয়াল এটাই যদি মাত্র দুমাহ বিদ্যুতৰ বিল পৰিশোধ নকৰে তেন্তে বিদ্যুৎ কাটি দিয়ে। কিন্তু চৰকাৰে চৰকাৰৰ বিভিন্ন বিভাগ, কার্য্যালয়ে কোটি কোটি টকাৰ বিদ্যুতৰ বিল পৰিশোধ কৰা নাই আৰু এই পৰিশোধ নকৰা বা ইত্যাদি বিভিন্ন কাৰণত আগতে বিদ্যুৎ পৰিষদে এই বিধান সভাতো যুক্তি দিছিল গতিকে যিসকলে পৰিশোধ নকৰে চৰকাৰেই হওঁক বা বিভিন্ন উদ্যোগেই

হওঁক গতিকে সেইবিলাকৰ পৰা অন্ততঃ আইনী ব্যৱস্থা লৈ হ'লেও এই বিদ্যুতৰ মাচুল বিলাক তেওঁলোকৰ পৰা জোৰ কৰি হ'লেও আনিব লাগে আৰু তাকেই নকৰি মাননীয় উপাধ্যক্ষ মহোদয়, বিদ্যুৎ পৰিষদে খালী বছৰত দুই তিনিবাৰকৈ বিদ্যুতৰ মাচুল বৃদ্ধি কৰাৰ প্ৰৱনতা এটা গঢ়ি তুলিছে। ইয়াৰ ফলত আমাৰ যেনেকৈ পেট্ৰল, ডিজেলৰ কাম বঢ়াৰ লগে লগে গাড়ী মটৰ, খাদ্য সামগ্ৰী সকলোৰে দাম বাঢ়ি যায়। বিদ্যুৎ নহ'লে খেতিৰ উৎপাদন বৃদ্ধি নাপায়, বিভিন্ন উদ্যোগৰ production বন্ধ হৈ হৈ যায়, production ৰ দাম বৃদ্ধি হয়। অকল যে জনসাধাৰণে বিদ্যুৎ নাপায় এনে নহয় ল'ৰা ছোৱালীৰ পঢ়া শুনাত অসুবিধা হয় বা বিভিন্ন ধৰণৰ অসুবিধাৰ সন্মুখীন হয়। সেইকাৰণে মই এটা প্ৰশ্ন কৰিছিলো যে ৰাজ্যখনত ইতিমধ্যে ৩ হাজাৰ ৰাজহ গাওঁত বিদ্যুৎ দিবলৈ বাকী আছে। ৮৮ শতাংশ ই এতিয়ালৈকে বিদ্যুৎ লাভ কৰিছে আৰু মূল জনসংখ্যাৰ ১২ শতাংশই এতিয়াও বিদ্যুৎ লাভ কৰিবলৈ বাকী আছে। গতিকে মই চৰকাৰৰ ওচৰত এটা অনুৰোধ কৰো যে চৰকাৰে বিদ্যুতৰ উৎপাদন কেনেকৈ বৃদ্ধি কৰিব পাৰি কাৰণ আমাৰটো বিদ্যুৎ নায়েই। আমি বেলেগৰ পৰা বিদ্যুৎ আনি আছো। বেলেগ বেলেগ ৰাজ্যৰ পৰা বিদ্যুৎ আনি কিবাকৈ আমি চলাই আছো। গতিকে বিদ্যুৎ কেনেকৈ সৰহকৈ উৎপাদন কৰিব পৰা যায়, কেনেকৈ বিদ্যুৎ চুৰি আৰু বিদ্যুতত হোৱা দূৰ্নীতি ৰোধ কৰিব পৰা যায় আৰু কেনেকৈ চৰকাৰী বিভিন্ন বিভাগে যে বছৰৰ পিছত বছৰ ধৰি বিদ্যুৎ মাচুল নিদিয়াকৈ কাম চলাই আছে সেই সকলৰ পৰা বিদ্যুৎ মাচুল আনিব পাৰি তাৰ উপায় নিচিন্তি খালী আমাৰ সৰ্বসাধাৰণ গ্ৰাহকে যাতে অসুবিধা পায় তাৰ বাবে বিদ্যুতৰ মাচুল সদায় বৃদ্ধি কৰি থকা হৈছে। মই আশা কৰিম এই প্ৰৱঞ্চনাটো চৰকাৰে পৰিহাৰ কৰিব আৰু কি কাৰণে বিদ্যুৎ মাচুল বৃদ্ধি কৰিব লগীয়া হ'ল সেই বিষয়ে চৰকাৰে এটা গ্ৰহণযোগ্য ব্যাখ্যা সদনত দাঙি ধৰিব। ধন্যবাদ।

Hon'ble Deputy Speaker : Thank you. Hon'ble Minister.

**শ্ৰী পল্লৱ লোচন দাস ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰী প্ৰবীন্দ্ৰ ডেকা ডাঙৰীয়াই খুউব গুৰুত্বপূৰ্ণ বিষয় এটি উৎথাপন কৰিছে আৰু তেখেতক ধন্যবাদ জনাইছো মই এই বিষয়টো উৎথাপন কৰাৰ বাবে। আমাৰ এই সদনত প্ৰাক্তন শক্তি মন্ত্ৰী শ্ৰী ৰকিবুল হুছেইন ডাঙৰীয়া উপস্থিত আছে আৰু বাকী সকলোৰে এই বিষয়টোৰ ওপৰত মানুহৰ সদায় এটা চিন্তা থাকে যে বিদ্যু মাচুল বৃদ্ধি আমি এইকাৰণেই কৰিছো যে টকা আমি পোৱা নাই আৰু আমি লোকচানত আছো। এইটো এটা সাধাৰণ ধাৰণা আৰু ময়ো এই দায়িত্বত নথকাৰ আগত মোৰো এই ধাৰণা আছিল। মাননীয় উপাধ্যক্ষ মহোদয়, মই বিষয়টো সদনৰ বাবে যিখিনি তথ্য পাইছো সেই তথ্যৰ আধাৰত জনাব বিচাৰিছো যে বিদ্যুৎ মাচুল বৃদ্ধি কিয় হয়। 2003 ৰ Electricity Act ৰ মতে যে Distribution Company এ আমাৰ যিটো Regulation Commission আছে তেওঁলোকক বিদ্যুৎ মাচুলৰ বাবে আবেদন কৰিব লাগে। বিদ্যুৎ মাচুল নিৰ্ধাৰণ আমি নকৰো। বিদ্যুৎ মাচুল নিৰ্ধাৰণ কৰে Regulatory Commission এ আৰু তাত hearing লৈ আমাক কয়। বিদ্যুৎ মাচুল বিষয়টো কি ? আঁচলতে গোটেই বছৰটোত APDCL এ কিমান টকা খৰচ কৰিব সেই খৰছখিনি তেওঁলোকে উঠাবৰ বাবে তেওঁলোকে নিয়ামক আয়োগক আবেদন কৰে যে, আপোনালোকে আমাক এইখিনি approve কৰক আৰু আমি যাতে ৰাইজৰ পৰা ধনখিনি আহৰণ কৰি গোটেই বিভাগটোক পৰিচালনা কৰিব পাৰো। এইটো হৈছে মূল বিষয়। এতিয়া অসমৰ দৰে ৰাজ্যত ইয়াত বিদ্যুৎ মাচুল কিয় বৃদ্ধি হয়, বা কিয় High rate ত আছে। কেইবাটাও ইয়াত বিষয় আছে আৰু শতকৰা আশী ভাগ আমাক মুঠ টকা লাগে, এই বছৰৰ বাবে ৫ হাজাৰ ৮৮৫কোটি

টকা। তাৰে আমাৰ শতকৰা আশী ভাগ টকা ব্যৱহাৰ হব এই বিদ্যুৎ ক্ৰয় কৰিবৰ কাৰণে আৰু তাৰে যিটো শতকৰা বিছ ভাগ আছে, সেই শতকৰা বিছ ভাগ কৰ্মচাৰী সকলৰ দৰমহা যিটো ONM বুলি কয়, Operation and Maintenance ৰ খৰচৰ এই গোটেইখিনি কৰি আমি এই বিদ্যুৎ মাচুলটো আমি তেওঁলোকক দিও। ইয়াত revenue ৰ লগত কোনো কথা নাই যে আমি কিমান টকা collection কৰিলো সেইটোৰ লগত কোনো সম্পৰ্ক নাই। আমি গোটেইখিনি টকা পাইছো বুলিয়েই Regulatory Commission য়েএইটো ধৰি লয় আৰুতেওঁলোকে নিৰ্ণয় কৰে। এতিয়া অসমত কি হয় চাৰ, Power purchese Cost কিয় বেছি।কাৰণ Power purchaes Cost এই কাৰণেই আমাৰ ইয়াত বেছি, কাৰণ আমি বেছি দামত ইয়াত Power কিনি আছো। আমি বেছি দামত কিয় Power কিনি আছো ইয়াত। বেছি দামত এই কাৰণেই Power কিনি আছো যে আমাৰ ইয়াত Power generation হোৱা নাই। Power generation হোৱা নাই আৰু যিখিনি সোৱণশিৰি পাৱাৰ জেনেৰেশ্যনৰ কাৰণে সোৱণশিৰিত আহিছে। আমাৰ ইয়াত আন্দোলন হ'ল,যি সময়ত সোৱণশিৰিত দাম আছিল দুই টকা, এক টকা, এতিয়া সোৱনশিৰি যদি কালি প্ৰজেক্ট হয়, ইয়াৰ দাম হ'ব আঠৰ পৰা দহ টকা। কাৰণ Project costটো বেছি হৈ যায়, তেতিয়া তাৰ Power purchaes Cost বাঢ়ি যায়। আজি BTPS ত সেইটো কম দাম হব লাগিছিলে, BTPS ৰ দাম আমি সকলোতকৈ বেছি দামত কিনি আছো যে, আমাৰ মানসিকতাৰ পৰিৱৰ্তন ইয়াত এতিয়ালৈকে হোৱা নাই। ইয়াত Power project কৰিবৰ কাৰণে সময়ত সুযোগ আৰু পৰিবেশ আমি ইয়াত দিয়া নাই। আমি বিভিন্ন আন্দোলন, বিভিন্ন সংগ্ৰাম কৰি কৰি আজি Power projectৰ যিখিনি টকা এইটো escalate হৈ হৈ ইমান টকাকৈ গুচি যায়। যেতিয়া সেই project হয়, তাক যেতিয়া আমি চলাও তাৰ তাৰ Power purchaes Cost টো তাত বেছি হাই হৈ যায়। এই কথাটো আমি এতিয়াও বুজি পোৱা নাই। আমাৰ ইয়াত Transmission line ভালকৈ হবলৈ নাযায়। আজি Transmission line নোহোৱাৰ কাৰণে আমি যিমান দুৰৰ পৰা পাৱাৰটো আনো, সেই পাৱাৰটো আনাৰ বাবদ আমাৰ Transmission Cost বহুত High হৈ যায, আৰু এই Transmission Power Cost টোৰ যি মূল্য, সেই মূল্যটো আজি আমি দেখুৱালো। নহ'লে কোম্পানীৰ যিখিনি টকা ,আজি 24X7 Power ৰ কথা কোৱা হৈছে। আজি কৈছে যে, আমি আমাক Power টো সকলো মানুহৰ কাৰণে লাগে। কিন্তু আমি কোন মানুহক আমি Power দি আছো। আজি Domestic Consumer ত Maximum Power দি আছো। আমাৰ ইয়াত কোনো industry নাই। আমাৰ industry নথকাৰ কাৰণে আমি যিখিনি সাধাৰণ মানুহ তেওঁলোকৰ কাৰণে দিছো। আমাৰ তাত পাঁচ ঘণ্টা peak hours হয়। যে পাঁচ ঘণ্টাত মানুহক সকলোতকৈ বেছি Power লাগে। বাকী সময়খিনিত অফ peak hours থাকে। কিন্তু peak hoursৰ মেনেজমেণ্ট কৰিবৰ কাৰণে আমি ৩৫ বছৰৰ কাৰণে সকলোতকৈ বেছি দামত আমি transmission ৰ দামটো দি থাকিব লগীয়া হয়। fixed cost দি থাকিবলগীয়া হয়। generation compay বিলাকক আমি পইচা দি থাকিব লগীয়া হয়। কিন্তু আমাৰ সেইবিলাক পইচা এনেই যায়। আমাৰ পৰিৱেশটো তেনেকুৱা হয়। কাৰণ peak load হয়। আমি সেইখিনি manage কৰিব নোৱাৰো। যে ১৮০০ মেগাৱট লাগে এই পাচঁঘণ্টা সময়ৰ কাৰণে। বাকী সময়ত ১০০০ৰ পৰা ১১০০ লাগে। কিন্তু আমি এই ওঠৰশ টকা দি থাকিবলগীয়া হয়। য'ত য'ত ইণ্ডাষ্ট্ৰি আছে, তেওঁলোকৰ গোটেই দিনটোতে ১৮০০

মেগাৱটৰ balance থাকে। তেওঁলোকে ডাঙৰ ডাঙৰ industry বোৰক পইচাটো দিব পাৰে আৰু industryৰ পৰা টকাখিনি আনি গোটেইখিনি খৰচ কৰিব পাৰে। আমাৰ পৰিবেশটো এনেকুৱা। গোটেই system টোৱেই আমাক support কৰা নাই। সেই কাৰণে আমাৰ ইয়াত generation নহয়। আমাৰ ইয়াত Transmission Cost বহুতবেছি নহয়। আৰু আমাৰ ইয়াত HT Consumerনাই। কোনো industrial feeder নাই, যিবিলাক ৰ পৰা গোটেই টকাখিনি আনিব Power purchaes Cost টো কমাব পৰা যায়। যেতিয়া ONM কমি যাব, তেতিয়া আমি গোটেই ব্যৱস্থা কৰিম। এতিয়া আমাৰ চৰকাৰৰ সৌভাগ্য আঁচনি, বিভিন্ন আঁচনি লৈছো। আমি কিন্তু দুখীয়া মানুহক বিদ্যুতৰ connection দি থাকিম। যিমানে আমি দুখীয়া মানুহক বিদ্যুতৰ connection বঢ়াই গৈ থাকিম, তেতিয়া Power purchas Cost টো বাঢ়ি বাঢ়ি গৈ থাকিব। আৰু যেতিয়া Power purchas Cost টো বাঢ়ি বাঢ়ি গৈ থাকিব আমাৰ ইয়াত লোকচান হৈ গৈ থাকিব। সেই কাৰণে আমি ইয়াৰ এটা পৰিৱেশ বনাব লাগিব এটা দিনত। সেই কাৰণে আমিও চেষ্টা কৰি আছো Power purchas Cost টো কেনেকৈ কমাব পৰা যায়, তাৰ কাৰণে কি কি নতুন নতুন ব্যৱস্থা ল'ব পৰা যায় সেইখিনি কাম আমি কৰি আছো। নতুন প্ৰকল্প অনাৰ কথা, নতুন generation কমকৈ খৰচ কৰিব পৰা । এই গোটেইখিনি কাম কৰি আছো।কিন্তু এতিয়া আমি যিটো দিছো কেৱল মাত্ৰ আমাৰ যিমান খৰচ হয় আমি সেইখিনি খৰচেই ল'বৰ কাৰণেহে আয়োগক দিওঁ আৰু আয়োগে সকলোৰে লগত আলোচনা কৰি নিৰ্ধাৰণ কৰে। আচলতে কিমান পাৱাৰৰ কিমান দাম হ'ব লাগে তেওঁলোকেই যিটোৱেই নিৰ্ধাৰণ কৰে, সেইমতে আমি ইয়াত billing কৰো। সেই কাৰণে ইয়াত revenue ৰ লগত কোনো সম্পৰ্ক নাই। ক'ৰবাৰ পৰা যদি টকা পোৱা নাই, সেইটো distributionৰ লষ্ট হৈ আছে। distribution ৰ health টো বেয়া হৈ আছে। কিন্তু ইয়াত বিদ্যুৎ মাচুলৰ যিটো আয়োগলৈ পঠাও তাৰ লগত কোনো সম্পৰ্ক নাই । সেই কাৰণে মই মাননীয় সদস্য গৰাকীৰ জৰিয়তে সদনত বুজাইছো,আপোনালোক নিজেও এই গোটেই বিষয়টো বিশ্লেষণ কৰিব, আৰু ভবিষ্যত দিনত যাতে বিদ্যুৎ মাচুলটো কমাবৰ কাৰণে Power purchas বা গোটেই Power ৰ যিখিনি খৰচ,সেইখিনি কমাবৰ কাৰণে আমি এটা পৰিৱেশ বনাব পাৰো তাৰ কাৰণে মই অনুৰোধ জনালোঁ। শেষত মই সকলো বিধায়ককে অনুৰোধ জনাম যে, আমি চাব-ডিভিজন লেভেলৰ এখন কমিটি বনাইছো, যিখন কমিটিত আপোনালোকক আমি সভাপতিৰ দায়িত্ব দিছোঁ। আপোনালোকেও নিজৰ নিজৰ গাঁও সমূহত এখন এখন সভা পাতি আপোনালোকে তাত এটা পৰিবেশ কৰিব, যে বহু এনেকুৱা মানুহ আছে, যিসকলে বিদ্যুৎ মাচুল নিদিয়ে।

**মাননীয় অধ্যক্ষ ঃ** Kindly Conclude. Time is limited.

**শ্ৰী পল্লৱলোচন দাস, (মন্ত্ৰী) ঃ** Agriculture Department ৰ বহুত shceme আছে। তেওঁলোকে পাম্পচেট দিয়ে। এই পাম্পচেটবিলাক দিয়া হয়, কিন্তু য'ত connection দিয়ে সকলো বিদ্যুৎ চুৰি হয়। সকলো বিদ্যুৎ আমাৰ পৰা লৈ থাকে, কিন্তু তাৰটো বিল নাপাওঁ। আজিঅসমত ই-ৰিক্সাসমূহ দিয়া হৈছে, কিন্তু সকলো ই-ৰিক্সা, এইটোৱেটো আমাক টকা নিদিয়ে। সকলো চাৰ্জ হৈ আছে ই-ৰিক্সাত, সকলো আমাৰ সেইখিনি টকাইদি। সেইখিনি ই-ৰিক্সা কেনেকৈ হৈছে। সেই কাৰণে মই অনুৰোধ জনাম transport minister আছে, Agriculture minister আছে, তেওঁলোকেও যাতে যিকোনো Scheme দিয়ে, যাতে আমাৰ Power department ৰ লগত যোগসূত্ৰ ৰাখি যদি Schemeবিলাক implement কৰে, তেতিয়া অন্ততঃ বিদ্যুৎ মাচুলটো পাব

পাৰিম। আৰু তেতিয়া আমাৰ organisation ৰ health টো ভাল হ'লে আমি ভালকৈ মানুহক power টো দিব পাৰিম। মই আশা কৰো যে এইক্ষেত্ৰত আপোনালোক সকলোৱে সহায় কৰে। নিশ্চয় ভবিষ্যত দিনত আমি Power purchas Cost টো কমাই আনিলে আমি ইয়াত power ৰ যিটো মাচুল কমাবলৈ সক্ষম হ'ম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী চুম ৰংহাং। অলপ চমু কৰিব,কাৰণ আমাৰ বিল এখন আছে।

**শ্ৰী চুম ৰংহাং, (ডিফু) ঃ** মাননীয় অধ্যক্ষ মহোদয়, **৩০১** নিয়মাৱলী অনুসৰি বিশেষ প্ৰসংগত মই পৰিবহণ বিভাগৰ কথাহে উত্থাপন কৰিব বিচাৰিছো। বিষয়টো উত্থাপন কৰাৰ আগে আগে মই কিছু কথা এই প্ৰসংগত কব লাগিব বিভাগটোৰ বিষয়ে। যে আমাৰ কাৰ্বি আংলং জিলাত বিশেষকৈ মোৰ 19th Diphu LAC । যিহেতু এইটো কাৰ্বি আংলং autonomous council ৰ Six Schedule Area ত পৰে। গতিকে এই বিভাগটো কাৰ্বি আংলং autonomous councilৰ অধীনস্থ পৰে, entrusted subject হিচাপে। কিন্তু **১৯৯৫** চনৰ পৰা এই entrusted subject এটা সময়ৰ কাৰণে দিছিলে কেইবা বছৰৰ কাৰণে। তাৰপিছত এতিয়ালৈকে সেইটো পূৰ্ণাংগ ৰূপত হস্তান্তৰ হোৱা নাই। আৰু **২০০৬** চনৰ পৰা আজিৰ তাৰিখলৈকে এই পৰিবহণ বিভাগটো কাৰ্বি আংলং autonomous councilত এটকাও এই বিভাগটোত দিয়া হোৱা নাই। যাৰ ফলত পৰিবহণ বিভাগটো যেনেধৰণে চলিব লাগিছিল, তেনেধৰণে চলা নাই। এইখিনিটে মই এটা কথা উত্থাপন কৰিব লগীয়া আছে, যে **১৯** নং ডিফু সমষ্টি, যিটো কাৰ্বি আাংলং জিলাৰ Head quarter য'ত নেকি autonomous council আছে তাত ত্ৰিছ টা বিভাগৰ হেড অফিচবিলাক আছে। এই হেড অফিচ থকা ঠাইৰ পৰা ASTC বাছ চলাচল কিন্তু আজি প্ৰায় বিছ পঁচিশ বছৰে হোৱা নাই। এই ASTC Bus Service টো নোহোৱাৰ কাৰণে ৰাইজে জীয়াতু ভুগিবলগীয়া হৈছে। যাতায়তৰ ব্যৱস্থাৰ পৰা Deprive হৈছে কাৰণ এতিয়া বাছ আস্থান সমূহ যি এটা ৰেলৱে ষ্টেশ্যনৰ ওচৰত আৰু এটা ডিফু ৰং থেয়াং নামৰ ঠাইত আছে। এই দুটা বাছ আস্থানৰ এতিয়া শোচনীয় অৱস্থাত পৰি আছে আৰু এতিয়া তাত বে-দখল পৰ্য্যন্ত হ'বলৈ লৈছে। আমাৰ কাৰ্বি আংলং autonomous councilৰ এই বিভাগটো মাজপানীত ৰৈ থকা অচল জাহাজৰ দৰে। এতিয়া আমাৰ পৰিবহণ বিভাগটো কাৰ্বি আংলং autonomous councilত হ'বলৈ লৈছে । কাৰণ আমাৰ State ৰ হাততে আছে । সম্পূৰ্ণৰূপে হস্তান্তৰ নকৰাৰ কাৰণে টকা পইচা নথকাৰ কাৰণে ট্ৰান্সপোৰ্ট বিভাগটো তাত একেবাৰে নাই বুলিয়েই কব পাৰি কাৰ্বি আংলং জিলাত। ডিফুত এটা সময়ত ডিফুৰ পৰা হামৰেণলৈ, ডিফুৰ পৰা নগাওঁ, গুৱাহাটীলৈ ডিফুৰ পৰা গোলাঘাট, যোৰহাটলৈ, ডিফুৰ পৰা বোকাজানলৈ তেনে ধৰণৰ বাছ সমূহ চলি আছিল। কিন্তু আজি প্ৰায় **২০-২৫** বছৰে তাত ট্ৰেন্সপোৰ্টৰ বাছ সেৱাটো একেবাৰে নাই। কিয় নাই, সেই বিষয়ে সময়ে সময়ে অৱগত কৰি আছো **২০১৬** চনত আমাৰ চৰকাৰ অহাৰ লগে লগে মই মাননীয় মন্ত্ৰী মহোদয়ক এই বিষয়ে, বাছ চলাচলৰ ব্যৱস্থা কৰিবৰ কাৰণে অনুৰোধ জনাইছিলো, কিন্তু আজি পৰ্য্যন্ত এই বিভাগৰ বাছ চলাচল হোৱা আমি দেখিবলৈ নাপালো। যাৰ কাৰণে, আমি অসম চৰকাৰৰ ফালৰ পৰা ট্ৰান্সপোৰ্ট বিভাগটো দৃষ্টিগোচৰ ভালকৈ নকৰাৰ বাবে সেই বাছ চলাচল যিটো বাছ সেৱা ASTCৰ বাছ সেৱা সেইটো হৈ নুঠিল। কাৰ্বি আংলং অটোন'মাচ কাউঞ্চিলত **২০০৩** চনৰ পৰা **২০০৬** চনলৈকে যিটো **৯০ঃ১০** অনুপাতত Motor VehicleTax ৰ যি টকাটো দিব লাগিছিল সেই টকাটো নিদিয়াৰ কাৰণে **২০০৬** চনলৈকে দিছে আৰু **২০০৬** চনৰ পৰা আজি **২০১৮** চনলৈ প্ৰায় **২৫** কোটি মান টকা **৯০ঃ১০** অনুপাতত দিব লাগিছিল, টকাটো এতিয়ালৈকে

দিয়া হোৱা নাই। ফলত ট্ৰান্সপোৰ্ট বিভাগটো আমাৰ কাৰ্বি আংলং জিলাত বিশেষকৈ ডিফুত একেবাৰে অৱস্থাটো শোচনীয় হৈ আছে। জানিব পাৰিছো যে তিনিমাহৰ কাৰণে যোৱা ১-৪-২০১৭ ৰ পৰা ৩১-৬-২০১৭ লৈকে ডিমাহাচাও অটোন'মাচ কাউঞ্চিলত টকাটো দিয়া হৈছে। এইটো কোৱাৰ্টালি payment টো দিয়া হৈছে। আমাৰ কাৰ্বি আংলং জিলাত আজি প্ৰায় ২০০৬ চনৰ পৰা আজি ২০১৮ চনলৈকে এই টকাটো দিয়া হোৱা নাই। যাৰ কাৰণে আমাৰ ট্ৰান্সপোৰ্ট বিভাগটোৰ অৱস্থা একেবাৰে শোচনীয় হৈ পৰিছে। মই এই বিষয়ে আপোনাক অৱগত কৰিব বিচাৰিছো ট্ৰান্সপোৰ্ট বিভাগক যে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো The matter relates to the negligence of the Transport Department towards the 19 Diphu (ST) L A C from around last 20-25 years. The ASTC Bus Services has been discontinued in the Diphu (ST) L A C since then, even after Diphu Town possessing the Head Quarter Offices of all the Departments in the Karbi Anglong District. Hence, the buildings and other constructions of the A S T C Bus Station at Diphu has completely damaged due to the lack of maintenance. Even land of the A S T C Bus Station has been slowly been encroached by the people of the locality due to the lack of boundary protection.

মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো

Will the Hon'ble Minister of Transport Department be pleased to state about if the department would restart the ASTC Bus Services from Diphu to some major places like Jorhat, Hamren, Guwahati, and vice versa to Diphu from the said places on daily basis.

Also, will the Hon'ble Minister be pleased to let know about if the Department could renovate the damaged Bus Stations in the Diphu (ST) LAC with all amenities for the passengers and also ensure proper boundary protections to safeguard the land from being encroached.

মাননীয় অধ্যক্ষঃ- Thank you. মন্ত্ৰী ডাঙৰীয়া সময় কম আছে যিমান পাৰে চমু কৰি কব।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ- মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য চুম ৰংহাং ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছিল সেইটো সম্পৰ্কত আমি জ্ঞাত। আজি ২০-২৫ বছৰে ডিফুত গাড়ী চলা নাই, সেইটো ১ নং কথা। ২য় কথাটো হ'ল বাছ ষ্টেচনৰ যিটো কণ্ডিচন বেয়া আছে সেইটো সত্য আৰু যোৱা কালি আমাৰ ট্ৰান্সপ'ট বিভাগৰ প্ৰশ্ন উত্তৰত এই কথাখিনি স্পষ্ট ভাৱে আমাৰ মাননীয় সদস্য সকলক সদনত জনাইছো । আমি ফাণ্ডৰ কাৰণে আমি চৰকাৰৰ ওচৰত আবেদন জনাইছো বিত্ত বিভাগে যদি আমাক ফাণ্ড দিয়ে পৰ্য্যায় ভিত্তিত আমি যিমানখিনি আমাৰ বাছ ষ্টেচন আছে বনাবৰ চেষ্টা কৰিম। তাতে ডিফুও থাকিব। গতিকে মই এটা কথা কওঁ যে আমি এই ২০-২৫ বছৰে যিটো বন্ধ হৈ আছে আমাৰ চৰকাৰ অহাৰ পাছত আমাৰ সদস্য মাননীয় ৰংহাং ডাঙৰীয়াই মোক কথাটো কৈছিল । সেই হিচাবে মই আমাৰ ASTCক কৈছিলো যে তাৰ পৰা বাছ আৰম্ভ কৰিব লাগে। গতিকে আমাৰ ASTC ৰ বহুত বাছ অধ্যক্ষ ডাঙৰীয়া বেয়া হৈ আছে

সেয়ে বাছ বিলাক এতিয়া আমি  ভাল কৰি আছো। কিছু বাছ এতিয়া আমাৰ ওলাব। ওলোৰৰ পাছত আমি ডিফুৰ পৰা বাছৰ ব্যৱস্থাটো কৰিম। ডিফু গুৱাহাটী আৰু অন্যান্য ঠাইলৈ ব্যৱস্থাটো কৰি দিম, বেছিদিন নালাগে সেইটো আমি সোনকালে কৰিম। অধ্যক্ষ ডাঙৰীয়া, ৰুল **৩০১** ত ৰংহাং ডাঙৰীয়াই যিটো কথা ানিছে সেইটো গুৰুত্বপূৰ্ণ কথা আৰু সেইটো গুৰুত্ব দিব লাগে। কাৰণ আমাৰ মাননীয় মুখ্যমন্ত্ৰী সদায় এটা কথা কয় যে বৰাক ব্ৰহ্মপুত্ৰ, পাহাৰ ভৈয়াম এইটো মুখ্যন্ত্ৰী ডাঙৰীয়াৰ স্পষ্ট কথা। সেই কথাটো তেখেতৰ একেবাৰে সত্য গতিকে আমি সেই পাহাৰীয়া জিলাদুখনত বাছৰ ক্ষেত্ৰত যিটো তেখেত সকলে কৈছে। গতিকে এই কথাখিনি আমি নিশ্চয় বিবেচনা কৰিম যদি ডিফু আস্থানৰ পৰা বাছ স্থগিত ৰখা হৈছিল, কিন্তু বৰ্তমানে ডিফুৰ পৰা হাফলং আৰু হাফলংৰ পৰা  ডিফুলৈকে বাছ চলাচল কৰি আছে। তাদুপৰি ডিফুৰ পৰা যোৰহাট, গুৱাহাটী আৰু তেজপুৰলৈ আমি এই বাচ কেইখন অতি শীঘ্ৰে নিগমৰ বাছ চলাচলৰ পৰিকল্পনা কৰা হৈছে। আমি ইমিডিয়েটলি বাছ দিম ডিফু গুৱাহাটী ডিফু যোৰহাট আৰু ডিফু তেজপুৰ বাছ কেইখন ইমিডিয়েটলি দিয়াৰ ব্যৱস্থা কৰিম। আৰু হাফলঙলৈ ইতিমধ্যে চলিছে। মুখ্যমন্ত্ৰী লোক পৰিবহণ যোজনাৰ অধীনত গ্ৰাম্য পৰিবহণ ব্যৱস্থাৰ দ্বাৰা নিগমৰ বাছ সেৱা সম্প্ৰসাৰণৰ পৰিকল্পনা লোৱা হৈছে। কাৰ্বি আংলং জিলা আৰু হাফলং জিলা মুখ্যন্ত্ৰীৰ যিটো বাছ সেৱা পৰিকল্পনা লোৱা হৈছে। পৰিবহণ যোজনাৰ অধীনত কাৰ্বি আংলং আৰু এন চি হিলক সাঙুৰি লোৱা হৈছে। নিগমৰ কিছু সংখ্যক বাছ আস্থানৰ অৱস্থা সন্তোসজনক নহয়। বাছ আস্থানৰ মেৰা-মতিৰ প্ৰয়োজন আছে। ইয়াৰ ভিতৰত ডিফুৰ আস্থান অৰ্ন্তভুক্ত হৈ আছে।. সমগ্ৰ ৰাজ্যখনৰে এনে আস্থান সমূহ সজাই পৰাই তোলাৰ , মেৰামতি কৰাৰ পুনৰ নিৰ্মাণ কৰাৰ পয্যায়ক্ৰমে আঁচনি হাতত লোৱা হৈছে। তদুপৰি আৰশ্যকীয় পুঁজি উপলব্ধ হোৱাৰ লগে লগে আস্থানৰ চাৰি সীমাৰ পকী দেৱাল, নিৰ্মাণৰ কাম কৰা হব. ডিফু আস্থানৰ মাটি কোনো ধৰণৰ বেদখল হোৱা নাই, এতিয়া পৰ্য্যন্ত। যদি কেতিয়াবা বেদখল হয়, তেতিয়া ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থা লোৱা হব আৰু ডিফু আস্থানটো বিত্তীয় পৰিস্থিতি সাপেক্ষে উন্নয়ন কৰিম আৰু পকী দেৱালৰ কথাটো মাননীয় সদস্য গৰাকীয়ে কোৱাৰ নিচিনাকৈ  আমিও কৰিম আৰু বহুখিনি আমি যিমান পাৰো অতি সোনকালে বাছখিনি দিম। কেইখনমান বাছ আৰু ওলাব এতিয়া। বাছকেইখন আমাৰ গেৰেজৰ পৰা ওলোৱাৰ পাছতে বাছকেইখন দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ**-Thank you এতিয়া  item no 4  (ক) মই মাননীয় নগৰ উন্নয়ন মন্ত্ৰীক The Assam State Housing Board (Amendment) Bill, 2018 বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ  উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ**-মাননীয় অধ্যক্ষ  মহোদয়,  The Assam State Housing Board (Amendment) Bill, 2018 দফাই দফাই বিবেচনা কাৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো। মাননীয় অধ্যক্ষঃ- এতিয়া প্ৰস্তাৱটো সদনৰ মজিয়াত আমি দাঙি ধৰিব বিচাৰিছো । The Assam State Housing Board (Amendment) Bill, 2018 be taken into consideration. Those who are in favour say, “ayes” , those who are against, say “noes”, I think ayes have it, ayes have it, ayes have it

গতিকে প্ৰস্তাৱটো গ্ৰহণ কৰা হ'ল এতিয়া মই বিধেয়কখনৰ **২** নং দফাটোত কোনো সংশোধনী প্ৰস্তাৱ নাই। গতিকে মই বিধেয়কখনৰ **২** নং দফাটো মই ইয়াত উত্থাপন কৰিছো। ২ নং দফাটো বিধেয়কখনৰ অংশ হব ।  যি সকল সদস্য - সদস্যা সপক্ষে আছে কওঁক - হয়, আৰু যি সকল বিপক্ষে আছে, কওঁক - নহয় । মই ভাবো -হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে।  ২ নং

দফাটো বিধেয়কৰ অংশ হৈছে ।

এতিয়া বিধেয়কৰ ৩ নং দফাত মাননীয় সদস্য হাফিজ বচিৰ আহমেদ আৰু তেখেতসকলৰ সহযোগী সকলৰ এটা সংশোধনী প্ৰস্তাৰ আছে, এই প্ৰস্তাৰটো উৎথাপন কৰিবৰ কাৰণে অনুৰোধ কৰিছো আৰু তাৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলো ।

**শ্ৰী আমিনুল ইছলাম, ( ধিং ) ঃ-** Hon'ble Speaker Sir, I beg to move the Amendment of Clause -(3) in Sub-Clause [I-G] of Clause - 3 proposed Bill - 3 was substituted by the word - 5 complet বাক্যটো এনেকুৰা আছিল যে three member will be elected by the Assam Legislative Assembly from amongs each Members. গতিকে আমি বিচাৰিছো যে কমিটিখনত Housing Board ৰ ইয়াত যি কমিটিখনৰ কথা কোৱা হৈছে Principal Act ত তাতে Legislative Assembly পৰা ৩ গৰাকী সদস্যৰ পৰিবৰ্তে ৫ গৰাকী সদস্য লোৱা হওঁক । এইটো ক্ষেত্ৰত আমি সংশোধনী প্ৰস্তাৰতো দাখিল কৰিছিলো ।

**মাননীয় অধ্যক্ষ ঃ** - কিবা কাৰণ দিছে নেকি ? কাৰণ কব নেকি , কি কাৰণে লাগে ।

**শ্ৰী আমিনুল ইছলাম, ( ধিং ) ঃ-** এটা কাৰণ হল - যদিও বিলখন বৰ্তমানৰ নহয়, এই আইনখন বহু দিনলৈ চলিব । বৰ্তমান যদি হাউচত ৩ জন সদস্য লয়, তেতিয়া এজন বিজেপিৰ পৰা, এজন বিপি এফৰ পৰা, এজন এজিপি ৰ পৰা পাব ।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ-** আমি কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ পৰা এজনো সদস্য নাপাম ।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী) ঃ-** অধ্যক্ষ মহোদয়,আমি বহুদিন বিবেচনা কৰি এই তিনিজন মেম্বাৰৰ কথা ইয়াত উল্লেখ কৰিছো। গতিকে হাউচত ৩ জন ৪ জন আৰু ৫ জন বঢ়োৱাৰ কোনো অৰ্থ নাইকীয়া ।

**মাননীয় অধ্যক্ষ ঃ** - আমি হাউচত সাধাৰণতে proportionate wise কৰো ৩ জন সদস্য থাকে । যাৰ যিমান proportion সদস্য থাকে, যেনেকৈ মিলামিলি কৰি কৰা যায়। AIUDF ৰ যদি পোৱা নাই, আলোচনা কৰি সদস্য দিয়াৰ ব্যৱস্থা কৰা হব। চিন্তা কৰিব নালাগে। এইটো সংশোধনী ঠিকে আছেনে? যদি ঠিকে আছে প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** যদি ভৱিষ্যতে সকলোৱে পায় তেনেহলে তিনিজনেই থাকক। আমি এইটো withdraw কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সদনৰ সন্মতি সাপেক্ষে মই সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা বুলি কৈছো। গতিকে দফা নং ৩ বিধেয়কখনৰ অংশ হব। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেওঁলোকে কওঁক "হয়.", যিসকল বিপক্ষে আছে কওঁক "নহয়."। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে। মই ভাৱো ৩ নং দফাটো বিধেয়কৰ অংশ হৈছে। এতিয়া বিধেয়ক খনৰ ৪নং দফা সন্মানীয় সদস্য হাফিজ বচিৰ আহমেদৰ লগতে তেখেত সকলৰ সহযোগী সকলৰ এটা সংশোধনী আছে । মই সংশোধনীটো উত্থাপন কৰিম। মই তেখেত সকলক কবলৈ অনুৰোধ কৰিলো।

**Shri Aminul Islam,(Dhing) ঃ** Hon'ble Speaker Sir, Sub-clause (2) of Clause (4) of the proposed Bill shall be substituted by the following "The State Government may from time to time grant to the Chair-

man such leave as may be admissible under the Rules and the vice Chairman shall act for the Chairman during such absence or leave shall, while so acting be demand for all purposes of this Act to be the Chairman". ইয়াত বিলখনত যিটো এমেণ্ডমেণ্ট আছিল- বিলখনত আছিল যেতিয়া চেয়াৰমেনজন কিবা কাৰণত ছুটীত যাব বা তেওঁ নাথাকিব, তেতিয়া চৰকাৰে যাক চেয়াৰমেনৰ দায়িত্ব অস্থায়ী ভাৱে দিব, তেওঁ চেয়াৰমেনজনৰ সম্পূৰ্ণ কৰ্তৃত্ব , পাৱাৰ আৰু ফাইনেন্সিয়েল পাৱাৰ পাব। তেতিয়া কিন্তু Vice Chairmanৰ পদটো নাছিল। গতিকে এতিয়া যিটো এমেণ্ডমেণ্ড বিলত ভাইছ চেয়াৰমেনজন আমি লৈ আছো। সংযোগ কৰা হৈ আছে। at present Vice Chairman জন থাকিবই ।ৰাইট নাও চেয়াৰমেনজন যেতিয়া Leave থাকিব তেতিয়া Vice Chairman জনক Chairman ৰ দায়িত্ব দিলে তেতিয়া বাহিৰৰ পৰা এজনক Chairman appoint কৰাৰ দৰকাৰ নাথাকিব। গতিকে Principal Act ত এই Provision Change কৰি Vice Chairman জনক দায়িত্ব দিয়া হ'ব। তেতিয়া Chairmanৰ সকলো চেংশ্যন পাৱাৰ তেওঁ Exercise কৰিব। এইটো কৰি দিলে ভাল হব। আগতে যিহেতু ভাইচ চেয়াৰমেন নাছিল , সেইকাৰণে বাহিৰৰ পৰা দিয়াৰ কথা আছিল। এতিয়া যিহেতু ভাইচ চেয়াৰমেনজন লোৱাই হৈ আছে, এমেণ্ডমেণ্ডত।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী শ্ৰী অতুল বৰা।

**শ্ৰী অতুল বৰা (মন্ত্ৰী, নগৰ উন্নয়ণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত স্পষ্টভাৱে কথাখিনি আছে। " The Chairman time to time grant to the Vice- Chairman such Leave as very admissible under the Rules and any person on Chairman appoint to the Vice -Chairman shall shall while so itself acting the team all purposes of Vice- Chairman মই ভাৱো এনেকৈ থকাটোৱে ভাল। অসুবিধা বিশেষ নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে কি বিচাৰিছে?

**শ্ৰী অতুল বৰা (মন্ত্ৰী, নগৰ উন্নয়ণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে বিচাৰিছে যে ভাইচ চেয়াৰমেনক তেতিয়া দায়িত্বটো লাগে বুলি কৈছে।

**মাননীয় অধ্যক্ষ ঃ** আচলতে সেইটোৱেই হ'ব। কওঁতে- মইতো সেইটোৱেই বুজিছো।

**শ্ৰী অতুল বৰা (মন্ত্ৰী, নগৰ উন্নয়ণ) ঃ** সেইটোৱেই হ'ব।

**মাননীয় অধ্যক্ষ ঃ** Chairman the State Government from time to time grant to the Chairman such leave as may be admissible . তাত তেওঁলোকে ভাইচ চেয়াৰমেনৰ কথাহে দিছে। মই বুজি পোৱা নাই। আপুনি বুজাই দিয়ক।

শ্ৰী আমিনুল ইছলাম(ধিং) ঃ আগৰ Principal Act ত যিটো আছিল- The Chairman may from time to time grant to the Vice- Chairman such leave as may be admissible under the Rules and any person whom the Chairman appoint Act as the Vice-Chairman during such absent.

**মাননীয় অধ্যক্ষ ঃ** আগতে ভাইচ চেয়াৰমেনৰ post তো নাছিল । সেই কাৰণে এইটো দিছিল । যেতিয়া Vice-Chairman postতো ক্ৰিয়েট হল , ক্ৰিয়েট হোৱাৰ কাৰণে এতিয়া নতুনকৈ সংশোধণী সেইটোকে দিছে। The State Government from time to time grant

to the Chairman such leave as may be admisible under the Rules Vice-Chairman shall Act for the Chairman during such way. Chairman ক যদি লিভ দিয়ে, ভাইচ চেয়াৰমেনজনে কাম কৰিব বুলি দিছে, সংশোধনীটোত, এইটো নহয় জানো ।

**শ্ৰী আমিনুল ইছলাম (ধিং ) ঃ-** এইটো মই দিছো ।

**মাননীয় অধ্যক্ষ ঃ-** এইটো আমাৰ ইয়াতো দিছে । চৰকাৰৰ ফালৰ পৰা দিয়া নাই নেকি ?

**শ্ৰী আমিনুল ইছলাম (ধিং ) ঃ-** নহয়, চৰকাৰৰটোত এই ক্ষেত্ৰত বেলেগ আছে ।

**মাননীয় অধ্যক্ষ ঃ-** Government য়ে, সেইটোয়ে দিছে । The State Government from time to time grant to the Chairman such leave. Chairman ক Leave দিব । Government আৰু as may be admissible and the Vice-Chairman চৰকাৰৰ এইটোহে কৈছে under the Vice-Chairman Acted Chairman during the absents or leave while so acting আৰু চৰকাৰে যদি চেয়াৰমেনক ছুটী দিয়ে ভাইচ চেয়াৰমেজনে তেওঁৰ হৈ কাম কৰিব ।এইটোহে সংশোধনীত কৈছে । এইটো ভুল হোৱা নাই । ঠিকেই আছে । সংশোধনীৰ ক্ষেত্ৰত এনে নাহে নেকি ? মই ভাৱো এইটো নালাগে । আপোনালোকৰ concept তো ইয়াত মিট হৈছে ।

**মাননীয় অধ্যক্ষ ঃ-** এই দফাটো মই withdraw হোৱা বুলি ধৰিছো । এতিয়া দফা নং ৪ বিধেয়কখনৰ অংশ হব । যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে , তেওঁলোকে কওঁক - হয়, যিসকল বিপক্ষে আছে কওঁক - নহয় । মই ভাবো - হয়ৰ সপক্ষে,হয়ৰ সপক্ষে,হয়ৰ সপক্ষে, ৪ নং দফাটো বিধেয়কৰ অংশ হ'ল ।

বিধেয়কখনৰ ৫ নং দফাটো সংশোধনী প্ৰস্তাৱ নাই । গতিকে ৫ নং দফাটো বিধেয়কৰ অংশ হব । যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে , তেওঁলোকে কওঁক - হয়, যিসকল বিপক্ষে আছে কওঁক - নহয় । মই ভাবো - হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে , ৫ নং দফাটো বিধেকৰ অংশ হৈছে ।

বিধেয়কখনৰ ৬ নং দফাত এটা সংশোধনী আছে , হাফিজ বচিৰ আহমেদ আৰু তেওঁৰ সহযোগীসকলৰ । মই তেখেতসকলৰ সংশোধনী প্ৰস্তাৱটো উৎথাপন কৰি কবলৈ অনুৰোধ কৰিলো।

**শ্ৰী আমিনুল ইছলাম (ধিং ) ঃ-** ছাৰ, আগৰ কথাটো মই এতিয়া বুজি পাইছো । এইবাৰ ইয়াত মই এটা add কৰিব দিছিলো The Principal Act ত ইয়াত Vice-Chairman কথাটো Government Bill ত আনিছিল , ঠিক আছে । Principal Act মই এনেকৈ আছে । বাহিৰৰ পৰা Chairman দিলে তেওঁ Chairman ৰ function টো পাব । কিন্তু Vice-Chairman ক দিব লাগে বুলি আৰু এটা add কৰিব দিছিলো । এইটো পৰৱৰ্তী পৰ্য্যায়ত বিবেচনা কৰে । যিহেতু এইটো পাছহৈ গল ,গতিকে এইটো add কৰিব দিছিলো । এতিয়া যিটো সংশোধনী আহিছে Ammendment in Clause-6 in Sub-Clause - 1 of Clause -6 of the proposed Bill shall be deleted and original provision shall be retained ইয়াতে ছাৰ আমাৰ Original Bill ত আছিল ।

**মাননীয় অধ্যক্ষ ঃ-** Government ৰ ইছ্ছামতে কাম কৰিব Pleasure of the Government.

**শ্ৰী আমিনুল ইছলাম (ধিং ) ঃ-** Pleasure of the Government কৰিমগঞ্জত আছিল ।

The Chairman and every other Member shall whole office for a period of 3 (three) years from the date of office appointment as Chairman or other members as the case may be যদি গভৰ্ণমেণ্টে ইছ্ছা কৰে আৰু ১ বছৰ extend কৰিব পাৰে after completion of 3 years. এতিয়া সেই Time Frame নাৰাখি এতিয়া সম্পূৰ্ণকৈ চৰকাৰেৰ ওপৰত এৰি দিছে। আজি বনোৱা কমিটিখন একমাহ পিছত ভাঙিও দিব পাৰে। আজি চৰকাৰ এটা সমিতি বনাই থই গল। next চৰকাৰ change হৈ গল। আগৰ চৰকাৰে সমিতি নাৰাখিব ও পাৰে। ৬ মাহতে আৰু ভাঙি দিব । এনেকুৱা আগত যিটো আছিল । ৩ বছৰৰ কাৰণে সমিতিখনৰ ম্যাদ থাকিব । তেখেতসকলে ইচ্ছা কৰিলে নতুন ফ্ৰম হোৱাৰ আগত ১ বছৰ extend কৰিব পাৰে । তেওঁলোকে সুস্থিৰে কাম কৰিব নোৱাৰিব । পুৰণি সমিতি ভাঙিব । নতুন পাতিব । গতিকে আগৰটোৱে ভাল আছিল, আমি ভাবো। যাৰ কাৰণে তেওঁলোকে freely কাম কৰাৰ কাৰণে ভাল পৰিৱেশ পালেহেতেন । আগৰটোৱে ৰখাটো বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ-** মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী অতুল বৰা , (মন্ত্ৰী, নগৰ উন্নয়ন ) ঃ-** মাননীয় অধ্যক্ষ ডাঙৰীয়া , সেইটো থকাটোৱে উচিত । নহলে কেতবোৰ অসুবিধাও আহে । এইটো Government ৰ pleasure ৰ ওপৰতেই কাৰ্য্যকাল হোৱা উচিত। স্পষ্ট ভাৱে 7- (1) The Chairman, Vice Chairman, and every. other Members not being an Ex-officio members shall whole office . ৰ গতিকে এইটো pleasure of the Government থকাই ভাল ছাৰ। গোটেইবোৰ বিবেচনা কৰিয়েই এনেধৰণে সন্নিৱিষ্ট কৰা হৈছে । সন্মানীয় সদস্য গৰাকীয়ে ভালদৰে বুজি পাব । নহলে কিছু অসুবিধা থাকি যাব ।

**শ্ৰী আমিনুল ইছলাম (ধিং ) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমি ভাৱি আছো এইটো থাকিলেহে অসুবিধা হয় । চৰকাৰক তেল মাৰি থাকিব লাগিব। নহ'লে যিকোনো মূহুৰ্ত্তত ভাঙি দিব। অলপ স্বতন্ত্ৰভাৱে, ফ্ৰীলি কাম কৰাৰ কাৰণে তেওঁলোকক এটা তিনি বছৰ সময় দিয়া হয়। নহ'লে সদায় যেন স্বতন্ত্ৰভাৱে কাম কৰাৰ ব্যৱস্তা নাথাকিব। তিনি মাহতো ভাঙি দিব পাৰে। আমি ভাৱো যে স্বতন্ত্ৰভাৱে কাম কৰাৰ তেওঁলোকৰ বাবে ব্যৱস্থা থাকে। তিনি বছৰ টাৰ্ম থাকিব। যদি কেনেবাকৈ এনে মেজৰ কিবা কাৰণ আহে তেতিয়া চৰকাৰ এনেয়ে বাধ্য হ'ব। গতিকে এইটো সদনৰ বিবেচনাৰ কাৰণে দিছো। মই ভাৱো অলপ স্বতন্ত্ৰতা দিয়া ভাল। দুই-তিনি মাহতো ভাঙি দিব পাৰে । তেওঁলোকৰ এটা ব্যৱস্থা থাকিব যে তেওঁলোকৰ কাৰ্য্যকাল তিনি বছৰলৈ থাকিব। কিন্তু যদি কিবা প্ৰবলেম আহে এজ পাৰ প্ৰভিজন তেতিয়াতো চৰকাৰ বাধ্য হ'ব। সেয়েহে সদনত বিৱেচনাৰ বাবে দিছো। মই ভাৱো অলপ স্বতন্ত্ৰ দিয়া ভাল। নহ'লে চৰকাৰৰ হাতৰ পুতলাৰ নিচিনা হৈ পৰে।

**শ্ৰী অতুল বৰা, (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত স্বতন্ত্ৰটো ক'তো আঘাত নহয়। স্বতন্ত্ৰ ভাৱে কাম কৰিব পাৰিব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই যে যিটো প্ৰস্তাৱ আনিছে। আচলতে বহুতৰ স্বতন্ত্ৰতা থাকেই। সেইটোত কোনেও হস্তক্ষেপ নকৰে। কিন্তু চৰকাৰ খনৰ অলপ হ'লেও কণ্ট্ৰোল থাকিব লাগিব। স্বতন্ত্ৰতা সম্পূৰ্ণ ভাৱে দিলে কিছুমান ক্ষেত্ৰত খেলি-মেলিও হ'ব পাৰে। গতিকে মই মাননীয় সদস্য গৰাকীক অনুৰোধ জনাইছো যে অলপ কণ্ট্ৰোল কিন্তু চৰকাৰৰ হাতত ৰখা ভাল।

**মাননীয় অধ্যক্ষ ঃ** আপুনি withdrawকৰিব নে থাকিবলৈ দিব।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়,সন্মানিত সদনক জনাইছো যে যিবিলাকCommitteer ৰ timeframe থাকে তেওঁলোকৰ সময়ত তাত চৰকাৰৰ কণ্ট্ৰোল নাথাকে নেকি? তাতেও তো চৰকাৰৰ কণ্ট্ৰোল থাকে। এতিয়া কথাটো হ'ল যে তেওঁলোকে এটা Planning কৰিবলৈ timeframe তো থাকিলে ভাল হয়। যেতিয়া তেওঁলোকে নিজৰ সময়টো গম পায়, সেই মতে পৰিকল্পনা কৰি কাম কৰিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বিচাৰিছে যে এই বিলখন থাকক আৰু এখেতসকলে বিচাৰিছে যে এইটো নাথাকক। মই যিটো বুজি পাইছো ইয়াত এটা conclusion নাহিব। গতিকে মই এটা নিয়মৰ মাজেৰে যাম। মই এতিয়া সংশোধনীটো সদনৰ মজিয়াত উত্থাপন কৰিলো। ion In Sub Clause 3 of the proposed Bill shall be deleted and original provision shall be retained. যিসকল মাননীয় সদস্য-সদস্যা সংশোধনী প্ৰস্তাৱটোৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক নহ'য়।

মই ভাৱো 'নহয়'ৰ সপক্ষে,'নহয়'ৰ সপক্ষে,'নহয়'ৰ সপক্ষে, গতিকে সংশোধনী প্ৰস্তাৱটো নাকচ কৰা হ'ল। আপোনালোকে এটা বিষয় উলিয়াইছে, মই বেয়া পোৱা নাই। সকলোৰে বাবে চিন্তাৰ বিষয় হ'ব পাৰে। ভৱিষ্যতে হয়তো amendment টো আকৌ আহিব পাৰে। কিন্তু বৰ্তমান প্ৰস্তাৱটো নাকচ কৰা হ'ল। দফা নম্বৰ ৬ বিধেয়কৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা এই বিধেয়কৰ সপক্ষে আছে, এতিয়া বৰ্তমান যিটো দফা সংশোধনীটো আমি নাকচ কৰিলো, সেই দফাটোৰ তেওঁলোকে কওঁক সপক্ষে আছে, তেওঁলোকে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক নহ'য়। মই ভাৱো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে, হয়। গতিকে ৬ নং দফাটো বিধেয়কৰ অংশ হ'ল। ৬ নং দফাটো বিধেয়কৰ ৭, ৮, আৰু ৯ দফাত সংশোধনী প্ৰস্তাৱ নাই এতিয়া মই বিধেয়ক খনৰ ৭, ৮, আৰু ৯ নং দফা কেইটা সদনত উত্থাপন কৰিলো। বিধেয়কৰ ৭, ৮, আৰু ৯ নং দফাত বিধেয়কৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা সংশোধনী প্ৰস্তাৱটোৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক নহ'য়। মই ভাৱো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে, হয়। ৭, ৮, আৰু ৯ নং দফাত কেইটা বিধেয়কৰ অংশ হ'ল। বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণিত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া প্ৰশ্নটো হ'ল বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণি বিধেয়কৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা সংশোধনী প্ৰস্তাৱটোৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক নহ'য়। মই ভাৱো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে, হয়। বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণি বিধেয়কৰ অংশ হ'ল। এতিয়া মই মাননীয় মন্ত্ৰীক বিধেয়কখন পাৰিত কৰিবৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী অতুল বৰা(কৃষি আৰু নগৰ উন্নয়ণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় "The Assam State Housing Board(Amendment) Bill 2018" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো উত্থাপন কৰিছো, "The Assam State Housing Board(Amendment) Bill 2018" be passed. যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক

নহ'য়। মই ভাৰো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে, হয়, প্ৰস্তাৱটো পাৰিত হৈছে। Amendment Bill খন পাৰিত হ'ল।

এতিয়া আইটেম নম্বৰ ৫। The Assam Panchayat (Amendment) Bill 2018" মই মাননীয় ৰাজ্যিক মন্ত্ৰীক The Assam Panchayat (Amendment) Bill 2018" মই সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী নৱ কুমাৰ দলে (স্বতন্ত্ৰ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Panchayat (Amendment) Bill 2018" মই সদনতউত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**শ্ৰী নুৰুল হুদা(ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই Amendment Bill Section 112(A) "Who has more than two living child from single or multiple partners" এই আইনখন হওঁক। আমি আইনখনৰ বিপক্ষে ক'ব বিচৰা নাই। কিন্তু এই আইন বলৱৎ হোৱাৰ পিছত যিসকলে সন্তান জন্ম দিব তেওঁলোকৰ ক্ষেত্ৰত আইনখন হ'ব লাগে। যিটো অৰ্হতাৰ কথা কোৱা হৈছে, চি আৰু ডিত। সেই ক্ষেত্ৰত ক'ব বিচাৰো যে কেৱল নীতিগত শিক্ষাই শেষ শিক্ষা নহয়। শিক্ষাটো জীৱনযোৱাই চলে। গতিকে জীৱনৰ শেষমূহূৰ্তলৈ ল'ব পাৰি। যিহেতু আমাৰ সাংসদ বিধায়ক সকলৰ ক্ষেত্ৰত শিক্ষাৰ অৰ্হতাৰ কোনো বাধ্যবাধকতা নাথাকে। পঞ্চায়ততো কোনো শিক্ষাৰ বাধ্যবাধকতা থাকিব নালাগে। জনসাধৰণৰ হাতত এৰি দিব লাগে। জনমতে যাকে সিদ্ধান্ত দিয়ে তেওঁক অহাৰ সুবিধা দিব লাগে। গতিকে ভাৰতীয় সংবিধানৰ উৰ্দ্ধত যাতে আমি যাব নোৱাৰো তাৰ কাৰণে মন্ত্ৰী মহোদয়ৰ জৰিয়তে প্ৰস্তাৱ দিব বিচাৰিছো যাতে অৰ্হতাটো ইয়াত সিদ্ধান্ত কৰা নহয়।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয় ইয়াত যিখিনি কথা আলোচনা কৰিছো, সেইবোৰৰ Amendment বোৰ আমি দিম। কিন্তু আৰু এটা কথা কব খুজিছো যে ইয়াত দেখিছো তিনিটা মুখ্য বিষয়ৰ ওপৰত বিলটো আনিছে। ল'ৰা-ছোৱালীৰ সংখ্যা শিক্ষাগত অৰ্হতা আৰু চেনীটাৰী টয়লেট। কিন্তু আৰু এটা গুৰুত্বপূৰ্ণ কথা যে আমাৰ পঞ্চায়তৰ যিসকল সভাপতি নিৰ্বচিত হয়, এই সভাপতি সকল নিৰ্বাচিত হয় জনসাধাৰণৰ প্ৰত্যক্ষ ভোটদানৰ জৰিয়তে। কিন্তু Panchayat Act 1994 ৰ মতে পঞ্চায়তৰ দহজন সদস্যই অনাস্থা প্ৰস্তাৱ আনি সভাপতি জনক অপসাৰণ কৰিব পাৰে। অধ্যক্ষ মহোদয়েও এই কথাটো নিজেও জানে আৰু উচ্চ ন্যায়লয়তো বহুতকেইটা গোচৰ আগতেও গৈছিল। অসমত বহুত পঞ্চায়তত অনাস্থা প্ৰস্তাৱ দি সদস্যসকলে পঞ্চায়তৰ সভাপতিজনক অপসাৰণ কৰিছিল। আনকি উচ্চ ন্যায়ালয়েও কৈছিল, Act those Preidents are elected directly by the voters. সেয়েহে ভোটাৰ সকলে তেওঁলোকক ভাঙিব পাৰিব লাগে. যিহেতু তেওঁলোকে নিৰ্বাচন কৰে। দহজন সদস্যই নিৰ্বাচন নকৰে কিন্তু সভাপতিক অপচ অপসাৰণ কৰিব পাৰে। এইটো উচ্চ ন্যায়ালয়লৈ বহু কেইটা গোচৰ ইয়াৰ আগতেও গৈছিল । বহু পঞ্চায়তত অসমত য'ত অনাস্থা প্ৰস্তাৱ দি সদস্যসকলে পঞ্চায়ত সভাপতিজনক ভাঙি দিছিল আনকি উচ্চ ন্যায়ালয়ে কেইবাটাও Judgement ত এইটো কৈছিল যে, those presidents are elected directly by the people by the voters সিঁহতক ভোটাৰ সকলে যিজনে বহে তেওঁ ভাঙিব পাৰিব লাগে কিন্তু এই ১০ জন সদস্যই চিলেক্ট নকৰে। কিন্তু তেওঁ alliance ভাঙি দিব পাৰে উচ্চতম ন্যায়ালয়ৰ কেইবাটাও Judgementত এই কথাটো কৈছিল কিন্তু পঞ্চায়ত Act ১৯৯৪ ত এই প্ৰভিজনটো নথকাৰ বাবে হাইকোৰ্টেও বহু

ক্ষেত্রত Judgement দিওতে সমস্যাত পৰিছে। গতিকে প্ৰত্যেক বাৰে এই সদনত কেইবা বাৰো এই বিষয়টো উত্থাপন হৈছিল আমি ও বহকেইটা ডিভাইচৰ জৰিয়তে আগতে কৈছিলো ।

**মাননীয় অধ্যক্ষঃ** অলপ ৰ'ব...। এতিয়া ২ বাজিছে.... মই অলপ সদনৰ সময় বঢ়াই লৈছো। -- কওক...।

**শ্ৰীআমিনুল ইছলাম ঃ** অধ্যক্ষ মহোদয়, গতিকে বাৰে বাৰে আগৰ চৰকাৰ থাকোতেও আৰু বৰ্ত্তমান চৰকাৰ থাকোতেও পঞ্চায়ত মন্ত্ৰীয়ে কৈছিল এই বিষয়টো আমি এমেণ্ডমেন্টত আনিম। গতিকে next এমেণ্ডমেন্ড আনিলে এই বিষয়টো ইয়াত দুটা লাইন হব পাৰে । এটা হ'ল পশ্চিমবঙ্গ বা অন্য ষ্টেটৰ দৰে প্ৰেচিডেন্ট জনক ডাইৰেক্ট ৰাইজে নিৰ্বচিত নকৰে বা মেম্বৰসকলক ৰাইজে নিৰ্ব্বাচিত কৰে। মেম্বাৰসকলে যদি প্ৰেচিডেন্টজন নিৰ্বাচিত কৰে তেতিয়া মেম্বৰসকলেহে তেওক অপসাৰণ কৰিব পাৰবি। কাৰণ তেওঁলোকে প্ৰেচিডেন্ট জনক নিৰ্ব্বচিত কৰিছে আৰু এটা কথা ডাইৰেক্ট যদি ৰাইজে নিৰ্বাচিত কৰে প্ৰেচিজেন্টজন তেতিয়াহলে মেম্বৰসকলে ভাঙিব নোৱাৰে ৰাইজে ভাঙিব।

**অধ্যক্ষ মহোদয়ঃ** আপুনি তাৰ মানে সেই এমেণ্ডমেণ্ড অনাটো বিচাৰিছে....।

**শ্ৰীআমিনুল ইছলাম ঃ** হয় মই বিচাৰিছো।, **১৯৯৪** পিছত সেই এমেণ্ডমেণ্ডটো আহিছে । গতিকে অধ্যক্ষ মহোদয় এইটো এটা গুৰুত্বপূৰ্ণ পইন্ট এইটোক লৈ যাতে এমেণ্ডমেন্টটো হয়।

**মাননীয় অধ্যক্ষ** - ঠিক আছে......

**শ্ৰীৰকিবুল হুছেইন ঃ** মাননীয় অধ্যক্ষ মহোদয়, দা আছাম পঞ্চায়ত এক্ট এমেণ্ডমেণ্ড বিল ২০১৮ - চৰকাৰে যিখন এমেণ্ডমেণ্ড বিল উত্থাপন কৰিছে ইয়াৰ প্ৰিন্সিপুলটো আমি এগ্ৰি কৰিছো। যিকেইটা যুক্তি দাঙি ধৰিছে সেই যুক্তি কেইটা হ'ল- যে জনবিস্ফোৰণৰ কাৰণে আমাৰ বিভিন্ন ধৰণৰ অসুবিধা হৈছে। এই কথাটো সত্য আৰু এটা কথা কৈছে, যে আজি পঞ্চায়তে বিভিন্ন ধৰণৰ ক্ষমতা পাব বিভিন্ন ধৰণৰ ডিপাৰ্টমেন্ট ট্ৰেন্সপাৰেন্ট হ'ব। গতিকে অলপ শিক্ষা দীক্ষা নাথাকিলে কথাবিলাক চলোৱাত অসুবিধা হয়। সেইটো কাৰণ দৰ্শাই এই কাৰণসমূহ আনিছে। ইন প্ৰিন্সিপুল সেই নীতিগতভাৱে কথাখিনিত আমি আপত্তি কৰাৰ কাৰণ নাই। কিন্তু অধ্যক্ষ মহোদয়, এনেধৰণৰ বিল ভাৰতবৰ্ষত প্ৰায় কেইবাখনো ৰাজ্যই আনিছে। ৯খন মান ৰাজ্যই এনে বিল আনিছিল আৰু এই বিলৰ বিপক্ষে উচ্চতম ন্যায়লয়লৈ গৈছে উচ্চ ন্যায়ালয়লৈ গৈছে। কিন্তু যিহেতু পঞ্চায়ত আইনখন ৰাজ্য চৰকাৰৰ নিজৰ গতিকে ৰাজ্য চৰকাৰে পাছ কৰে সেই বিষয়ে উচ্চ ন্যায়ালয় বা উচ্ছতম ন্যায়ালয়ে হস্তক্ষেপ কৰিব বিচৰা নাই। কিন্ত পৰৱৰ্তী সময়ত এই দুটা মূল কাৰণ লৈ এমেণ্ডমেণ্ড কৰিছিল। সংশোধন কৰিছিল তাৰ ভিতৰত আকৌ ৪ -৫খনে উইড্ৰ কৰিছে। অধ্যক্ষ মহোদয় , মূল কাৰণটো হ'ল যে আমাৰ শিক্ষাগত অৰ্হতা প্ৰয়োজন। আজি আমি এম এল এ হৈছো। আজি আমি বিধানসভাত এম এল এ সকলে সংশোধন কৰিম যাতে পঞ্চায়ত ভালকৈ চলে। কিন্তু আজি আমি এম এল এ সকলে কিন্তু পঞ্চায়তকৈ বেছি গুৰুত্বপূৰ্ণ। আজি আমি আইন প্ৰনয়ণ কৰিম। কিন্তু এম এল এ সকলৰ কিন্তু শিক্ষাগত অৰ্হতাৰ প্ৰয়োজন নাই। মই যদি ক শ্ৰেণীত পঢ়ো, মই যদি তৃতীয়া শ্ৰেণীত পঢ়ো মই যদি নপঢ়ো , মই যদি চহী কৰিব নাজানো তেতিয়াও মই এম এল এ হ'ব পাৰিম। কিন্তু পঞ্চায়ৰ প্ৰতিনিধিজন গাঁৱত থাকে ক'ৰবাত খালী ভৰীৰে থাকে, কৰবাত কোনোমতে ঘৰখন চলাই পঞ্চায়তৰ কাম কৰে। তেওঁৰ কিন্তু শিক্ষাগত অৰ্হতা কৰবাত মেট্ৰিক পাছ, কৰবাত হায়াৰ চেকেণ্ডৰী, নহলে গ্ৰেজুৱেট হ'ব লাগিব। মই ভাবো যে এইখিনি কৰাৰ পাছত আমি এম এল এ সকলেও এটা প্ৰস্তাৱ ইয়াৰ পৰা পঠিয়াব লাগে যিহেতু কেন্দ্ৰত আপোনালোকৰ চৰকাৰ আছে আমিও ইয়াৰ পৰা সৰ্ব্বসন্মত মত লৈ একেধৰণে পঠিয়াও যে

অসম বিধান সভাই যেনেদৰে জি এচ টিৰ বিল পাছ কৰা প্ৰথম ৰাজ্য হ'ল ঠিক আহক একেদৰে আমিও এম এল এ সকলৰ বাবে শিক্ষাগত অৰ্হতা বিছাৰি বিল পাছ কৰা ভাৰতৰ ভিতৰত প্ৰথম ৰাজ্য হও। আমাৰ জিলা পৰিষদত এটা সমষ্টিত ৪ জন থাকে যদি জিলা পৰিষদত গ্ৰেজুৱেট লাগে বা ইন্টাৰমিডিয়েট লাগে তেতিয়াহ'লে তাৰ ৪ গুন বেছি পাচ হ'ব লাগিব এজন এম এল এ । সেইধৰণৰ এটা বিল বনাই আমি প্ৰথম আৰ্হি দেখুৱাও যে অসম বিধান সভাই কৈছে যে এইখিনি নিম্নতম শিক্ষাগত অৰ্হতা নাথাকিলে বিধায়ক হ'ব নোৱাৰিব। এম পি সকলেৰ ক্ষেত্ৰতো তেনেধৰণৰ এটা হ'ব লাগে বুলি যদিও আমি ক'ব নোৱাৰো এটা প্ৰস্তাৰ পঠিয়াওক তেতিয়া আমাক সাধাৰণ মানুহে ক'ব যে নহয় তেওলোকে নিজে বিধান সভাত এই কথাখিনি যিহেতু উপলব্ধি কৰিছে সেই কথাখিনি বৃহত্তৰ অসমৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে কৈছে এই কথাখিনিৰ গ্ৰহণ যোগ্যতা আছে। সেয়েহে আমাৰ প্ৰস্তাৱ যে এই ক্ষেত্ৰত আমাৰ এম এল এ সকলোৰে শিক্ষাগত অৰ্হতা গ্ৰেজুৱেট বা ইন্টাৰমিডিয়েট যিখিনি আপোনালোকে কৰে সেইখিনি থাকিলে ভাল হ'ব বুলি আমি ভাবিছো। নহলে পৰৱৰ্ত্তী সময়ত কি হ'ব আপোনালোকৰে চৰকাৰ থাকক বা বেলেগ চৰকাৰে থাকক ---- একে চৰকাৰে কিন্তু পিচত নাকচ কৰাৰ নজিৰ ৪-৫খন ৰাজ্যত আছে আৰু এই ক্ষেত্ৰত মই ভাবো যে আপোনালোকৰে তৃণমূল পৰ্য্যায়ত যিসকলে উঠিম উঠিম বুলি ভাৰি আছে সেই সকলে আপোনালোকক সমৰ্থন কৰিব। দ্বিতীয় কথাটো হ'ল অধ্যক্ষ মহোদয় , আমেৰিকাৰ ৰাষ্ট্ৰপতি হ'বলৈ কিন্তু শিক্ষাগত অৰ্হতা নালাগে। আব্ৰাহিম লিংকনে ওকালতি কৰিছিল কিন্তু তেওঁ ওকালতি পাছ কৰা নাছিল। দুখীয়া আছিল কাৰণে সৰুতে পঢ়িব নোৱাৰিলে । খুব তীক্ষ্ণ বুদ্ধি আছিল নিজৰ কিতাপ ভনীয়েকক দিব লাগে সেই কাৰনে পঢ়া শুনা কৰিব নোৱাৰিলে। কিন্তু এটা ভাল প্ৰভিজন আছিল যে, ৰাষ্ট্ৰপতি হ'বৰ কাৰণে শিক্ষাগত অৰ্হতাৰ প্ৰয়োজন নাই। কিন্তু আমাৰ ইয়াত কিন্তু সভাপতি বা ৱাৰ্ড মেম্বৰ হোৱাৰ কাৰণে শিক্ষাগত অৰ্হতাৰ কিমান প্ৰয়োজন আজিৰ তাৰিখত প্ৰয়োজনিয়তা আছে । গতিকে প্ৰথমে আমি সংশোধন হৈ লওঁ। তাৰ পিছত হোৱাটো আমি বিচাৰিছো দ্বিতীয় কথাটো কৈছো ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত। এই ক্ষেত্ৰত গ্ৰহণ যোগ্যতা আছে অধ্যক্ষ মহোদয়, ইন প্ৰিঞ্চিপুল এগ্ৰি কৰিছো। ১০ টা লৰা ছোৱালী হলেও মই এম এল এ হ'ব পাৰিম। কিন্তু পঞ্চায়তৰ প্ৰতিনিধিৰ লৰা ছোৱালী ২ জন হ'লেও তেও প্ৰতিনিধি হ'ব নোৱাৰিব। মই আইন প্ৰনয়ণ কৰিম আজি বিধান সভাত কিন্তু মোৰ ১০ টা লৰা ছোৱালী থাকিলেও মই এম এল এ হ'ব পাৰিম কিন্তু মোৰ পঞ্চায় তৰ প্ৰতি নিধিয়ে ২টা লৰা ছোৱালী হ'লেও পঞ্চায়ত প্ৰতিনিধি হ'ব নোৱাৰিব। মই ঘৰৰ চতুৰ্থজন লৰা কিন্তু মই এম এল এ হ'ব পাৰিম কিন্তু মোৰ গাঁওৰ প্ৰতিনিধিজন ঘৰৰ দ্বিতীয় লৰা কিন্তু তেও পঞ্চায়ত প্ৰতিনিধি হব নোৱাৰিব। এই কথাবিলাক অলপ চোৱা চিতা কৰাৰ দৰকাৰ বুলি মই ভাৱো অধ্যক্ষ মহোদয়। আমাৰ ট্ৰেজাৰী ব্ৰান্সৰ পৰা এটা উদাহৰন আহিছিল যে এজন মহাপুৰুষে এজনৰ ওচৰত গৈছিল , গৈ কৈছিল যে মোৰ লৰাটোৱে খুৱ মিঠাই খায়। বিধান সভাৰ ফাইনেন্সত বিল চাবমিট কৰোতে হৈছে। মই কেৱল উদ্ধৃতি দিছো। এগৰাকী মহিলা মহাপুৰুষৰ ওচৰত আহি কৈছে যে মোৰ লৰাজনে বহুত মিঠাই খাই। মহাপুৰুষ জনে কলে যে আজি আপুনি নালাগে পৰহি আহক। পৰহি গৈছে তেতিয়া মহাপুৰুষজনে লৰাটোক কলে যে তুমি মিঠাই নাখাবা কালিৰ পৰা। মহিলাগৰাকীৰ খং উঠিল যে এই কথাটো কোৱাৰ কাৰণে দুদিন কিয় সময় ললে। তেতিয়া মহাপুৰুষ জনে কলে মই খুব মিঠাই খাইছিলো , মই নিজে দুদিন চালো যে মিঠাইটো এৰিব পাৰো নে নোৱাৰো। মই আজি পাৰিছো, গতিকে মই এৰিব কৈছো। আমি যদি বিধান সভাত MLA সকলে পাৰো তাৰ পিছত কৰিবৰ কাৰণে অনুৰোধ কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। additional point থাকিলে দিয়ক, নহলে এইটো consideration ৰ সময়ত আলোচনা কৰিম । এতিয়া শেষত আপুনি কওঁক।

**শ্ৰীমতী নন্দিতা দাস, বকোঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনত এটা কথা আছে, Amendment of section 3 A , যিটো কথা কলে লৰা - ছোৱালীৰ ক্ষেত্ৰত যে elligible হ'ব কাৰণে বা পঞ্চায়ত খেলাৰ কাৰণে দুটা লৰা -ছোৱালী থাকিলে তেওঁ elligible হ'ব । কিন্তু মহোদয়, ইয়াত এইটো কথা নাই যে পঞ্চায়ত খেলি এজন জিকিলে, তাৰ পাছত যদি তেওঁৰ তিনিটা বা চাৰিটা সন্তান হয়। ইয়াত কিন্তু কোনো restriction ৰ কথা নাই। মানে যিটো population control ৰ কথা আমি কৈ আছো, যাৰ কাৰণে এই বস্তু আনিছে এইটো ফলপ্ৰসু নহ'ব। কাৰণ কিয় ইয়াত এইটো বস্তু নাই। আমি কিহৰ কাৰণে এইটো কৰিছো ধৰিব নোৱাৰিলো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী নৱ কুমাৰ দলে, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এই Amendment Bill খন বিশেষকৈ জনসংখ্যাৰ বৃদ্ধিৰ বিষয়টো চাই পেলাই আমাৰ ইয়াত সিদ্ধান্ত হৈছিলে যে দুটা ল'ৰা-ছোৱালীতকৈ ওপৰত হ'লে পঞ্চায়ত প্ৰতিনিধিৰ ক্ষেত্ৰত elligible নহয়। এইটো সিদ্ধান্ত আলোচনা কৰি লোৱা হৈছিলে। দ্বিতীয়তে হ'ল qualification ৰ কথাটো। এতিয়া বিভিন্ন সময়ত বিশেষকৈ আঁচনিসমূৰ ৰূপায়ণৰ ক্ষেত্ৰত ভাৰত চৰকাৰে বিভিন্ন ধৰণৰ কিছুমান আঁচনি আহিছে, যত নেকি আমি লক্ষ্য কৰিছো যে আমাৰ প্ৰতিনিধিসকলৰ কিছুমান সজাগতা নথকাৰ কাৰণে বিভিন্ন সময়ত চৰকাৰী কাম কাজ কৰোতে অসুবিধাৰ সন্মুখিন হোৱা দেখা যায়। সেয়ে আমি বিশেষকৈ জিলা পৰিষদৰ ক্ষেত্ৰত general caste ৰ কাৰণে Higher Secondary আৰু ST/SC/ OBC ৰ কাৰণে Higher Secondary আৰু পঞ্চায়তৰ সভাপতি আৰু আঞ্চলিক পঞ্চায়তৰ সদস্যসকলৰ কাৰণে আমি class VIII আৰু বাকী Ward member ৰ কাৰণে class VI, তাত General/ST/SC/ OBC/ MOBC ৰ কাৰণে ব্যৱস্থাটো ৰখা নাছিলো। গতিকে এই ব্যৱস্থাটোত আমি আশা ৰাখিছো যে সকলো মাননীয় সদস্যই এই কথাটো অনুভৱ কৰিছে বৰ্তমান পৰিস্থিতি চাই।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় পঞ্চায়ত মন্ত্ৰী ডাঙৰীয়াই যিখন আইন আনিছে সেইটো introduction হৈছে। গতিকে introduction হোৱাৰ সময়ত আপোনালোকৰ বক্তব্য খিনি আপোনালোকে কৈছে। মন্ত্ৰী ডাঙৰীয়াই তেখেতৰ উত্তৰত তেখেতৰ কথাখিনি কৈছে যে এই আইনখন কিয় আনিছে। গতিকে আমাৰ আজি এই আইনখন introduction হে হ'ব। এই introduction হোৱাৰ পিছত এই আইনখন clause by clause consideration ত আহিব ইয়াৰ পৰবৰ্তী পৰ্য্যায়ত। তেতিয়া আমাৰ মাননীয় সদস্য সকলে participate কৰক। আমি সদনৰ clause by clause আলোচনাত সকলোৰে মতামত লওঁ। মতামতখিনি লোৱাৰ পিছত সেই মতে পঞ্চায়ত বিভাগৰ মন্ত্ৰীয়ে ব্যৱস্থা কৰিব। গতিকে মই ভাৱো মাননীয় অধ্যক্ষ মহোদয় বিলখন Introduction হব দিব লাগে আৰু ইয়াৰ পৰবৰ্তী পৰ্য্যায়ত considering stage ত এইটো দফাই দফাই আলোচনা কৰা হওঁক।

**শ্ৰী ৰকিবুল হুছেইন, চামুগুৰিঃ** মাননীয় অধ্যক্ষ মহোদয়, দফাই দফাই যেতিয়া আলোচনা হ'ব। particular সেই দফাটো আলোচনা হ'ব। মই মানে proceeding দেখুৱাই দিব পাৰো যে চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই এইফালে থাকোতে মই সুযোগ পাইছিলো যে Introduction stage ত যিখিনি প্ৰশ্ন উপস্থাপন কৰিছিলো সেই খিনি সাধাৰণতে address টো কৰে।

যিখিনি দফাই দফাই আলোচনাত সেইখিনি আমি সুবিধা নাপাম। গতিকে আমি কৈছিলো, সেইটোৰ উত্তৰ পোৱা নাই, মাননীয় অধ্যক্ষ মহোদয় MLA ৰ সংশোধনী প্ৰস্তাৱ এটা পঠিয়াব নেকি? পঠিয়াব বা নপঠিয়াই সেইটো কৈ দিলে হ'ল।

**মাননীয় অধ্যক্ষঃ**আপুনি যিটো কথা কৈছে, সেইটো নিশ্চিত ভাৱে ruling bench য়ে আলোচনা কৰিব। এতিয়া বিধেয়কখন অনুমোদৰ কাৰণে সদনৰ সন্মতি আছে নে?

এতিয়া মাননীয় ৰাজ্যিক মন্ত্ৰীয়ে সদনত বিধেয়কখন উত্থাপন কৰিব।

**শ্ৰী নৱ কুমাৰ দলে, ৰাজ্যিক (স্বতন্ত্ৰ) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰীঃ**

মাননীয় অধ্যক্ষ মহোদয়, "The Assam Panchayat (Amendment) Bill, 2018" বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ**এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** "The Assam Panchayat (Amendment) Bill, 2018" .

**মাননীয় অধ্যক্ষঃ** We are thankful that the Chief Minister has already arrive here. তেখেতে নিশ্চয় কথাখিনিত concerned আছে, পিছত পাতিব।

**আজিৰ সদন ২৩-০২-২০১৮ তাৰিখৰ পূৱা ৯.৩০ বজালৈ স্থগিত ৰখা হৈছে।**